তৃতীয় খণ্ড

প্ৰথম অধ্যায়

# অনুমান

## 3.1.1. অনুমান ঃ

অনুমান হ'ল একপ্ৰকাৰ মানসিক ক্ৰিয়া। সাধাৰণতে মানসিক ক্ৰিয়া তিনি প্ৰকাৰৰ— চিন্তা, ইচ্ছা আৰু অনুভূতি (Thinking, Willing and Feeling)। অনুমান হ'ল চিন্তাৰ লগত জড়িত মানসিক ক্ৰিয়া। চিন্তা কৰিব নোৱাৰিলে অনুমান কৰিব নোৱাৰি। তৰ্কবিজ্ঞানৰ সংজ্ঞাত কোৱা হয় যে 'তৰ্কবিজ্ঞান অনুমান সম্পৰ্কীয় বিজ্ঞান।' যদিও এই সংজ্ঞাটো তৰ্কবিজ্ঞানৰ সম্পূৰ্ণ সংজ্ঞা নহয়, তথাপি ইয়াৰ পৰা স্পষ্ট হয় যে 'অনুমান' তৰ্কবিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ আলোচনাৰ বিষয়।

'যি মানসিক প্ৰক্ৰিয়াৰ দ্বাৰা এক বা একাধিক জ্ঞাত সত্যৰ ভিত্তিত কোনো অজ্ঞাত নতুন সত্যত উপনীত হোৱা যায় তাক অনুমান বোলে।'

উদাহৰণ—

(1) সকলো মানুহ হয় মৰণশীল
ৰাধাকৃষ্ণণ হয় মানুহ } আশ্ৰয়বাক্য

∴ ৰাধাকৃষ্ণণ হয় মৰণশীল।— সিদ্ধান্ত

(2) ছক্ৰেটিছ হয় মৰণশীল
প্লেটো হয় মৰণশীল
এৰিষ্টটল হয় মৰণশীল } আশ্ৰয়বাক্য

∴ সকলো মানুহ হয় মৰণশীল।— সিদ্ধান্ত

অনুমানত আমি এক বা একাধিক জ্ঞাত সত্যৰ ভিত্তিত অজ্ঞাত নতুন সত্যত উপনীত হওঁ। ওপৰৰ প্ৰথম উদাহৰণটোত আমি প্ৰথম দুটা জ্ঞাত সত্যৰ ভিত্তিত নতুন সত্য 'ৰাধাকৃষ্ণণ হয় মৰণশীল' সিদ্ধান্তলৈ আহিছো। দ্বিতীয় উদাহৰণটোত প্ৰথম তিনিটা জ্ঞাত সত্যৰ ভিত্তিত 'সকলো মানুহ হয় মৰণশীল' নতুন অজ্ঞাত সিদ্ধান্তলৈ আহিছো। এইদৰে জ্ঞাত বা প্ৰত্যক্ষ জ্ঞানৰ ভিত্তিত পৰোক্ষ জ্ঞান বা নতুন জ্ঞান লাভেই হৈছে অনুমানৰ মূল উদ্দেশ্য।

## অনুমান আৰু যুক্তি ঃ (Inference and Argument)

তৰ্কবিজ্ঞানৰ মূল আলোচ্য বিষয় হৈছে যুক্তি। প্ৰত্যেক যুক্তিতে এক বা একাধিক বচনৰ সহায়ত এটা নতুন বচন প্ৰতিষ্ঠা কৰা হয়। সেয়েহে প্ৰত্যেক যুক্তিতে দুটা অংশ থাকে— আধাৰ বচন বা যুক্তিবাক্য বা আশ্ৰয়বাক্য আৰু সিদ্ধান্ত। যিবোৰ বচনৰ সহায়ত সিদ্ধান্ত বা নতুন সত্যটো প্ৰতিষ্ঠা কৰা হয় তাক আশ্ৰয়বাক্য বা আধাৰ বচন বা যুক্তিবাক্য বোলা হয় আৰু আধাৰ বচনৰ বা আশ্ৰয়বাক্যৰ ওপৰত ভিত্তি কৰি যি নতুন সত্যত উপনীত হোৱা যায় তাক কোৱা হয় সিদ্ধান্ত।

সাধাৰণতে অনুমান আৰু যুক্তি একে অৰ্থত ব্যৱহাৰ কৰা হয়। তৰ্কবিজ্ঞানত দুয়োটাকে বিশেষ অৰ্থত ব্যৱহাৰ কৰা হয়। অনুমান হৈছে এক মানসিক প্ৰক্ৰিয়া অৰ্থাৎ চিন্তাৰ এক প্ৰক্ৰিয়া। চিন্তাক যেতিয়া ভাষাত প্ৰকাশ কৰা হয় তেতিয়া অনুমানটোক যুক্তি (Argument) বোলা হয়। এই যুক্তিয়েই হৈছে তৰ্কবিজ্ঞানৰ বিষয়বস্তু।

## অনুমানৰ প্ৰকাৰ ঃ (Kinds of Inference)

যুক্তিৰ বিভিন্নতা অনুযায়ী বা প্ৰকাশভংগী অনুযায়ী অনুমানক দুটা ভাগত ভাগ কৰা হয়— নিগমন অনুমান (Deductive Inference) আৰু আগমন অনুমান (Inductive Inference)।

### (a) নিগমন অনুমান ঃ (Deductive Inference)

যি অনুমানত সাৰ্বিক সম্বন্ধৰ জ্ঞানৰ সহায়ত বিশেষ বিশেষ সম্বন্ধৰ জ্ঞানত নাইবা আশ্ৰয়বাক্যত থকা সম্বন্ধতকৈ কম সাৰ্বিকতা থকা জ্ঞানত উপনীত হোৱা যায় তাক নিগমন অনুমান বোলে।

নিগমন অনুমানত আমি সামান্য বচনৰ পৰা বিশেষ বচনলৈ বা তাতকৈ কম সামান্য বচনলৈ আহোঁ। গতিকে নিগমন অনুমানৰ প্ৰধান বৈশিষ্ট্য হৈছে ইয়াৰ সিদ্ধান্ত কেতিয়াও আশ্ৰয়বাক্যতকৈ বেছি ব্যাপক হ'ব নোৱাৰে।

উদাহৰণ—

সকলো কবি হয় দাৰ্শনিক (আশ্ৰয়বাক্য)
ৰবীন্দ্ৰ নাথ হয় কবি (আশ্ৰয়বাক্য)
∴ ৰবীন্দ্ৰ নাথ হয় দাৰ্শনিক (সিদ্ধান্ত)

ওপৰৰ উদাহৰণটোত সিদ্ধান্ত আশ্ৰয়বাক্যতকৈ বেছি ব্যাপক হোৱা নাই। গতিকে ই নিগমন অনুমান।

### (b) আগমন অনুমান ঃ (Inductive Inference)

যি অনুমানত বিশেষ বিশেষ সম্বন্ধৰ জ্ঞানৰ সহায়ত সামান্য সম্বন্ধৰ জ্ঞানত উপনীত হোৱা যায় তাক আগমন অনুমান বোলে।

উদাহৰণ—

ৰাম হয় মৰণশীল
হৰি হয় মৰণশীল
∴ সকলো মানুহ হয় মৰণশীল।

ওপৰৰ উদাহৰণটোত সিদ্ধান্তটো আশ্ৰয়বাক্যতকৈ বেছি ব্যাপক। কাৰণ 'সকলো মানুহ হয় মৰণশীল'— সিদ্ধান্তটো কিছুমান বিশেষ বিশেষ দৃষ্টান্ত যেনে— ৰাম, হৰি, যদু আদিৰ মৰণশীলতাৰ পৰা পোৱা গৈছে। গতিকে ই এটা আগমন অনুমান।

## নিগমন অনুমানৰ বৈশিষ্ট্য ঃ (Characteristics of Deductive Inference)

(a) সিদ্ধান্তটো এক বা একাধিক আশ্ৰয়বাক্যৰ পৰা নিঃসৃত হয়।
(b) সিদ্ধান্তটো আশ্ৰয়বাক্যত নিহিত হৈ থাকে আৰু আশ্ৰয়বাক্যৰ পৰা অনিবাৰ্যভাৱে নিঃসৃত হয়।
(c) সিদ্ধান্তটো আশ্ৰয়বাক্যতকৈ বেছি ব্যাপক হ'ব নোৱাৰে। অৱশ্যে ই আশ্ৰয়বাক্যৰ

সমান ব্যাপক হ'ব পাৰে।

(d) সিদ্ধান্তটো আশ্ৰয়বাক্যত নিহিত হৈ থাকে বাবে আশ্ৰয়বাক্য সত্য হ'লে সিদ্ধান্তও সত্য হ'ব।

(e) নিগমন অনুমানৰ উদ্দেশ্য হৈছে যুক্তিৰ আকাৰত সত্যতা বা বৈধতা বা সংলগ্নতা (consistency) নিৰ্ণয় কৰা। ই অনুমানৰ বস্তুগত সত্যতাৰ লগত জড়িত নহয়। সিদ্ধান্তটো অনুমানৰ নীতি-নিয়ম অনুসৰি আশ্ৰয়বাক্যৰ পৰা অনিবাৰ্যভাৱে নিঃসৃত হ'লেই অনুমানটো আকাৰগতভাৱে বৈধ হ'ব। অৱশ্যে আশ্ৰয়বাক্যবোৰ বস্তুগতভাৱে সত্য হ'লে সিদ্ধান্তটো বস্তুগতভাৱে সত্য হ'ব।

## আগমন অনুমানৰ বৈশিষ্ট্য ঃ (Characteristics of Inductive Inference) ঃ

(a) সিদ্ধান্ত সদায় একাধিক আশ্ৰয়বাক্যৰ পৰা নিঃসৃত হয়।

(b) সিদ্ধান্তটো আশ্ৰয়বাক্যত নিহিত হৈ নাথাকে বাবে সিদ্ধান্ত আশ্ৰয়বাক্যৰ পৰা অনিবাৰ্যভাৱে নিঃসৃত নহয়।

(c) সিদ্ধান্ত আশ্ৰয়বাক্যতকৈ বেছি ব্যাপক অৰ্থাৎ সিদ্ধান্তই আশ্ৰয়বাক্যক অতিক্ৰম কৰি যায়।

(d) সিদ্ধান্তই আশ্ৰয়বাক্যক অতিক্ৰম কৰে বাবে আশ্ৰয়বাক্যৰ সত্যতাৰ পৰা সিদ্ধান্তৰ সত্যতা প্ৰমাণিত নহয়, অৰ্থাৎ সিদ্ধান্তৰ সত্যতাত সংশয় থাকে।

(e) আগমন অনুমানৰ সিদ্ধান্তই সত্য প্ৰমাণ কৰিব নোৱাৰিলেও ই সত্য আৱিষ্কাৰত সহায়ক হয়।

**নিগমন আৰু আগমন অনুমানৰ পাৰ্থক্য ঃ**

(1) নিগমন অনুমানত সিদ্ধান্তত সামান্য সত্যৰ পৰা বিশেষ বিশেষ সত্যলৈ অহা হয় আৰু আগমন অনুমানত বিশেষ বিশেষ দৃষ্টান্তৰ পৰা সামান্য সত্যৰ সিদ্ধান্তলৈ অহা হয়।

(2) নিগমন অনুমানত সিদ্ধান্ত আশ্ৰয়বাক্যৰ পৰা অনিবাৰ্যভাৱে নিঃসৃত হয়। আগমন অনুমানত সিদ্ধান্ত আশ্ৰয়বাক্যত নিহিত হৈ নাথাকে। সেয়েহে ইয়াত সিদ্ধান্ত আশ্ৰয়বাক্যৰ পৰা অনিবাৰ্যভাৱে নিঃসৃত নহ'বও পাৰে।

(3) নিগমন অনুমানত সিদ্ধান্ত কেতিয়াও আশ্ৰয়বাক্যতকৈ বেছি ব্যাপক হ'ব নোৱাৰে। কিন্তু আগমন অনুমানত সিদ্ধান্ত সদায় আশ্ৰয়বাক্যতকৈ বেছি ব্যাপক হ'ব।

(4) নিগমন অনুমানত সিদ্ধান্তই আশ্ৰয়বাক্যক অতিক্ৰম কৰি যাব নোৱাৰে। সেয়েহে ইয়াত আশ্ৰয়বাক্য সত্য হ'লে সিদ্ধান্তও সত্য হ'ব। আগমন অনুমানত সিদ্ধান্তই আশ্ৰয়বাক্যক অতিক্ৰম কৰি যায়। সেয়েহে ইয়াত আশ্ৰয়বাক্য সত্য হ'লে সিদ্ধান্ত সত্য হ'বনে মিথ্যা হ'ব সেইটো নিশ্চিত নহয়।

নিগমন অনুমানত জ্ঞাত সত্যৰ ভিত্তিত অজ্ঞাত নতুন সত্যত উপনীত হোৱাৰ যিটো প্ৰক্ৰিয়া, সেই প্ৰক্ৰিয়া হৈছে সামান্যৰ পৰা বিশেষলৈ যোৱাৰ প্ৰক্ৰিয়া। আনহাতে, আগমন অনুমানত সেই প্ৰক্ৰিয়া হৈছে বিশেষৰ পৰা সামান্যলৈ যোৱাৰ

প্ৰক্ৰিয়া। দুয়োটা ক্ষেত্ৰতে সেয়েহে যুক্তিৰ গঠন পদ্ধতি বেলেগ বেলেগ। তথাপি সত্যতা লাভৰ ক্ষেত্ৰত এটা আনটোৰ পৰিপূৰক। কাৰণ নিগমন অনুমান জ্ঞানৰ আকাৰগত সত্যতাৰ লগত জড়িত আৰু আগমন অনুমান বস্তুগত সত্যতাৰ লগত জড়িত। আকাৰগত আৰু বস্তুগত উভয় সত্যতাই একক সত্যতাৰেই ৰূপ। গতিকে নিগমন আৰু আগমন সত্যতা লাভৰ ক্ষেত্ৰত এটা আনটোৰ পৰিপূৰক।

যিহেতু আমাৰ আলোচনাৰ বিষয়বস্তু নিগমন অনুমান, গতিকে পৰৱৰ্তী পৰ্যায়ত আমি কেৱল নিগমন অনুমানৰ বিষয়েহে আলোচনা কৰিম।

## নিগমন অনুমানৰ প্ৰকাৰ ঃ (Kinds of Deductive Inference)

নিগমন অনুমানৰ সিদ্ধান্ত এটা মাত্ৰ আশ্ৰয়বাক্যৰ পৰাও পাব পাৰি বা একাধিক আশ্ৰয়বাক্যৰ পৰাও পাব পাৰি। নিগমন অনুমান দুটা ভাগত ভাগ কৰা হয়—

(a) অমাধ্যম অনুমান (Immediate inference)

(b) মাধ্যম অনুমান (Mediate inference)

**(a) অমাধ্যম অনুমান ঃ** যি নিগমন অনুমানত সিদ্ধান্তটো এটা মাত্ৰ আশ্ৰয়বাক্যৰ পৰা অনিবাৰ্যভাৱে নিঃসৃত হয় তাকে অমাধ্যম অনুমান বোলে। অমাধ্যম অনুমানত দুটা বচন থাকে— এটা হ'ল আশ্ৰয়বাক্য আৰু আনটো হ'ল সিদ্ধান্ত।

উদাহৰণ—

A– সকলো অসমীয়া হয় ভাৰতীয় (আশ্ৰয়বাক্য)।

∴ I– কিছুমান ভাৰতীয় হয় অসমীয়া (সিদ্ধান্ত)।

— ই এক অমাধ্যম অনুমান। কাৰণ ইয়াত—

(i) সিদ্ধান্ত এটা মাত্ৰ আশ্ৰয়বাক্যৰ পৰা নিঃসৃত হৈছে।

(ii) ই অমাধ্যম নিগমন অনুমান। কাৰণ ইয়াত সিদ্ধান্ত আশ্ৰয়বাক্যতকৈ কম ব্যাপক।

**(b) মাধ্যম অনুমান ঃ** যি নিগমন অনুমানত সিদ্ধান্ত একাধিক আশ্ৰয়বাক্যৰ পৰা অনিবাৰ্যভাৱে নিঃসৃত হয় তাকে মাধ্যম অনুমান বোলে। মাধ্যম অনুমানত এটা সিদ্ধান্ত আৰু বাকীবোৰ আশ্ৰয়বাক্য।

উদাহৰণ—

A– সকলো মানুহ হয় মৰণশীল (আশ্ৰয়বাক্য)

A– সকলো কবি হয় মানুহ (আশ্ৰয়বাক্য)

∴ A– সকলো কবি হয় মৰণশীল (সিদ্ধান্ত)।

ই এটা মাধ্যম অনুমান। কাৰণ ইয়াত—

(i) সিদ্ধান্ত দুটা আশ্ৰয়বাক্যৰ (একাধিক) পৰা নিঃসৃত হৈছে। প্ৰথম বচনটোৰ পৰা পোনপটীয়াকৈ সিদ্ধান্তটো অহা নাই। মাধ্যম হিচাপে দ্বিতীয় আশ্ৰয়বাক্যৰ সহায় লোৱা হৈছে।

(ii) ই নিগমন অনুমান। কিয়নো ইয়াত সিদ্ধান্ত আশ্ৰয়বাক্যতকৈ বেছি ব্যাপক নহয়।

## অমাধ্যম অনুমান আৰু মাধ্যম অনুমান ঃ

### সাদৃশ্য ঃ

অমাধ্যম আৰু মাধ্যম দুয়োটাই নিগমন অনুমান। গতিকে ইহঁতৰ মাজত কিছুমান গুৰুত্বপূৰ্ণ সাদৃশ্য আছে—

(1) দুয়োৰে ক্ষেত্ৰতেই সিদ্ধান্ত আশ্ৰয়বাক্যত

নিহিত থাকে আৰু আশ্ৰয়বাক্যৰ পৰা অনিবাৰ্যভাৱে নিঃসৃত হয়।

(2) দুয়োৰে ক্ষেত্ৰতেই সিদ্ধান্ত আশ্ৰয়বাক্যৰ সমান ব্যাপক হ'ব পাৰে। কিন্তু আশ্ৰয়বাক্যতকৈ সিদ্ধান্ত কেতিয়াও বেছি ব্যাপক হ'ব নোৱাৰে। অৰ্থাৎ দুয়োৰে ক্ষেত্ৰতে সিদ্ধান্তই আশ্ৰয়বাক্যক অতিক্ৰম নকৰে।


(3) দুয়োৰে ক্ষেত্ৰতেই আকাৰগত সত্যতাৰ প্ৰতিহে গুৰুত্ব দিয়া হয়। অৰ্থাৎ আশ্ৰয়বাক্য আৰু সিদ্ধান্তৰ আকাৰ-গঠন অনুমানৰ নিয়ম অনুযায়ী হ'লে অনুমানটো বৈধ হ'ব। আশ্ৰয়বাক্যৰ বস্তুগত সত্যতাৰ ওপৰত গুৰুত্ব দিয়া নহয়।

**পাৰ্থক্য ঃ**

(1) অমাধ্যম অনুমানত দুটি বচন থাকে— এটা আশ্ৰয়বাক্য আৰু এটা সিদ্ধান্ত। কিন্তু মাধ্যম অনুমানত দুটাতকৈ বেছি বচন থাকে— একাধিক আশ্ৰয়বাক্য আৰু এটা সিদ্ধান্ত।

(2) এটা মাত্ৰ আশ্ৰয়বাক্যৰ পৰা সিদ্ধান্ত গ্ৰহণ কৰা যায় বাবে অমাধ্যম অনুমানৰ প্ৰয়োগ ক্ষেত্ৰ অতি সংকীৰ্ণ। সেয়েহে কিছুমান তৰ্কবিজ্ঞানীয়ে অমাধ্যম অনুমানক প্ৰকৃত অনুমান বুলি স্বীকাৰ নকৰে। মাধ্যম অনুমানৰ প্ৰয়োগক্ষেত্ৰ অতি ব্যাপক। সেয়েহে ইয়াত তেনে প্ৰশ্ন নুঠে।

এতিয়ালৈকে পোৱা জ্ঞানৰ ভিত্তিত আমি অনুমান আৰু ইয়াৰ প্ৰকাৰ সম্পৰ্কে তলত দিয়া ধৰণে তালিকা প্ৰস্তুত কৰিব পাৰো—




## অমাধ্যম অনুমানৰ শ্ৰেণীবিভাজন ঃ

অমাধ্যম অনুমান নানা প্ৰকাৰৰ হ'ব পাৰে। তাৰ ভিতৰত দুটি প্ৰধান প্ৰকাৰ হ'ল— সমবৰ্তন আৰু প্ৰতিবৰ্তন। তলত আমি এই দুই প্ৰকাৰৰ অমাধ্যম অনুমান সম্পৰ্কে আলোচনা কৰিম।

### (i) সমবৰ্তন (Conversion) ঃ

যি অমাধ্যম নিগমন অনুমানত বিধিসন্মতভাৱে আশ্ৰয়বাক্যৰ উদ্দেশ্য আৰু বিধেয়ৰ স্থান পৰিৱৰ্তন কৰি সিদ্ধান্তত উপনীত হোৱা যায় আৰু আশ্ৰয়বাক্য আৰু সিদ্ধান্তৰ মাজত গুণৰ কোনো পৰিৱৰ্তন কৰা নহয় তাক সমবৰ্তন বোলে।

এই প্ৰকাৰৰ অনুমানত আশ্ৰয়বাক্যটোক কোৱা হয় সমবৰ্তনীয় বচন (convertend) আৰু সিদ্ধান্তক সমবৰ্তিত বচন (converse)।

উদাহৰণ—

A– সকলো শিক্ষক হয় বিদ্বান (সমবৰ্তনীয় বচন)

∴ I – কিছুমান বিদ্বান হয় শিক্ষক (সমবৰ্তিত)

সমবৰ্তনৰ ক্ষেত্ৰত নিম্নলিখিত নিয়মবোৰ মানিব লাগিব।

**নিয়ম ঃ**

(i) আশ্ৰয়বাক্যৰ উদ্দেশ্য সিদ্ধান্তৰ বিধেয় হ'ব।

(ii) আশ্ৰয়বাক্যৰ বিধেয় সিদ্ধান্তৰ উদ্দেশ্য হ'ব।

(iii) আশ্ৰয়বাক্য আৰু সিদ্ধান্তৰ গুণ একে হ'ব; অৰ্থাৎ আশ্ৰয়বাক্যটো যদি সদৰ্থক হয়, তেন্তে সিদ্ধান্তটো সদৰ্থক হ'ব আৰু আশ্ৰয়বাক্যটো যদি নঞৰ্থক হয়, তেন্তে সিদ্ধান্তটো নঞৰ্থক হ'ব।

(iv) আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ কোনো পদেই সিদ্ধান্তত ব্যাপ্ত হ'ব নোৱাৰিব।

AEIO— এই চাৰি প্ৰকাৰৰ তৰ্কবিজ্ঞানসন্মত বচনৰ নিম্নলিখিত ধৰণে সমবৰ্তন কৰা হয়—

**(i) A বচনৰ সমবৰ্তন (A – I) ঃ**

A— সকলো অসমীয়া হয় ভাৰতীয়
(সমবৰ্তনীয় বচন)

∴ A— সকলো ভাৰতীয় হয় অসমীয়া
(সমবৰ্তিত বচন)

ইয়াত আশ্ৰয়বাক্যৰ উদ্দেশ্য পদ 'অসমীয়া' সিদ্ধান্তত বিধেয় হৈছে। বিধেয় পদ 'ভাৰতীয়' সিদ্ধান্তত উদ্দেশ্য হৈছে। দুয়োটা বচনৰে গুণ একেই অৰ্থাৎ দুয়োটাই সদৰ্থক। তথাপিও ই অবৈধ। কাৰণ ইয়াত চতুৰ্থ নিয়ম ভংগ হৈছে। কাৰণ ইয়াত 'ভাৰতীয়' পদটো সিদ্ধান্তত উদ্দেশ্য হিচাপে ব্যাপ্ত হৈছে, কিন্তু আশ্ৰয়বাক্যত A বচনৰ বিধেয় হিচাপে অব্যাপ্ত। গতিকে সাধাৰণভাৱে A বচনৰ সমবৰ্তন কৰিলে A বচন হ'ব নোৱাৰে।

কিন্তু A বচনক I বচনলৈ সমবৰ্তন কৰিব পাৰি।

উদাহৰণ—

A— সকলো অসমীয়া হয় ভাৰতীয়
(সমবৰ্তনীয়)

∴ I— কিছুমান ভাৰতীয় হয় অসমীয়া (সমবৰ্তিত)

ইয়াত আশ্ৰয়বাক্যৰ উদ্দেশ্য পদ 'অসমীয়া' সিদ্ধান্তৰ বিধেয় পদ হৈছে আৰু বিধেয় পদ 'ভাৰতীয়' সিদ্ধান্তত উদ্দেশ্য হৈছে। দুয়োটা বচনৰ গুণ সমান (সদৰ্থক)। সিদ্ধান্ত I বচন হোৱা বাবে কোনো পদেই ব্যাপ্ত হোৱা নাই। গতিকে চতুৰ্থ নিয়ম ইয়াত ভংগ হোৱা নাই। গতিকে A বচনৰ সমবৰ্তন কৰিলে A বচন হ'ব নোৱাৰে, ই I বচন হ'ব।

**(ii) E বচনৰ সমবৰ্তন (E – E) ঃ**

উদাহৰণ—

E— কোনো মানুহ নহয় দেৱতা
(সমবৰ্তনীয় বচন)

∴ E— কোনো দেৱতা নহয় মানুহ
(সমবৰ্তিত বচন)

ইয়াত আশ্ৰয়বাক্যৰ উদ্দেশ্যপদ 'মানুহ' সিদ্ধান্তত বিধেয় হৈছে আৰু বিধেয় পদ 'দেৱতা' সিদ্ধান্তত উদ্দেশ্য হৈছে। দুয়োটা বচনৰে গুণ সমান (নঞৰ্থক) দুয়োটা বচনৰ সকলো পদেই ব্যাপ্ত, গতিকে চতুৰ্থ নিয়ম ভংগৰ সমস্যা নাই।

গতিকে E বচনৰ সমবৰ্তন কৰিলে E বচন হ'ব।

**(iii) I বচনৰ সমবৰ্তন (I – I) ঃ**

উদাহৰণ—

I— কিছুমান ফুল হয় ৰঙা (সমবৰ্তনীয় বচন)

∴ I— কিছুমান ৰঙা বস্তু হয় ফুল
(সমবৰ্তিত বচন)

ইয়াত আশ্ৰয়বাক্যৰ উদ্দেশ্যপদ 'ফুল' সিদ্ধান্তত বিধেয় হৈছে আৰু বিধেয় পদ 'ৰঙা' সিদ্ধান্তত উদ্দেশ্য হৈছে। গুণৰ পৰিৱৰ্তন হোৱা নাই (সদৰ্থক)। দুয়োটা বচনতে কোনো পদেই ব্যাপ্ত হোৱা নাই। গতিকে চতুৰ্থ নিয়মৰ কোনো সমস্যা হোৱা নাই।

গতিকে দেখা গ'ল I বচনৰ সমবৰ্তন কৰিলে I বচন হয়।

**(iv) O বচনৰ সমবৰ্তন (×) ঃ**

O বচনৰ সমবৰ্তন কৰিব নোৱাৰি। O বচনৰ সমবৰ্তন কৰিলে নিম্নলিখিত ৰূপ পোৱা যায়।

O— কিছুমান কবি নহয় দাৰ্শনিক
(সমবৰ্তনীয় বচন)

∴ O— কিছুমান দাৰ্শনিক নহয় কবি
(সমবৰ্তিত বচন)

ইয়াত আশ্ৰয়বাক্যৰ উদ্দেশ্য পদ 'কবি' সিদ্ধান্তত বিধেয় হৈছে আৰু বিধেয় পদ 'দাৰ্শনিক' সিদ্ধান্তত উদ্দেশ্য হৈছে। দুয়োটা বচনৰ গুণ একেই (নঞৰ্থক)। কিন্তু তথাপিও অনুমানটো অবৈধ। কাৰণ ইয়াত চতুৰ্থ নিয়ম ভংগ হৈছে। কবি পদটো আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ সিদ্ধান্তত ব্যাপ্ত হৈছে।

গতিকে দেখা গ'ল O বচনৰ সমবৰ্তন কৰিব নোৱাৰি।

হবছ (Hobbes) আদি কিছুমান তৰ্কবিদে O বচনৰ সমবৰ্তন কৰিবলৈ এক বিশেষ পদ্ধতি প্ৰয়োগ কৰিছে। সেই পদ্ধতিৰ নাম নিষেধমূলক সমবৰ্তন (Conversion by Negation)। এই পদ্ধতি অনুসৰি O বচনৰ সংযোজকৰ পৰা নঞৰ্থক চিনটো আঁতৰাই তাক সিদ্ধান্তৰ বিধেয় পদৰ লগত যুক্ত কৰা হয় আৰু এনেদৰে O বচনটোক I বচনলৈ ৰূপান্তৰিত কৰা হয় আৰু I বচনটোক সমবৰ্তন কৰা হয়।

উদাহৰণ—

O— কিছুমান মানুহ নহয় সৎ
(প্ৰকৃত সমবৰ্তনীয় বচন)

I— কিছুমান মানুহ হয় অসৎ
(ৰূপান্তৰিত বচন)

∴ I— কিছুমান অসৎ হয় মানুহ
(সমবৰ্তিত বচন)

কিন্তু এনেধৰণৰ সমবৰ্তনক বিধিসন্মত বুলি ক'ব নোৱাৰি। কাৰণ ইয়াত সমবৰ্তনৰ চতুৰ্থ নিয়ম ৰক্ষা কৰিবলৈ গৈ দ্বিতীয় আৰু তৃতীয় নিয়ম ভংগ কৰা হৈছে। আশ্ৰয়বাক্যৰ বিধেয়টো সিদ্ধান্তত উদ্দেশ্য হোৱা নাই, ইয়াৰ বিৰুদ্ধ পদটোহে উদ্দেশ্য হৈছে। গুণৰ পৰিৱৰ্তন হৈছে। কাৰণ আশ্ৰয়বাক্য নঞৰ্থক, কিন্তু সিদ্ধান্ত সদৰ্থক।

গতিকে 'নিষেধমূলক সমবৰ্তন' গ্ৰহণযোগ্য নহয়।

## সমবৰ্তনৰ প্ৰকাৰ ঃ (Kinds of Conversion)

সমবৰ্তন দুই প্ৰকাৰৰ—

(a) সৰল সমবৰ্তন (Simple Coversion)
(b) অসৰল সমবৰ্তন (Conversion by limitation or conversion per accidens)

**(a) সৰল সমবৰ্তন (Simple conversion) ঃ**

যি সমবৰ্তনত আশ্ৰয়বাক্য আৰু সিদ্ধান্তৰ পৰিমাণ একেই থাকে তাক সৰল সমবৰ্তন বোলে। অৰ্থাৎ আশ্ৰয়বাক্যটো যদি সামান্য বচন হয়, তেনেহ'লে সিদ্ধান্তটো সামান্য বচন হ'ব আৰু যদি আশ্ৰয়বাক্যটো বিশেষ বচন হয়, তেন্তে সিদ্ধান্তটোও বিশেষ বচন হ'ব। E আৰু I বচনৰ সৰল সমবৰ্তন হয়।

উদাহৰণ—

(i) E বচনৰ সৰল সমবৰ্তন (E – E)

E— কোনো মানুহ নহয় অমৰ (সমবৰ্তনীয় বচন)

∴ E— কোনো অমৰ নহয় মানুহ (সমবৰ্তিত বচন)

(ii) I বচনৰ সৰল সমবৰ্তন (I – I)

I— কিছুমান মানুহ হয় জ্ঞানী (সমবৰ্তনীয় বচন)

∴ I— কিছুমান জ্ঞানী হয় মানুহ (সমবৰ্তিত বচন)

প্ৰথম উদাহৰণটোত দুয়োটা বচনেই সামান্য বচন (E – E) আৰু দ্বিতীয় উদাহৰণত দুয়োটা বচনেই বিশেষ বচন (I – I)। গতিকে দুয়োটা উদাহৰণত আশ্ৰয়বাক্য আৰু সিদ্ধান্তৰ পৰিমাণ সমান।

গতিকে কথা হ'ল E আৰু I বচনক সৰল সমবৰ্তন কৰিব পাৰি।

**(b) অসৰল সমবৰ্তন বা পৰিমিত সমবৰ্তন (Conversion per accidens) ঃ**

যি সমবৰ্তনত আশ্ৰয়বাক্য আৰু সিদ্ধান্তৰ পৰিমাণৰ পৰিৱৰ্তন হয় তাকে অসৰল সমবৰ্তন বোলে। অসৰল সমবৰ্তনত আশ্ৰয়বাক্য সামান্য বচন হ'লে সিদ্ধান্ত বিশেষ বচন হ'ব। A বচন অসৰল সমবৰ্তনৰ উদাহৰণ।

উদাহৰণ—

A— সকলো মানুহ হয় মৰণশীল (সমবৰ্তনীয় বচন)

∴ I— কিছুমান মৰণশীল জীৱ হয় মানুহ (সমবৰ্তিত বচন)

ওপৰৰ উদাহৰণত আশ্ৰয়বাক্যটো সামান্য বচন আৰু সিদ্ধান্ত বিশেষ বচন। গতিকে ই অসৰল সমবৰ্তন।

**A— বচনৰ সৰল সমবৰ্তন সম্ভৱনে? (Can A proposition be converted simply?)**

A বচনৰ সৰল সমবৰ্তন বুলিলে A বচনৰ পৰা A বচনৰ সমবৰ্তন কৰাকে বুজায়। ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে A বচনৰ সৰল সমবৰ্তন সম্ভৱ নহয়। কাৰণ A বচনৰ সৰল সমবৰ্তন কৰিলে সমবৰ্তনৰ চতুৰ্থ নিয়মটো ভংগ হয়।

কিন্তু কেতিয়াবা কিছুমান বিশেষ ক্ষেত্ৰত A বচনক আন এটা A বচনলৈ সমবৰ্তন কৰিব পাৰি। এইটো সম্ভৱ হয় যদি A বচনৰ উদ্দেশ্য পদ আৰু বিধেয় পদৰ বাচ্যাৰ্থ সমান হয়। যেনে—

(i) সংজ্ঞা

(ii) পুনৰুক্তিমূলক বচন

(iii) যিবোৰ A বচনৰ উদ্দেশ্য পদ আৰু বিধেয় পদ দুয়োটাই নিৰ্দিষ্ট পদ।

উদাহৰণ—

(i) সংজ্ঞা ঃ A— সকলো মানুহ হয় বুদ্ধিবৃত্তিসম্পন্ন প্ৰাণী।

∴ A— সকলো বুদ্ধিবৃত্তিসম্পন্ন প্ৰাণী হয় মানুহ।

(ii) পুনৰুক্তিমূলক বচন—

A— সকলো মানুহ হয় মনুষ্যত্বসম্পন্ন প্ৰাণী।

∴ A— সকলো মনুষ্যত্বসম্পন্ন প্ৰাণী হয় মানুহ।

(iii) নিৰ্দিষ্ট পদ—

A— কালিদাস হয় ভাৰতৰ শ্ৰেষ্ঠ কবি

∴ A— ভাৰতৰ শ্ৰেষ্ঠ কবি হয় কালিদাস।

**বিপৰীত সম্বন্ধভিত্তিক সমবৰ্তন (Inference by Converse Relation) ঃ**

প্ৰখ্যাত তৰ্কবিদ কেয়িন্স (Dr Keynes)এ বিপৰীত সম্বন্ধভিত্তিক সমবৰ্তন নামৰ একপ্ৰকাৰ সমবৰ্তনৰ উল্লেখ কৰিছে। এইবিধ সমবৰ্তনত সমবৰ্তনীয় বচনৰ উদ্দেশ্য আৰু বিধেয় দুয়োটা সাপেক্ষ পদ (relative term) হ'ব লাগিব আৰু দুয়োৰে সম্বন্ধৰ পৰিৱৰ্তন ঘটাই সিদ্ধান্তলৈ অহা হয়।

উদাহৰণ—

(i) A— ৰামকৃষ্ণ হয় বিবেকানন্দৰ গুৰু।

∴ A— বিবেকানন্দ হয় ৰামকৃষ্ণৰ শিষ্য।

(ii) A— সীতা হয় ৰামচন্দ্ৰৰ স্ত্ৰী

∴ A— ৰামচন্দ্ৰ হয় সীতাৰ স্বামী।

আপাতদৃষ্টিত এই প্ৰক্ৰিয়াক 'সমবৰ্তন' যেন লাগিলেও প্ৰকৃততে ই সমবৰ্তন হ'ব নোৱাৰে। কাৰণ—

(i) ইয়াত উদ্দেশ্য আৰু বিধেয়ৰ স্থান পৰিৱৰ্তন কৰাৰ লগতে সম্বন্ধৰো পৰিৱৰ্তন কৰা হৈছে। প্ৰথম উদাহৰণত গুৰুৰ পৰিৱৰ্তে শিষ্য, দ্বিতীয় উদাহৰণত স্ত্ৰীৰ পৰিৱৰ্তে স্বামী— এই সাপেক্ষ পদৰ ব্যৱহাৰ হৈছে। সাপেক্ষ পদ নহ'লে এনে ধৰণৰ সমবৰ্তন সম্ভৱ নহয়।

(ii) উদ্দেশ্য আৰু বিধেয়ৰ স্থান পৰিৱৰ্তন কৰা হৈছে যদিও প্ৰকৃতাৰ্থত আশ্ৰয়বাক্যৰ উদ্দেশ্যটো সিদ্ধান্তত বিধেয় হোৱা নাই। প্ৰথম উদাহৰণত আশ্ৰয়বাক্যৰ উদ্দেশ্য হৈছে ৰামকৃষ্ণ, কিন্তু সিদ্ধান্তত বিধেয় হৈছে ৰামকৃষ্ণৰ শিষ্য। সেইদৰে 'বিবেকানন্দৰ গুৰু' বিধেয়টো সিদ্ধান্তত উদ্দেশ্য হিচাপে হৈছে 'বিবেকানন্দ'। দ্বিতীয় উদাহৰণত আশ্ৰয়বাক্যৰ উদ্দেশ্য হৈছে 'সীতা', কিন্তু সিদ্ধান্তৰ বিধেয় হৈছে 'সীতাৰ স্বামী'। সেইদৰে 'ৰামচন্দ্ৰৰ স্ত্ৰী' পদটো সিদ্ধান্তত ব্যৱহাৰ হৈছে 'ৰামচন্দ্ৰ'।

(iii) নিগমন অনুমান আকাৰনিষ্ঠ বিজ্ঞান। ইয়াত বাস্তৱ জ্ঞানৰ স্থান নাই। কিন্তু এইবিধ সমবৰ্তনত বাস্তৱ জ্ঞান নহ'লে সমবৰ্তন কৰা সম্ভৱ নহয়।

গতিকে এই প্ৰকাৰৰ সমবৰ্তনক বৈধ সমবৰ্তন বুলিব নোৱাৰি।

A— বচনৰ সমবৰ্তন কৰিলে I বচন পোৱা যায়।

E— বচনৰ সমবৰ্তন কৰিলে E বচন পোৱা যায়।

I— বচনৰ সমবৰ্তন কৰিলে I বচন পোৱা যায়।

O— বচনৰ সমবৰ্তন কৰিব নোৱাৰি।

## <u>অনুশীলনী (Activity)</u>

তলত দিয়াবোৰৰ সমবৰ্তন কৰা ঃ

(a) সকলো ধনী ব্যক্তি হয় শিক্ষিত ব্যক্তি।

(b) হিমালয় পৃথিৱীৰ সৰ্বোচ্চ পৰ্বত।

(c) কোনো মানুহ নিঃস্বাৰ্থ নহয়।

(d) প্ৰায়বোৰ ব্যৱসায়ীয়েই শিক্ষিত।

**উত্তৰ ঃ**

(a) তৰ্কবিজ্ঞানসন্মত ৰূপ—

A— সকলো ধনী ব্যক্তি হয় শিক্ষিত ব্যক্তি (সমবৰ্তনীয় বচন)

∴ I— কিছুমান শিক্ষিত ব্যক্তি হয় ধনী ব্যক্তি (সমবৰ্তিত বচন)

(b) তৰ্কবিজ্ঞানসন্মত ৰূপ—

A— হিমালয় হয় পৃথিৱীৰ সৰ্বোচ্চ পৰ্বত (সমবৰ্তনীয় বচন)

∴ A— পৃথিৱীৰ সৰ্বোচ্চ পৰ্বত হয় হিমালয় (সমবৰ্তিত বচন)

(c) তৰ্কবিজ্ঞানসন্মত ৰূপ—

E— কোনো মানুহ নহয় নিঃস্বাৰ্থ (সমবৰ্তনীয় বচন)

∴ E— কোনো নিঃস্বাৰ্থ ব্যক্তি নহয় মানুহ (সমবৰ্তিত বচন)

(d) তৰ্কবিজ্ঞানসন্মত ৰূপ—

I— কিছুমান ব্যৱসায়ী হয় শিক্ষিত (সমবৰ্তনীয় বচন)

∴ I— কিছুমান শিক্ষিত ব্যক্তি হয় ব্যৱসায়ী (সমবৰ্তিত বচন)

## 3.1.2 প্ৰতিবৰ্তন (Obversion) ঃ

যি অমাধ্যম অনুমানত প্ৰদত্ত বচন বা আশ্ৰয়বাক্যৰ অৰ্থৰ কোনো পৰিৱৰ্তন নকৰাকৈ কেৱলমাত্ৰ গুণৰ পৰিৱৰ্তন কৰি সিদ্ধান্তত উপনীত হোৱা যায় তাকেই প্ৰতিবৰ্তন (Obversion) বোলে।

প্ৰতিবৰ্তনত আশ্ৰয়বাক্যৰ উদ্দেশ্যক সিদ্ধান্তত উদ্দেশ্য আৰু আশ্ৰয়বাক্যৰ বিধেয়ৰ বিৰুদ্ধপদক সিদ্ধান্তত বিধেয় হিচাপে ৰখা হয়। আশ্ৰয়বাক্য আৰু সিদ্ধান্তৰ মাজত গুণৰ পৰিৱৰ্তন কৰা হয় কিন্তু পৰিমাণৰ পৰিৱৰ্তন কৰা নহয়।

প্ৰতিবৰ্তনৰ আশ্ৰয়বাক্যক প্ৰতিবৰ্তনীয় বচন আৰু সিদ্ধান্তক প্ৰতিবৰ্তিত বচন বোলা হয়।

উদাহৰণ—

A— সকলো সৎ ব্যক্তি হয় সুখী ব্যক্তি (প্ৰতিবৰ্তনীয় বচন)

∴ E— কোনো সৎ ব্যক্তি নহয় অসুখী ব্যক্তি (প্ৰতিবৰ্তিত বচন)

**প্ৰতিবৰ্তনৰ নিয়মাৱলী**
**(Rules of obversion) ঃ**

(i) আশ্ৰয়বাক্যৰ উদ্দেশ্য পদ সিদ্ধান্তত উদ্দেশ্য পদ হ'ব।

(ii) আশ্ৰয়বাক্যৰ বিধেয় পদৰ বিৰুদ্ধপদ সিদ্ধান্তত বিধেয় পদ হ'ব।

(iii) গুণৰ পৰিৱৰ্তন হ'ব, অৰ্থাৎ এটা সদৰ্থক হ'লে আনটো নঞৰ্থক হ'ব।

(iv) পৰিমাণ একে থাকিব অৰ্থাৎ আশ্ৰয়বাক্য সামান্য বচন হ'লে সিদ্ধান্তও সামান্য বচন হ'ব আৰু আশ্ৰয়বাক্য বিশেষ বচন হ'লে

সিদ্ধান্তও বিশেষ বচন হ'ব।

**AEIO এই চাৰিটা তৰ্কবিজ্ঞানসন্মত বচনৰ নিম্নলিখিত ধৰণে প্ৰতিবৰ্তন কৰা হয় ঃ**

(i) A বচনৰ প্ৰতিবৰ্তন (A – E)

উদাহৰণ—

A— সকলো মানুহ হয় মৰণশীল জীৱ (প্ৰতিবৰ্তনীয় বচন)

∴ E— কোনো মানুহ নহয় অমৰণশীল জীৱ (প্ৰতিবৰ্তিত বচন)

ইয়াত আশ্ৰয়বাক্যৰ উদ্দেশ্যপদ (মানুহ) সিদ্ধান্তত উদ্দেশ্য হৈছে। আশ্ৰয়বাক্যৰ বিধেয়ৰ (মৰণশীল) বিৰুদ্ধপদ (অমৰণশীল) সিদ্ধান্তৰ বিধেয়পদ হৈছে। গুণৰ পৰিবৰ্তন হৈছে। আশ্ৰয়বাক্য সদৰ্থক, কিন্তু সিদ্ধান্ত নঞৰ্থক। পৰিমাণৰ পাৰ্থক্য হোৱা নাই, কাৰণ দুয়োটা বচনেই সাৰ্বিক বচন বা সামান্য বচন।

গতিকে দেখা গ'ল A বচনৰ প্ৰতিবৰ্তন কৰিলে E বচন হয়।

(ii) E বচনৰ প্ৰতিবৰ্তন (E – A)

উদাহৰণ—

E— কোনো মানুহ নহয় পূৰ্ণ (প্ৰতিবৰ্তনীয় বচন)

∴ A— সকলো মানুহ হয় অপূৰ্ণ (প্ৰতিবৰ্তিত বচন)

ইয়াত আশ্ৰয়বাক্যৰ উদ্দেশ্যপদ (মানুহ) সিদ্ধান্তত উদ্দেশ্য হৈছে। আশ্ৰয়বাক্যৰ বিধেয়পদৰ (পূৰ্ণ) বিৰুদ্ধপদ (অপূৰ্ণ) সিদ্ধান্তত বিধেয় হৈছে। গুণৰ পৰিৱৰ্তন হৈছে। কাৰণ আশ্ৰয়বাক্য নঞৰ্থক কিন্তু সিদ্ধান্ত সদৰ্থক। পৰিমাণ একেই আছে, কাৰণ দুয়োটা সামান্য বচন।

গতিকে E বচনৰ প্ৰতিবৰ্তন কৰিলে A বচন হয়।

(iii) I বচনৰ প্ৰতিবৰ্তন (I – O)

উদাহৰণ—

I— কিছুমান মানুহ হয় সুখী (প্ৰতিবৰ্তনীয় বচন)

∴ O— কিছুমান মানুহ নহয় অসুখী (প্ৰতিবৰ্তিত বচন)

ইয়াত আশ্ৰয়বাক্যৰ উদ্দেশ্য (মানুহ), সিদ্ধান্তৰ উদ্দেশ্য হৈছে। আশ্ৰয়বাক্যৰ বিধেয়ৰ (সুখী) বিৰুদ্ধপদ (অসুখী) সিদ্ধান্তত বিধেয়পদ হৈছে। গুণৰ পৰিৱৰ্তন হৈছে। আশ্ৰয়বাক্য সদৰ্থক কিন্তু সিদ্ধান্ত নঞৰ্থক। দুয়োটা বচনৰে পৰিমাণ একেই, কাৰণ দুয়োটা বিশেষ বচন।

গতিকে দেখা গ'ল I বচনৰ প্ৰতিবৰ্তন কৰিলে O বচন হয়।

(iv) O বচনৰ প্ৰতিবৰ্তন (O – I).

উদাহৰণ—

O— কিছুমান মানুহ নহয় বুদ্ধিমান (প্ৰতিবৰ্তনীয় বচন)

∴ I— কিছুমান মানুহ হয় অবুদ্ধিমান (প্ৰতিবৰ্তিত বচন)

ইয়াত আশ্ৰয়বাক্যৰ উদ্দেশ্য (মানুহ) সিদ্ধান্তৰ উদ্দেশ্য হৈছে। আশ্ৰয়বাক্যৰ বিধেয়ৰ (বুদ্ধিমান) বিৰুদ্ধপদ (অবুদ্ধিমান) সিদ্ধান্তত বিধেয় হৈছে। গুণৰ পৰিৱৰ্তন হৈছে, কাৰণ আশ্ৰয়বাক্য নঞৰ্থক, কিন্তু সিদ্ধান্ত সদৰ্থক। দুয়োটা বচনৰে পৰিমাণ একেই, অৰ্থাৎ দুয়োটাই বিশেষ বচন।

গতিকে O বচনৰ প্ৰতিবৰ্তন কৰিলে I বচন পোৱা যায়। দেখা গ'ল

A— বচনৰ প্ৰতিবৰ্তন কৰিলে E বচন হয় (A – E)।

E— বচনৰ প্ৰতিবৰ্তন কৰিলে A বচন হয় (E – A)।

I— বচনৰ প্ৰতিবৰ্তন কৰিলে O বচন হয় (I – O)।

O— বচনৰ প্ৰতিবৰ্তন কৰিলে I বচন হয় (O – I)।

## বস্তুগত প্ৰতিবৰ্তন (Material Obversion) ঃ

প্ৰখ্যাত তৰ্কবিজ্ঞানী বেইন (Bain)-এ বস্তুগত প্ৰতিবৰ্তন নামৰ একপ্ৰকাৰৰ প্ৰতিবৰ্তনৰ উল্লেখ কৰিছে। এইবিধ অনুমানত প্ৰতিবৰ্তনৰ নিয়মাৱলী অনুসৰণ কৰা নহয়, ইয়াত কেৱল বাস্তৱ অভিজ্ঞতাৰ ভিত্তিতে সিদ্ধান্ত নিঃসৃত কৰা হয়।

উদাহৰণ—

(i) A— পোহৰ হয় সুখকৰ

∴ A— অন্ধকাৰ হয় দুখকৰ।

এই উদাহৰণটোত 'অন্ধকাৰ' পোহৰৰ বিপৰীত আৰু 'দুখকৰ' সুখকৰৰ বিপৰীত।

(ii) A— যুদ্ধ হয় অমংগলসূচক

∴ A— শান্তি হয় মংগলসূচক।

এই উদাহৰণটোত 'শান্তি' যুদ্ধৰ বিপৰীত আৰু 'মংগলদায়ক' অমংগলদায়কৰ বিপৰীত।

**বস্তুগত প্ৰতিবৰ্তনক প্ৰকৃত প্ৰতিবৰ্তন বুলিব পাৰিনে?**

নিম্নলিখিত কাৰণত বস্তুগত প্ৰতিবৰ্তনক প্ৰকৃত প্ৰতিবৰ্তন বুলিব নোৱাৰি।

(a) প্ৰতিবৰ্তনৰ নিয়ম হ'ল— আশ্ৰয়বাক্যৰ উদ্দেশ্যপদটো সিদ্ধান্তত উদ্দেশ্য হ'ব। কিন্তু ইয়াত আশ্ৰয়বাক্যৰ বিপৰীত পদহে সিদ্ধান্তত উদ্দেশ্যৰূপে ব্যৱহাৰ হৈছে।

(b) প্ৰতিবৰ্তনৰ নিয়ম মতে আশ্ৰয়বাক্যৰ বিধেয় পদৰ বিৰুদ্ধপদ সিদ্ধান্তত বিধেয় হ'ব লাগে। কিন্তু ইয়াত বিপৰীত পদহে বিধেয় হৈছে।

(c) গুণৰ পৰিবৰ্তন হ'ব লাগে। কিন্তু ইয়াত গুণৰ পৰিবৰ্তন হোৱা নাই।

(d) নিগমন অনুমানত সিদ্ধান্তটো আশ্ৰয়বাক্যত নিহিত হৈ থাকে। কিন্তু বস্তুগত প্ৰতিবৰ্তনত সিদ্ধান্তটো আশ্ৰয়বাক্যত নিহিত হৈ থকা দেখা নাযায়।

(e) বাস্তৱ অভিজ্ঞতা নাথাকিলে বস্তুগত প্ৰতিবৰ্তন সম্ভৱ নহয়। কিন্তু নিগমন অনুমানত বাস্তৱ অভিজ্ঞতাৰ কোনো মূল্য নাই।

ওপৰোক্ত বিসংগতিবোৰ দেখি বেইনে নিজে স্বীকাৰ কৰিছে যে বস্তুগত প্ৰতিবৰ্তনে নিগমন অনুমান অনুসৰণ কৰা নাই। বস্তুৰ প্ৰয়োগ থাকিলেও বস্তুগত প্ৰতিবৰ্তনক নিগমন অনুমানৰ অন্তৰ্ভুক্ত কৰিব নোৱাৰি।

## <u>সমাধানসহ অনুশীলনী</u>

**1.** তলত উল্লেখ কৰা বচনবোৰৰ প্ৰতিবৰ্তন কৰা ঃ

(a) মানুহ মাত্ৰেই মৰণশীল।

(b) কিছুমান মানুহ জ্ঞানী।

(c) কিছুমান চকচকীয়া বস্তু সোণ নহয়। (প্ৰতিবৰ্তনীয় বচন)

**সমাধান ঃ**

(a) A— সকলো মানুহ হয় মৰণশীল

(প্ৰতিবৰ্তনীয় বচন)

∴ E— কোনো মানুহ নহয় অমৰণশীল

(প্ৰতিবৰ্তিত বচন)

(b) I— কিছুমান মানুহ হয় জ্ঞানী

(প্ৰতিবৰ্তনীয় বচন)

∴ O— কিছুমান মানুহ নহয় অজ্ঞানী

(প্ৰতিবৰ্তিত বচন)

(c) O— কিছুমান চকচকীয়া বস্তু নহয় সোণ

(প্ৰতিবৰ্তনীয় বচন)

∴ I— কিছুমান চকচকীয়া বস্তু হয় অসোণ

(প্ৰতিবৰ্তিত বচন)

* * *

দ্বিতীয় অধ্যায়

# নিৰপেক্ষ ন্যায়
# (Categorical Syllogism)

যি মাধ্যম নিগমন অনুমানত সিদ্ধান্ত পৰস্পৰ সম্বন্ধযুক্ত দুটা আশ্ৰয়বাক্যৰ সংযুক্ত ফলস্বৰূপে অনিবাৰ্যভাৱে নিঃসৃত হয় তাক ন্যায় বোলে।

ন্যায়ৰ এই সংজ্ঞাক বিশ্লেষণ কৰিলে তলত দিয়া বৈশিষ্ট্যবোৰ পোৱা যায়।

## 3.2.1. ন্যায়ৰ বৈশিষ্ট্য ঃ

(i) ন্যায় একপ্ৰকাৰ নিগমন অনুমান। নিগমন অনুমানৰ বৈশিষ্ট্য হৈছে যে সিদ্ধান্ত আশ্ৰয়বাক্যতকৈ কেতিয়াও বেছি ব্যাপক হ'ব নোৱাৰে। সিদ্ধান্ত আশ্ৰয়বাক্যৰ সমান ব্যাপক হ'ব পাৰে কিন্তু অধিক ব্যাপক হ'ব নোৱাৰে।

এই বৈশিষ্ট্যই ন্যায়ক আগমন অনুমানৰ পৰা পৃথক কৰিছে। কাৰণ আগমন অনুমানত সিদ্ধান্ত সদায় আশ্ৰয়বাক্যতকৈ বেছি ব্যাপক।

(ii) নিগমন অনুমান দুই প্ৰকাৰৰ— (a) অমাধ্যম অনুমান আৰু (b) মাধ্যম অনুমান। ন্যায় মাধ্যম অনুমান। মাধ্যম অনুমানৰ বিশেষত্ব হৈছে সিদ্ধান্ত একাধিক আশ্ৰয়বাক্যৰ পৰা নিঃসৃত হ'ব লাগিব। ন্যায় যিহেতু মাধ্যম অনুমান গতিকে ন্যায়ৰ সিদ্ধান্তও একাধিক আশ্ৰয়বাক্যৰ পৰা নিঃসৃত হ'ব লাগিব।

(iii) একাধিক আশ্ৰয়বাক্য বুলিলে দুটা, তিনিটা, চাৰিটা আদিও হ'ব পাৰে। কিন্তু ন্যায়ত মাত্ৰ দুটা আশ্ৰয়বাক্যৰ পৰাহে সিদ্ধান্ত নিঃসৃত হ'ব লাগিব। দুটাতকৈ কম হ'বও নোৱাৰে আৰু দুটাতকৈ বেছিও হ'ব নোৱাৰে।

এই বৈশিষ্ট্যই এহাতে ন্যায়ক অমাধ্যম অনুমানৰ পৰা আৰু আনহাতে মাধ্যম অনুমানৰ আন প্ৰকাৰৰ পৰা পৃথক কৰিছে।

(iv) ন্যায়ৰ আশ্ৰয়বাক্য দুটা পৰস্পৰ সম্পৰ্কবিহীন হ'ব নোৱাৰে। পৰস্পৰ সম্পৰ্কযুক্ত দুটা আশ্ৰয়বাক্যৰ সংযুক্ত ফলস্বৰূপেহে সিদ্ধান্তটো অনিবাৰ্যভাৱে নিঃসৃত হ'ব লাগিব।

(v) ন্যায়ৰ আশ্ৰয়বাক্যবোৰ সত্য হ'লে সিদ্ধান্তও সত্য হ'ব। নিগমন অনুমানৰ বৈশিষ্ট্য হৈছে সিদ্ধান্তটো প্ৰদত্ত আশ্ৰয়বাক্যৰ পৰা বিধিসংগতভাৱে নিঃসৃত হ'ব লাগিব। যদিহে সিদ্ধান্তটো ন্যায়ৰ নীতি-নিয়মৰ মাজেৰে নিঃসৃত হয় তেনেহ'লে ন্যায়টো আকাৰগতভাৱে সত্য হ'ব আৰু যদি নহয় তেন্তে আকাৰগতভাৱে অসত্য হ'ব। প্ৰদত্ত আশ্ৰয়বাক্যবোৰ যদি বস্তুগতভাৱে সত্য হয়, তেনেহ'লে সিদ্ধান্ত আকাৰগতভাৱে সত্য হোৱাৰ উপৰিও বস্তুগতভাৱেও সত্য হ'ব।

কিন্তু আশ্ৰয়বাক্যবোৰ বস্তুগতভাৱে সত্য নহ'লেও ন্যায়টোত যদি বিধিসংগতভাৱে আশ্ৰয়বাক্যৰ পৰা সিদ্ধান্ত নিঃসৃত হয় তেন্তে ন্যায়টো বৈধ হ'ব। অৱশ্যে ই সত্য নহ'বও পাৰে।

## 3.2.2. ন্যায়ৰ বিভিন্ন প্ৰকাৰ ঃ (Kinds of syllogism)

ন্যায় অনুমানক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হয়। যেনে—

(a) অমিশ্ৰ ন্যায়।

(b) মিশ্ৰ ন্যায়।

**(a) অমিশ্ৰ ন্যায় ঃ** যি ন্যায় অনুমানত তিনিটা বচনেই একে প্ৰকাৰৰ সম্বন্ধবিশিষ্ট তাক অমিশ্ৰ ন্যায় বোলে।

উদাহৰণ—

A— সকলো ধাৰ্মিক ব্যক্তি হয় সুখী


A— তেওঁ হয় ধাৰ্মিক ব্যক্তি

∴ A— তেওঁ হয় সুখী।

ইয়াত তিনিওটা বচনেই নিৰপেক্ষ বচন।

**(b) মিশ্ৰ ন্যায় ঃ** নি ন্যায় অনুমানত তিনিওটা বচনেই একে সম্বন্ধবিশিষ্ট নহয়, বেলেগ বেলেগ সম্বন্ধযুক্ত তাকে মিশ্ৰ ন্যায় বোলে।

অমিশ্ৰ ন্যায় আৰু মিশ্ৰ ন্যায় আকৌ তিনি প্ৰকাৰৰ। তলত ইয়াৰ ভাগবোৰ দেখুওৱা হ'ল—



ইয়াত আমি কেৱল অমিশ্ৰ নিৰপেক্ষ ন্যায়ৰ বিষয়েহে আলোচনা কৰিম।

## 3.2.3. অমিশ্ৰ নিৰপেক্ষ ন্যায় (Pure Categorical Syllogism) ঃ

যি ন্যায় অনুমানত তিনিটা বচনেই নিৰপেক্ষ বচন তাক অমিশ্ৰ নিৰপেক্ষ ন্যায় বোলা হয়।

উদাহৰণ—

A— সকলো মানুহ হয় মৰণশীল জীৱ

A— সকলো কবি হয় মানুহ

∴ A— সকলো কবি হয় মৰণশীল জীৱ।

ইয়াত তিনিওটা বচনেই নিৰপেক্ষ বচন। গতিকে ই অমিশ্ৰ নিৰপেক্ষ ন্যায়ৰ উদাহৰণ।

**অমিশ্ৰ নিৰপেক্ষ ন্যায়ৰ গঠন (Structure of Pure Categorical Syllogism) ঃ**

(a) অমিশ্ৰ নিৰপেক্ষ ন্যায়ত তিনিটা বচন থাকে। ইয়াৰ প্ৰথম দুটা বচন দিয়া থাকে আৰু তৃতীয়টোক এই দুটা বচনৰ জৰিয়তে অনুমান কৰা হয়। প্ৰদত্ত বচন দুটাক আশ্ৰয়বাক্য (Premises) আৰু আশ্ৰয়বাক্যৰ জৰিয়তে যিটো বাক্য পোৱা হয় তাক সিদ্ধান্ত (Conclusion) বোলে।

উদাহৰণ—

সকলো মানুহ হয় মৰণশীল

ৰাধাকৃষ্ণণ হয় মানুহ

∴ ৰাধাকৃষ্ণণ হয় মৰণশীল।

ইয়াত প্ৰথম দুটা আশ্ৰয়বাক্য আৰু তৃতীয়টো সিদ্ধান্ত।

(b) ন্যায়ৰ প্ৰত্যেক বচনতে দুটাকৈ পদ থাকে। তাৰে এটা উদ্দেশ্য আৰু আনটো বিধেয়। ন্যায়ত যিহেতু তিনিটা বচন থাকে, গতিকে তিনিওটা বচনত মুঠ ছটা পদ থাকে। কিন্তু এই ছটা পদৰ প্ৰকৃত পদ তিনিটাহে আৰু এই পদ তিনিটা প্ৰত্যেকটোৱে দুবাৰকৈ উল্লেখ হয়। ওপৰৰ উদাহৰণটোত মানুহ, মৰণশীল আৰু ৰাধাকৃষ্ণণ— এই তিনিওটা পদ দুবাৰকৈ উল্লেখ হৈছে। ন্যায় অনুমানত এই তিনিটা পদৰ নাম হৈছে— সাধ্যপদ, পক্ষপদ আৰু হেতুপদ।

(1) ন্যায়ত সিদ্ধান্তৰ বিশেষ গুৰুত্ব থাকে। সিদ্ধান্তত থকা পদ দুটাৰ আধাৰতে আশ্ৰয়বাক্য দুটাৰ বিচাৰ কৰিব পাৰি।

(a) সিদ্ধান্তৰ উদ্দেশ্যপদক পক্ষপদ (Minor term) বোলে।

(b) সিদ্ধান্তৰ বিধেয় পদক সাধ্যপদ (Major term) বোলে।

(c) যি পদ সিদ্ধান্তত অনুপস্থিত থাকে কিন্তু দুয়োটা আশ্ৰয়বাক্যতেই উপস্থিত থাকে তাক হেতুপদ বা মধ্যপদ (Middle term) বোলে।

ন্যায়ৰ যিটো আশ্ৰয়বাক্যত সাধ্যপদ উপস্থিত থাকে তাক সাধ্যবচন বা সাধ্য আশ্ৰয়বাক্য, পক্ষপদ যিটো বচনত থাকে তাক পক্ষবচন বা পক্ষ আশ্ৰয়বাক্য বোলে। ওপৰৰ উদাহৰণত সাধ্যপদ 'মৰণশীল' উপস্থিত থকা 'সকলো মানুহ হয় মৰণশীল'— সাধ্যবচন, পক্ষপদ 'ৰাধাকৃষ্ণণ' উপস্থিত থকা 'ৰাধাকৃষ্ণণ হয় মানুহ' পক্ষবচন।

ন্যায়ৰ ক্ৰম হ'ল—

সাধ্যবচন — পক্ষবচন — সিদ্ধান্ত।

**সাধ্যবচন** ঃ সাধ্যপদ আৰু হেতুপদ থাকে।

**পক্ষবচন** ঃ পক্ষপদ আৰু হেতুপদ থাকে।

**সিদ্ধান্ত ঃ** পক্ষপদ আৰু সাধ্যপদ থাকে।

ন্যায়ৰ অন্তৰ্গত পদ তিনিটাৰ অৱস্থান এনেধৰণৰ

(i) পক্ষপদ — সিদ্ধান্ত আৰু পক্ষবচন

(ii) সাধ্যপদ — সিদ্ধান্ত আৰু সাধ্যবচন

(iii) হেতুপদ — সাধ্যবচন আৰু পক্ষবচন।

আলোচনাৰ সুবিধাৰ বাবে পদ তিনিটাক তিনিটা ইংৰাজী বৰ্ণৰ দ্বাৰা প্ৰকাশ কৰা হয়। যেনে— সাধ্যপদক P, পক্ষপদক S আৰু হেতুপদক Mৰ দ্বাৰা প্ৰকাশ কৰা হয়।

উদাহৰণ—

সকলো M হয় P

সকলো S হয় M

∴ সকলো S হয় P


**ন্যায়ত হেতুপদৰ ভূমিকা (Function of middle term in syllogism) ঃ**

**হেতুপদ ঃ** যি পদ ন্যায়ৰ দুয়োটা আশ্ৰয়বাক্যতে উপস্থিত থাকে, কিন্তু সিদ্ধান্তত উপস্থিত নাথাকে তাকে হেতুপদ বোলে।

নিৰপেক্ষ ন্যায়ত হেতুপদৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। ন্যায়ৰ উদ্দেশ্য হৈছে সিদ্ধান্তত সাধ্যপদ আৰু পক্ষপদৰ মাজত সম্বন্ধ স্থাপন কৰা। হেতুপদৰ কাৰণতেই সাধ্যপদক পক্ষপদ লগত প্ৰমাণ কৰা হয়।

ন্যায় অনুমানত সাধ্য আশ্ৰয়বাক্যত সাধ্য পদৰ লগত হেতুপদ সম্বন্ধযুক্ত হয় আৰু পক্ষ আশ্ৰয়বাক্যত হেতুপদ পক্ষপদৰ লগত সম্বন্ধযুক্ত হয়। হেতুপদ সাধ্য আৰু পক্ষ— এই দুয়োটা পদৰ লগত সম্বন্ধযুক্ত হোৱা বাবে হেতুপদৰ জৰিয়তে সিদ্ধান্তত সাধ্যপদ আৰু পক্ষপদ সম্বন্ধযুক্ত হৈ পৰে। সাধ্য আশ্ৰয়বাক্যত সাধ্যপদৰ লগত আৰু পক্ষ আশ্ৰয়বাক্যত পক্ষপদৰ লগত যদি হেতুপদৰ কোনো সম্বন্ধ নাথাকে তেনেহ'লে সিদ্ধান্তত সাধ্যপদ আৰু পক্ষপদ— এই দুটা সম্বন্ধহীন পদৰ মাজত কোনো সম্বন্ধই স্থাপন কৰিব নোৱাৰি।

দুজন অপৰিচিত ব্যক্তিৰ মাজত মধ্যস্থ তৃতীয় ব্যক্তিৰ লগত হেতুপদৰ ভূমিকাৰ তুলনা কৰিব পাৰি। যেনে A আৰু B দুজন অপৰিচিত




ব্যক্তি। কিন্তু Aৰ লগত C আৰু Bৰ লগতো Cৰ পৰিচয় আছে। গতিকে Cৰ মাধ্যমত A আৰু Bৰ মাজত সম্বন্ধ স্থাপন বা পৰিচয় হৈ যোৱাৰ পিছত Cৰ আৰু কোনো প্ৰয়োজন নাথাকে। ঠিক সেইদৰে হেতুপদে সাধ্যপদৰ লগত সাধ্য আশ্ৰয়বাক্যত আৰু পক্ষ আশ্ৰয়বাক্যত পক্ষপদৰ লগতে সম্বন্ধযুক্ত হোৱাৰ ফলত হেতুপদৰ মাধ্যমেৰে সিদ্ধান্তত পক্ষপদ আৰু সাধ্যপদৰ মাজত সম্বন্ধ স্থাপিত হয়। তেতিয়া আৰু হেতুপদৰ কোনো প্ৰয়োজন নাথাকে।

গতিকে দেখা গ'ল ন্যায়ত হেতুপদৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে।

## 3.2.3 অমিশ্ৰ নিৰপেক্ষ ন্যায়ৰ সাধাৰণ নিয়ম (General Rules of Categorical Syllogism) ঃ

ন্যায়ৰ বৈধতা নিৰ্ণয়ৰ বাবে কিছুমান নিয়ম

আছে। এই নিয়মবোৰক ন্যায়ৰ সাধাৰণ নিয়ম বোলে। এই নিয়মসমূহ ঠিকমতে পালন কৰিলে ন্যায়ৰ মূৰ্তি বা আকাৰবোৰ বৈধ হ'ব। নহ'লে কিছুমান দোষ বা অনুপপত্তিৰ সৃষ্টি হয়। ন্যায়ৰ বৈধতা মাত্ৰ আকাৰগত বৈধতাৰ ওপৰত নিৰ্ভৰ কৰে, গতিকে এই নিয়মবোৰৰ যথেষ্ট গুৰুত্ব আছে।

ন্যায়ৰ সাধাৰণ নিয়মসূহ তলত উল্লেখ কৰা হ'ল—

(i) প্ৰত্যেক ন্যায়ত মাত্ৰ তিনিটা পদ থাকে। তাতকৈ কম হ'বও নোৱাৰে, তিনিটাতকৈ বেছি হ'বও নোৱাৰে।

(ii) প্ৰত্যেক ন্যায়ত কেৱল মাত্ৰ তিনিটা বচন থাকিব, তাৰ কম বা বেছি হ'ব নোৱাৰে।

(iii) হেতুপদ আশ্ৰয়বাক্য দুটাত অন্ততঃ এবাৰ ব্যাপ্ত হ'বই লাগিব।

(iv) আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱা কোনো পদেই সিদ্ধান্তত ব্যাপ্ত হ'ব নোৱাৰিব।

(v) দুটা নঞৰ্থক আশ্ৰয়বাক্যৰ পৰা কোনো সিদ্ধান্ত পাব নোৱাৰি। অৰ্থাৎ আশ্ৰয়বাক্য দুটিৰ এটা সদৰ্থক হ'ব লাগিব।

(vi) আশ্ৰয়বাক্য দুটাৰ এটা নঞৰ্থক বচন হ'লে সিদ্ধান্ত নঞৰ্থক বচন হ'ব। অথবা সিদ্ধান্ত নঞৰ্থক হ'লে আশ্ৰয়বাক্য দুটাৰ এটা নঞৰ্থক বচন হ'ব।

(vii) যদি দুয়োটা আশ্ৰয়বাক্য সদৰ্থক হয়, সিদ্ধান্ত অৱশ্যেই সদৰ্থক হ'ব। অথবা সিদ্ধান্ত সদৰ্থক হ'লে আশ্ৰয়বাক্য দুটা সদৰ্থক হ'ব।

(viii) দুটা বিশেষ বচনৰ পৰা কোনো সিদ্ধান্ত পোৱা নাযায়।

(ix) আশ্ৰয়বাক্য দুটাৰ যদি এটা বিশেষ বচন হয়, সিদ্ধান্ত বিশেষ বচন হ'ব। অথবা সিদ্ধান্ত বিশেষ বচন হ'লে আশ্ৰয়বাক্য দুটাৰ এটা বিশেষ বচন হ'ব।

(x) বিশেষ সাধ্যবচন আৰু নঞৰ্থক পক্ষবচনৰ পৰা কোনো সিদ্ধান্ত পাব নোৱাৰি।

## ন্যায়ৰ নিয়মসমূহৰ ব্যাখ্যা ঃ

**(i) প্ৰথম নিয়ম ঃ** প্ৰত্যেক ন্যায় অনুমানতেই কেৱল তিনিটা পদ থাকিব। তিনিটাতকৈ বেছি বা কম থাকিব নোৱাৰে।

ন্যায়ৰ সংজ্ঞা আৰু গঠনৰ পৰা দেখা যায় যে প্ৰত্যেক ন্যায়ত তিনিটা বচন আৰু প্ৰত্যেক বচনতে দুটাকৈ মুঠ ছটা পদ থাকে। প্ৰকৃততে ইয়াত তিনিটাহে নতুন পদ আৰু এই তিনিটাৰ প্ৰত্যেকটোৱে দুবাৰকৈ উল্লেখ হয় বাবে সৰ্বমুঠ ছটা পদ দেখা যায়। গতিকে ন্যায়ত প্ৰকৃত পদ তিনিটা আৰু এই তিনিটা পদৰ নাম সাধ্যপদ, পক্ষপদ আৰু হেতুপদ।

এই নিয়মটো ন্যায়ৰ গঠন সম্পৰ্কীয় নিয়ম। এই নিয়ম ভংগ কৰিলে নানা প্ৰকাৰৰ দোষ বা অনুপপত্তিৰ উদ্ভৱ হয়। যেনে—

(a) যদি তিনিটা পদতকৈ কম অৰ্থাৎ দুটা মাত্ৰ পদ থাকে তেনেহ'লে ই ন্যায় অনুমানেই নহ'ব, ই অমাধ্যম অনুমান বুলি পৰিগণিত হ'ব।

(b) যদি তিনিটা পদতকৈ বেছি অৰ্থাৎ চাৰিটা পদ থাকে তেনেহ'লে ইয়াত চতুষ্পদীদোষ বা

চাৰিপদ ঘটিত দোষ হ'ব (Fallacy of four terms)।

চতুস্পদী দোষৰ উদাহৰণ—

(1) প্লেটো হয় এৰিষ্টটলতকৈ ডাঙৰ
ছক্রেটিছ হয় প্লেটোতকৈ ডাঙৰ
∴ ছক্রেটিছ হয় এৰিষ্টটলতকৈ ডাঙৰ।

এই ন্যায়টো দোষযুক্ত। ন্যায়ৰ নিয়ম মতে প্রত্যেক ন্যায়ত তিনিটা পদ থাকিব লাগে, কিন্তু ইয়াত চাৰিটা পদ আছে— (i) প্লেটো, (ii) এৰিষ্টটলতকৈ ডাঙৰ, (iii) ছক্রেটিছ আৰু (iv) প্লেটোতকৈ ডাঙৰ। গতিকে ইয়াত চতুস্পদী দোষ ঘটিছে।

(2) মানুহ হয় পাপৰ স্রষ্টা।
ঈশ্বৰ হয় মানুহৰ স্রষ্টা।
∴ ঈশ্বৰ হয় পাপৰ স্রষ্টা।

এই ন্যায়টো দোষযুক্ত। ইয়াত চাৰিটা স্বতন্ত্র পদ আছে— (i) ঈশ্বৰ (ii) পাপৰ স্রষ্টা (iii) মানুহ (iv) মানুহৰ স্রষ্টা।

গতিকে ইয়াত চতুস্পদী দোষ ঘটিছে।

(c) কেতিয়াবা কিছুমান ন্যায়ত দেখাত তিনিটা পদেই থাকে, কিন্তু তাৰে ভিতৰত যিকোনো এটা পদ একাধিক অৰ্থত ব্যৱহৃত হয়।

ন্যায়ৰ নিয়ম মতে ন্যায়ত তিনিটা পদ থাকে আৰু তিনিওটা পদেই দুবাৰকৈ উল্লেখ হয়। ন্যায়ৰ প্রত্যেক পদৰে অৰ্থ সুনিৰ্দিষ্ট। এতিয়া ন্যায়ৰ কোনো পদ যদি দুবাৰত দুটা অৰ্থত ব্যৱহাৰ হয় তেতিয়া হ'লে একপ্রকাৰ দোষৰ সৃষ্টি হয় আৰু এই দোষটোৰ নাম অনেকাৰ্থক দোষ। অনেকাৰ্থক দোষ তিনি প্রকাৰৰ—

(a) অনেকাৰ্থক সাধ্যপদ দোষ (Fallacy of Ambiguous Major)

(b) অনেকাৰ্থক পক্ষপদ দোষ (Fallacy of Ambiguous Minor)

(c) অনেকাৰ্থক হেতুপদ দোষ (Fallacy of Ambiguous Middle)

**(1) অনেকাৰ্থক সাধ্যপদ দোষ ঃ** সাধ্যপদটো যদি দুয়োটা আশ্রয়বাক্যত বেলেগ বেলেগ অৰ্থত ব্যৱহাৰ হয় তেতিয়া তাত অনেকাৰ্থক সাধ্যপদ দোষৰ সৃষ্টি হয়।

উদাহৰণ—

দেহৰ এটা অংশ হয় কৰ (হাত)
জিজিয়া নহয় দেহৰ এটা অংশ
∴ জিজিয়া নহয় কৰ (খাজনা)।

ওপৰৰ উদাহৰণত সাধ্যপদ 'কৰ' দুয়োটা আশ্রয়বাক্যত দুটা অৰ্থত ব্যৱহাৰ হৈছে। প্রথম আশ্রয়বাক্যত 'কৰ' শব্দৰ অৰ্থ হৈছে 'হাত'। সিদ্ধান্তত 'কৰ' শব্দটোৰ অৰ্থ 'খাজনা'। সেয়েহে ইয়াত অনেকাৰ্থক সাধ্যপদ দোষ ঘটিছে।

**(2) অনেকাৰ্থক পক্ষপদ দোষ ঃ** পক্ষপদটো যদি দুয়োটা আশ্রয়বাক্যত বেলেগ বেলেগ অৰ্থত ব্যৱহাৰ হয় তেতিয়া তাত অনেকাৰ্থক পক্ষপদ দোষৰ সৃষ্টি হয়।

উদাহৰণ—

মানুহ নহয় উৰিব পৰা জীৱ
দ্বিজ হয় মানুহ
∴ দ্বিজ নহয় উৰিব পৰা জীৱ।

এই ন্যায়টো অনেকাৰ্থক পক্ষপদ দোষযুক্ত। কাৰণ ইয়াত পক্ষপদ 'দ্বিজ' পক্ষ আশ্রয়বাক্যত

'ব্ৰাহ্মণ' অৰ্থত আৰু সিদ্ধান্তত 'চৰাই' অৰ্থত ব্যৱহাৰ হৈছে।

**(3) অনেকাৰ্থক হেতুপদ দোষ ঃ** হেতুপদটো যেতিয়া দুয়োটা আশ্ৰয়বাক্যত বেলেগ বেলেগ অৰ্থত ব্যৱহাৰ হয় তেতিয়া অনেকাৰ্থক হেতুপদ দোষৰ সৃষ্টি হয়।

উদাহৰণ—

অৰ্জুন হয় এবিধ গছ

মধ্যম পাণ্ডব হয় অৰ্জুন

∴ মধ্যম পাণ্ডব হয় এবিধ গছ।

এই ন্যায়টোত 'অনেকাৰ্থক হেতুপদ' দোষযুক্ত। কাৰণ ইয়াত হেতুপদ 'অৰ্জুন' সাধ্য আশ্ৰয়বাক্যত এবিধ গছৰ নাম হিচাপে ব্যৱহৃত হৈছে আৰু পক্ষ আশ্ৰয়বাক্যত মহাভাৰত প্ৰসিদ্ধ পাণ্ডৱসকলৰ এজনৰ নাম হিচাপে ব্যৱহৃত হৈছে।

**(ii) দ্বিতীয় নিয়ম ঃ** প্ৰত্যেক ন্যায়তে কেৱল তিনিটা বচনহে থাকিব, তাতকৈ কম হ'বও নোৱাৰে বা বেছি হ'বও নোৱাৰে।

ন্যায়ৰ গঠনৰ পৰাই এই নিয়মটো উৎপত্তি হৈছে। প্ৰত্যেক ন্যায়ত দুটা আশ্ৰয়বাক্য আৰু এটা সিদ্ধান্ত থাকে। সেইবোৰ হ'ল— সাধ্যবচন, পক্ষবচন আৰু সিদ্ধান্ত।

গতিকে যদি কোনো অনুমানত দুটা বচন থাকে, তেন্তে অনুমানটো ন্যায় নহ'ব, ই হ'ব অমাধ্যম অনুমান। আকৌ যদি কোনো অনুমানত তিনিটাতকৈ বেছি বচন থাকে, তেন্তে সেইটো মাধ্যম অনুমান হ'ব ঠিকেই, কিন্তু তাক ন্যায় বোলা নাযাব, যি অন্য প্ৰকাৰৰ মাধ্যম অনুমান হ'ব।

**(iii) তৃতীয় নিয়ম ঃ** হেতুপদ আশ্ৰয়বাক্য দুটাত অন্ততঃ এবাৰ ব্যাপ্ত হ'ব লাগিব।

প্ৰত্যেক ন্যায়তে হেতুপদটো দুয়োটা আশ্ৰয়বাক্যত নিম্নলিখিত অৱস্থাত থাকে—

(a) সাধ্যবচনত হেতুপদ সাধ্যপদৰ লগত সংযুক্ত থাকে।

(b) পক্ষবচনত হেতুপদ পক্ষপদৰ লগত সংযুক্ত থাকে।

কোনো এটা পদ যেতিয়া 'সমগ্ৰ' অৰ্থত ব্যৱহাৰ হয় তেতিয়া তাক কোৱা হয় ব্যপ্ত পদ। হেতুপদটো যদি কোনো আশ্ৰয়বাক্যতেই ব্যাপ্ত নহয় অৰ্থাৎ হেতুপদ যদি সামগ্ৰিক অৰ্থত এবাৰো ব্যৱহৃত নহয় তেন্তে হেতুপদৰ কোনো এটা অংশৰ লগত সাধ্যপদ আৰু আন এটা বেলেগ অংশৰ লগত পক্ষপদ সম্বন্ধযুক্ত হোৱাৰ সম্ভাৱনা থাকিব।

উদাহৰণ—

(1) A— সকলো পুৰুষ হয় মৰণশীল

A— সকলো নাৰী হয় মৰণশীল

∴ A— সকলো নাৰী হয় পুৰুষ

দোষ ঃ অব্যাপ্ত হেতুপদ।

এই ন্যায়টো দোষযুক্ত। কাৰণ ন্যায়ৰ নিয়ম মতে হেতুপদটো দুয়োটা আশ্ৰয়বাক্যত অন্ততঃ এবাৰ ব্যাপ্ত হ'বই লাগিব। কিন্তু ইয়াত সাধ্যবচন A বচন হোৱা বাবে হেতুপদ 'মৰণশীল' ব্যাপ্ত হোৱা নাই আৰু পক্ষবচন A বচন হোৱা বাবে হেতুপদ 'মৰণশীল' ব্যাপ্ত হোৱা নাই। গতিকে ইয়াত অব্যাপ্ত হেতুপদ দোষ ঘটিছে।

(2) কেৱল ধাৰ্মিকসকলেই সুখী, গতিকে তেওঁ

যদি ধাৰ্মিক হয়, তেন্তে তেওঁ সুখী হ'বই।
যুক্তি—

A — সকলো সুখী ব্যক্তি হয় ধাৰ্মিক
A — তেওঁ হয় ধাৰ্মিক
∴ A — তেওঁ হয় সুখী।

দোষ ঃ অব্যাপ্ত হেতুপদ দোষ।

এই ন্যায়টোত হেতুপদ 'ধাৰ্মিক' দুয়োটা আশ্ৰয়বাক্যত A বচনৰ বিধেয় হিচাপে এবাৰো ব্যাপ্ত হোৱা নাই। ন্যায়ৰ নিয়ম মতে হেতুপদটো দুয়োটা আশ্ৰয়বাক্যতে অন্ততঃ এবাৰ ব্যাপ্ত হ'ব লাগে। গতিকে ইয়াত অব্যাপ্ত হেতুপদ দোষৰ সৃষ্টি হৈছে।

**(iv) চতুৰ্থ নিয়ম ঃ** আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ কোনো পদেই সিদ্ধান্তত ব্যাপ্ত হ'ব নোৱাৰে।

এই নিয়মটো ন্যায়ৰ নিগমনাত্মক অনুমানৰ প্ৰকৃতিৰ লগত জড়িত। নিগমন অনুমানৰ বৈশিষ্ট্য হৈছে যে আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ কোনো পদেই সিদ্ধান্তত ব্যাপ্ত হ'ব নোৱাৰিব। যদিহে কোনো পদ আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ সিদ্ধান্তত ব্যাপ্ত হয় তেন্তে সিদ্ধান্তটো আশ্ৰয়বাক্যতকৈ বেছি ব্যাপক হৈ পৰিব। সেয়েহে সিদ্ধান্তত ব্যাপ্ত হোৱা পদ আশ্ৰয়বাক্যতো ব্যাপ্ত হ'বই লাগিব। নহ'লে ন্যায়টো দোষযুক্ত হ'ব।

এই নিয়ম ভংগ কৰিলে দুটা ধৰণৰ দোষ হয়— (a) অবৈধ সাধ্যপদ দোষ আৰু (b) অবৈধ পক্ষপদ দোষ।

**(a) অবৈধ সাধ্যপদ দোষ (Fallacy of illicit major) ঃ**

যদিহে সাধ্যপদটো আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ সিদ্ধান্তত ব্যাপ্ত হয় তেতিয়া অবৈধ সাধ্যপদ দোষৰ সৃষ্টি হয়।

উদাহৰণ—

(1) A— সকলো অশিক্ষিত হয় অন্ধবিশ্বাসী
E— তেওঁ নহয় অশিক্ষিত
∴ E— তেওঁ নহয় অন্ধবিশ্বাসী।

দোষ ঃ এই ন্যায়টোত অবৈধ সাধ্যপদ দোষ ঘটিছে।

এই ন্যায়টোত সাধ্যপদ 'অন্ধবিশ্বাসী' সিদ্ধান্তত E বচনৰ বিধেয় হিচাপে ব্যাপ্ত হৈছে, কিন্তু সাধ্য বচনত A বচনৰ বিধেয় হিচাপে ব্যৱহাৰ হৈ ব্যাপ্ত হোৱা নাই। ন্যায়ৰ নিয়ম মতে 'আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ কোনো পদেই সিদ্ধান্তত ব্যাপ্ত হ'ব নোৱাৰিব। গতিকে ইয়াত অবৈধ সাধ্যপদ দোষ ঘটিছে।

(2) সাধুসকল সুখী, তেওঁ যিহেতু সাধু নহয়, গতিকে তেওঁ সুখী নহয়।

A— সকলো সাধু হয় সুখী
E— তেওঁ নহয় সাধু
∴ E — তেওঁ নহয় সুখী।

দোষ ঃ এই ন্যায়টো দোষযুক্ত, ইয়াত অবৈধ সাধ্যপদ দোষ ঘটিছে।

এই ন্যায়টোত 'সুখী' সাধ্যপদটো সিদ্ধান্তত E বচনৰ বিধেয় হিচাপে ব্যাপ্ত হৈছে, কিন্তু সাধ্য আশ্ৰয়বাক্যত A বচনৰ বিধেয় হিচাপে ব্যাপ্ত হোৱা নাই। ন্যায়ৰ নিয়ম মতে আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ কোনো পদেই সিদ্ধান্তত ব্যাপ্ত হ'ব নোৱাৰিব। গতিকে ইয়াত অবৈধ সাধ্যপদ দোষৰ

সৃষ্টি হৈছে।

**(b) অবৈধ পক্ষপদ দোষ (Fallacy of illicit minor) ঃ**

যদিহে পক্ষপদটো আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ সিদ্ধান্তত ব্যাপ্ত হয় তেন্তে অবৈধ পক্ষপদ দোষৰ সৃষ্টি হয়।

উদাহৰণ—

(1) সকলো ভাৰতীয় মানুহ, সকলো মানুহ মৰণশীল; গতিকে সকলো মৰণশীল জীৱই ভাৰতীয়।

যুক্তি—

A— সকলো ভাৰতীয় হয় মানুহ

A— সকলো মানুহ হয় মৰণশীল

∴ A— সকলো মৰণশীল জীৱ হয় ভাৰতীয়।

দোষ ঃ এই ন্যায়টো দোষযুক্ত। ইয়াত অবৈধ পক্ষপদ দোষ ঘটিছে।

এই ন্যায়টোত 'মৰণশীল' পক্ষপদটো সিদ্ধান্তত A বচনৰ উদ্দেশ্য হিচাপে ব্যাপ্ত হৈছে, কিন্তু পক্ষ আশ্ৰয়বাক্যত A বচনৰ বিধেয় হিচাপে ব্যাপ্ত হোৱা নাই। ন্যায়ৰ নিয়ম মতে আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ কোনো পদেই সিদ্ধান্তত ব্যাপ্ত হ'ব নোৱাৰে। গতিকে ইয়াত অবৈধ পক্ষপদ দোষ ঘটিছে।

(2) কোনো মানুহ পূৰ্ণ নহয়, সকলো মানুহেই প্ৰাণী; গতিকে কোনো প্ৰাণীয়ে পূৰ্ণ নহয়।

E— কোনো মানুহ নহয় পূৰ্ণ

A— সকলো মানুহ হয় প্ৰাণী

∴ E— কোনো প্ৰাণী নহয় পূৰ্ণ।

দোষ ঃ এই ন্যায়টো দোষযুক্ত, ইয়াত অবৈধ পক্ষপদ দোষ ঘটিছে।

এই ন্যায়টোত পক্ষপদ 'প্ৰাণী' সিদ্ধান্তত E বচনৰ উদ্দেশ্য হিচাপে ব্যাপ্ত হৈছে। কিন্তু পক্ষ বচনত A বচনৰ বিধেয়পদ হিচাপে ব্যাপ্ত হোৱা নাই। ন্যায়ৰ নিয়ম মতে আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ কোনো পদেই সিদ্ধান্তত ব্যাপ্ত হ'ব নোৱাৰিব। গতিকে ইয়াত অবৈধ পক্ষপদ দোষৰ সৃষ্টি হৈছে।

**(v) পঞ্চম নিয়ম ঃ** দুয়োটা আশ্ৰয়বাক্যই নঞৰ্থক হ'লে তাৰ পৰা কোনো সিদ্ধান্তই পাব নোৱাৰি।

নঞৰ্থক বচনে উদ্দেশ্য আৰু বিধেয় পদৰ মাজত কোনো সম্বন্ধ স্থাপন কৰিব নোৱাৰে। যদি প্ৰথম আশ্ৰয়বাক্য অৰ্থাৎ সাধ্য বচনটো নঞৰ্থক হয়, তেন্তে সাধ্যপদ আৰু হেতুপদৰ মাজত কোনো সম্বন্ধ নাথাকে। যদি পক্ষ বচনটো নঞৰ্থক বচন হয় তেন্তে পক্ষপদ আৰু হেতুপদৰ মাজত কোনো সম্বন্ধ নাথাকিব। যিহেতু হেতুপদৰ জৰিয়তে সাধ্যপদ আৰু পক্ষপদৰ মাজত সম্বন্ধ স্থাপন হয়, গতিকে দুয়োটা আশ্ৰয়বাক্য নঞৰ্থক হ'লে অৰ্থাৎ হেতুপদৰ লগত সাধ্য আৰু পক্ষ উভয়ৰে সম্বন্ধ নাথাকিলে হেতুপদৰ জৰিয়তে সিদ্ধান্তত সাধ্যপদ আৰু পক্ষপদৰ মাজত কোনো সম্বন্ধ স্থাপন নহয়।

উদাহৰণ—

E— কোনো মানুহ নহয় পৰিশ্ৰমী

E— কোনো কুকুৰ নহয় মানুহ

এই দুয়োটা নঞৰ্থক আশ্ৰয়বাক্যৰ পৰা কোনো সিদ্ধান্ত পোৱা সম্ভৱ নহয়।

দোষ ঃ এই নিয়ম ভংগ কৰিলে দুটি নঞৰ্থক আশ্ৰয়বাক্যজনিত দোষ (Fallacy of two negative premises)ৰ সৃষ্টি হ'ব।

উদাহৰণ—

E— কোনো শ্ৰমিক নহয় সংযত

E— কোনো শ্ৰমিক নহয় স্বাধীন

∴ E— কোনো স্বাধীন ব্যক্তি নহয় সংযত।

ওপৰোক্ত উদাহৰণত আশ্ৰয়বাক্য দুটাই নঞৰ্থক। গতিকে ইয়াত দুটা নঞৰ্থক আশ্ৰয়বাক্যজনিত দোষ (Fallacy of two negative premises) ঘটিছে।

**(vi) ষষ্ঠ নিয়ম ঃ** আশ্ৰয়বাক্য দুটাৰ এটা নঞৰ্থক হ'লে সিদ্ধান্তটো নঞৰ্থক হ'ব; অৰ্থাৎ, সিদ্ধান্তটো নঞৰ্থক হ'লে যিকোনো এটা আশ্ৰয়বাক্য নঞৰ্থক হ'বই লাগিব।

ন্যায়ৰ পঞ্চম নিয়ম মতে, দুয়োটা আশ্ৰয়বাক্য নঞৰ্থক হ'ব নোৱাৰিব; গতিকে এটা আশ্ৰয়বাক্য অন্ততঃ সদৰ্থক হ'ব লাগিব। ষষ্ঠ নিয়ম মতে, এটা আশ্ৰয়বাক্য যদি নঞৰ্থক হয়, সিদ্ধান্তও নঞৰ্থক হ'ব। এটা আশ্ৰয়বাক্য যদি নঞৰ্থক হয়, তেন্তে সেই নঞৰ্থক আশ্ৰয়বাক্যত হেতুপদৰ লগত সাধ্যপদ বা পক্ষপদৰ নঞৰ্থক সম্বন্ধ থাকিব আৰু সদৰ্থক আশ্ৰয়বাক্যটোতো হেতুপদৰ লগত সাধ্যপদ বা পক্ষপদৰ সদৰ্থক সম্বন্ধ থাকিব। গতিকে সিদ্ধান্তত হেতুপদ পক্ষ আৰু সাধ্যপদৰ নঞৰ্থক সম্বন্ধ স্থাপন কৰিব।

**অনুসিদ্ধান্ত ঃ** সিদ্ধান্ত যদি নঞৰ্থক হয় যিকোনো এটা আশ্ৰয়বাক্য নঞৰ্থক হ'ব।

সিদ্ধান্ত নঞৰ্থক হ'লে সাধ্যপদ আৰু পক্ষপদৰ মাজত সংগতিৰ অভাৱ বা ব্যাতিৰেকী সম্বন্ধ থাকিব। সিদ্ধান্তত পক্ষ আৰু সাধ্যপদৰ মাজত সংগতিৰ অভাৱ থাকিলে বুজিব লাগিব হেতুপদৰ সাধ্য আৰু পক্ষ যিকোনো এটাৰ সংগতিৰ অভাৱ থাকিব অৰ্থাৎ যিকোনো এটা আশ্ৰয়বাক্য নঞৰ্থক হ'বই লাগিব।

**(vii) সপ্তম নিয়ম ঃ** যদি দুয়োটা আশ্ৰয়বাক্যই সদৰ্থক হয়, তেন্তে সিদ্ধান্তও সদৰ্থক হ'ব।

যদি সাধ্যবচন সদৰ্থক হয়, তেন্তে সাধ্য আৰু হেতুপদৰ মাজত সদৰ্থক সম্বন্ধ থাকিব আৰু যদি পক্ষবচন সদৰ্থক হয় তেন্তে পক্ষপদ আৰু হেতু পদৰ মাজত সদৰ্থক সম্বন্ধ থাকিব। সেয়েহে সিদ্ধান্তত হেতুপদৰ মাধ্যমত পক্ষ আৰু সাধ্যপদৰ মাজত সদৰ্থক সম্বন্ধ স্থাপন হ'ব। অৰ্থাৎ আশ্ৰয়বাক্য সদৰ্থক হ'লে সিদ্ধান্তও সদৰ্থক হ'ব।

**অনুসিদ্ধান্ত ঃ** সিদ্ধান্ত সদৰ্থক হ'লে দুয়োটা আশ্ৰয়বাক্যই সদৰ্থক হ'ব। সিদ্ধান্ত সদৰ্থক হ'লে পক্ষপদ আৰু সাধ্যপদৰ মাজত সম্বন্ধ সংগতিপূৰ্ণ হ'ব আৰু এই সংগতিপূৰ্ণ সম্বন্ধ সাধ্য আশ্ৰয়বাক্য আৰু পক্ষ আশ্ৰয়বাক্যত হেতুপদৰ লগত যথাক্ৰমে সাধ্যপদ আৰু পক্ষপদৰ লগত থাকিব লাগিব। গতিকে দুয়োটা আশ্ৰয়বাক্য সদৰ্থক হ'বই লাগিব।

**(viii) অষ্টম নিয়ম ঃ** দুটা বিশেষ বচনৰ পৰা কোনো সিদ্ধান্ত পাব নোৱাৰি।

যদি দুয়োটা আশ্ৰয়বাক্য বিশেষ বচন হয়, তেনেহ'লে ন্যায় অনুমানৰ চাৰিধৰণৰ বিন্যাস বা মূৰ্তি পোৱা যায়। যেনে— II, IO, OI আৰু OO। তলত বিন্যাসবোৰৰ ব্যাখ্যা কৰা হ'ল—

**(a) প্ৰথম আকাৰ ঃ** I আৰু I (I – I)

এই আকাৰটোত সাধ্য আশ্ৰয়বাক্য আৰু পক্ষ আশ্ৰয়বাক্য দুয়োটা I বচন হোৱা বাবে দুয়োটাতে কোনো পদেই ব্যাপ্ত নহয়। ফলত ন্যায়টো অব্যাপ্ত হেতুপদ দোষযুক্ত হ'ব। ন্যায়ৰ নিয়ম মতে হেতুপদটো অন্ততঃ এবাৰ ব্যাপ্ত হ'বই লাগিব। গতিকে এই আকাৰটো অবৈধ।

**(b) দ্বিতীয় আকাৰ ঃ** I আৰু O (I – O)

এই আকাৰটোত সাধ্যবচন I বচন হোৱা বাবে সাধ্যপদ সাধ্যবচনত ব্যাপ্ত নহ'ব। পক্ষ আশ্ৰয়বাক্য নঞৰ্থক হোৱা বাবে সিদ্ধান্তও নঞৰ্থক হ'ব। সিদ্ধান্ত নঞৰ্থক হোৱাৰ ফলত সাধ্যপদটো সিদ্ধান্তত ব্যাপ্ত হৈ পৰিব। ফলত অনুমানটো অবৈধ সাধ্যপদ দোষযুক্ত হ'ব। কাৰণ ন্যায়ৰ নিয়ম মতে আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ কোনো পদ সিদ্ধান্তত ব্যাপ্ত হ'ব নোৱাৰে। গতিকে IO— এই আকাৰৰ পৰা কোনো বৈধ সিদ্ধান্ত পোৱা নাযায়।

**(c) তৃতীয় আকাৰ ঃ** O আৰু I (O – I)

এই আকাৰত সাধ্যবচনত (O) বিধেয়পদ ব্যাপ্ত হৈছে আৰু পক্ষবচনত (I) কোনো পদ ব্যাপ্ত হোৱা নাই। এটা আশ্ৰয়বাক্য নঞৰ্থক হোৱা বাবে সিদ্ধান্তও নঞৰ্থক হ'ব। এতিয়া অব্যাপ্ত হেতুপদ দোষৰ হাত সাৰিবলৈ যদি ব্যাপ্ত পদটো হেতুপদ হিচাপে ধৰা হয়, তেন্তে ন্যায়টোত অবৈধ সাধ্যপদ দোষ ঘটিব। কাৰণ সিদ্ধান্তত সাধ্যপদটো সাধ্য আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ ব্যাপ্ত হৈছে। আনহাতে, অবৈধ সাধ্যপদ দোষৰ পৰা হাত সাৰিবলৈ ব্যাপ্ত পদটোক সাধ্যপদ হিচাপে ধৰিলে ন্যায়টোত অব্যাপ্ত হেতুপদ দোষযুক্ত হ'ব, কাৰণ হেতুপদটো দুয়োটা আশ্ৰয়বাক্যতে এবাৰো ব্যাপ্ত হোৱা নাই। গতিকে OI আকাৰটোৰ পৰা কোনো সিদ্ধান্ত পাব নোৱাৰি।

**(d) চতুৰ্থ আকাৰ ঃ** O আৰু O (O – O)

ইয়াত দুয়োটা আশ্ৰয়বাক্যই নঞৰ্থক। গতিকে কোনো সিদ্ধান্ত পাব নোৱাৰি।

গতিকে দেখা গ'ল দুয়োটা আশ্ৰয়বাক্য বিশেষ বচন হ'লে তাৰ পৰা কোনো সিদ্ধান্ত পাব নোৱাৰি।

**(ix) নৱম নিয়ম ঃ** যদি এটা আশ্ৰয়বাক্য বিশেষ বচন হয় তেনেহ'লে সিদ্ধান্তও বিশেষ বচন হ'ব।

কোনো ন্যায়ৰ এটা আশ্ৰয়বাক্য বিশেষ বচন হ'লে আনটো সামান্য বচন হ'ব। কাৰণ দুটা বিশেষ বচনৰ পৰা কোনো সিদ্ধান্ত পাব নোৱাৰি (অষ্টম নিয়ম)। গতিকে এটা আশ্ৰয়বাক্য সামান্য আৰু আনটো বিশেষ বচন বুলি ধৰিলে আমি নিম্নলিখিত মূৰ্তিবোৰ পাম—

(a) AI আৰু IA
(b) AO আৰু OA
(c) EI আৰু IE
(d) EO আৰু OE

ইয়াৰ মাজত (d) মূৰ্তি দুটাৰ পৰা কোনো সিদ্ধান্ত পোৱা নাযায়, যিহেতু দুয়োটাই নঞৰ্থক (পঞ্চম নিয়ম)। বাকীবোৰ বিন্যাসৰ তলত ব্যাখ্যা কৰা হ'ল—

**(a) প্ৰথম আকাৰ ঃ** AI আৰু IA (A – I) আৰু (I – A)

এই দুয়োটা আকাৰত মাত্ৰ এটাকৈ পদ ব্যাপ্ত

হৈছে। কাৰণ I বচনত কোনো পদ ব্যাপ্ত নহয় আৰু A বচনত মাত্ৰ উদ্দেশ্য পদ ব্যাপ্ত হয়। অব্যাপ্ত হেতুপদ দোষৰ পৰা ৰক্ষা পাবলৈ এই ব্যাপ্ত পদটো হেতুপদ হ'ব লাগিব। গতিকে আমি এনে সিদ্ধান্তলৈ আহিব লাগিব, য'ত কোনো পদেই ব্যাপ্ত নহয়। আৰু একমাত্ৰ I বচনেই তেনে বচন। গতিকে এই দুই প্ৰকাৰৰ ন্যায়ত সিদ্ধান্ত I বচন অৰ্থাৎ বিশেষ বচন হ'ব।

**(b) দ্বিতীয় আকাৰ ঃ** AO আৰু OA (A – O) আৰু (O – A)

এই দুয়োপ্ৰকাৰৰ আকাৰতে দুটাকৈ পদ ব্যাপ্ত হৈছে। তাৰ মাজত এটা অৱশ্যেই হেতুপদ হ'ব, যিহেতু হেতুপদ অন্ততঃ এবাৰ ব্যাপ্ত হ'বই লাগিব। আনটো পদ সাধ্যপদ বা পক্ষপদ হ'ব। গতিকে সিদ্ধান্তটো এনে হ'ব লাগিব য'ত মাত্ৰ এটা পদহে ব্যাপ্ত হ'ব পাৰে। যিহেতু এটা বচন নঞৰ্থক, গতিকে সিদ্ধান্তও নঞৰ্থক হ'ব। এই ক্ষেত্ৰত O বচন হৈছে একমাত্ৰ বচন, য'ত মাত্ৰ এটা পদহে ব্যাপ্ত হয় আৰু O বচন হ'ল বিশেষ বচন।

**(c) তৃতীয় আকাৰ ঃ** EI আৰু IE (E – I) আৰু (I – E)

এই দুই প্ৰকাৰৰ আকাৰতো দুটাকৈ পদ ব্যাপ্ত হৈছে। তাৰ মাজত এটা অৱশ্যেই হেতুপদ হ'ব, যিহেতু হেতুপদটো অন্ততঃ এবাৰ ব্যাপ্ত হ'বই লাগিব। এটা আশ্ৰয়বাক্য যিহেতু নঞৰ্থক, গতিকে সিদ্ধান্তটো নঞৰ্থক হ'ব। গতিকে সিদ্ধান্তটো O বচনহে হ'ব লাগিব য'ত এটা মাত্ৰ পদহে ব্যাপ্ত হয়, যিহেতু আশ্ৰয়বাক্যত এটাহে ব্যাপ্ত পদ বাকী আছে। অৰ্থাৎ সিদ্ধান্তটো বিশেষ বচন হ'ব।

গতিকে দেখা গ'ল এটা আশ্ৰয়বাক্য বিশেষ বচন হ'লে সিদ্ধান্তটো বিশেষ বচন হ'ব।

**(x) দশম নিয়ম ঃ** সাধ্য আশ্ৰয়বাক্য বিশেষ বচন আৰু পক্ষ আশ্ৰয়বাক্য নঞৰ্থক বচন হ'লে কোনো সিদ্ধান্ত পাব নোৱাৰি।

সাধ্য আশ্ৰয়বাক্য বিশেষ বচন হ'লে পক্ষ আশ্ৰয়বাক্য সাৰ্বিক বা সামান্য বচন হ'ব (অষ্টম নিয়ম মতে, দুয়োটা বচন বিশেষ বচন হ'লে কোনো সিদ্ধান্তই পাব নোৱাৰি)। আকৌ পক্ষবচন নঞৰ্থক হ'লে সাধ্য বচন অৱশ্যেই সদৰ্থক বচন হ'ব। (দুয়োটা বচন নঞৰ্থক হ'লে তাৰ পৰা কোনো সিদ্ধান্ত পোৱা নাযায়)।

এতিয়া বিশেষ সাধ্যবচন আৰু নঞৰ্থক পক্ষবচনৰ পৰা কেৱল বিশেষ নঞৰ্থক বচনহে পাব পাৰি। কাৰণ ন্যায়ৰ নিয়ম মতে, এটা আশ্ৰয়বাক্য বিশেষ বচন হ'লে সিদ্ধান্ত বিশেষ বচন হয় আৰু এটা আশ্ৰয়বাক্য নঞৰ্থক হ'লে সিদ্ধান্ত নঞৰ্থক হয়।

**পৰীক্ষা ঃ** এই ন্যায়টোত সিদ্ধান্ত O বচন, গতিকে সাধ্যপদ সিদ্ধান্তত ব্যাপ্ত হৈছে। কিন্তু সাধ্যবচন I বচন, গতিকে সাধ্যপদটো সাধ্য আশ্ৰয়বাক্যত ব্যাপ্ত হোৱা নাই। গতিকে ন্যায়টো অবৈধ, কাৰণ ইয়াত অবৈধ সাধ্যপদ দোষ ঘটিছে।

গতিকে দেখা গ'ল— বিশেষ সাধ্যবচন আৰু নঞৰ্থক পক্ষবচনৰ পৰা কোনো সিদ্ধান্ত পাব নোৱাৰি, কাৰণ ইয়াত অবৈধ সাধ্যপদ দোষৰ সৃষ্টি হয়।

## 3.2.4 ন্যায়ৰ সংস্থান (Figure of Syllogism) ঃ

**সংস্থান ঃ** আশ্ৰয়বাক্য দুটাত হেতুপদৰ অৱস্থান অনুযায়ী নিৰ্ণয় হোৱা ন্যায়ৰ বিভিন্ন প্ৰকাৰৰ আকাৰক ন্যায়ৰ সংস্থান বোলা হয়।


প্ৰত্যেক ন্যায়তে দুটা আশ্ৰয়বাক্য থাকে— সাধ্যবচন আৰু পক্ষবচন। হেতুপদটো দুয়োটা আশ্ৰয়বাক্যতে এবাৰকৈ উপস্থিত থাকে। সাধ্যবচনত হেতুপদটো সাধ্যপদৰ লগত যুক্ত থাকে আৰু পক্ষবচনত হেতুপদটো পক্ষবচনৰ লগত যুক্ত থাকে। হেতুপদটো দুয়োটা বচনত কেতিয়াবা উদ্দেশ্য আৰু কেতিয়াবা বিধেয় ৰূপে ব্যৱহাৰ হৈ চাৰি প্ৰকাৰৰ ৰূপৰ সৃষ্টি কৰে আৰু এইবোৰক একো একোটা সংস্থান বোলে। এইদৰে হেতুপদৰ অৱস্থান অনুযায়ী চাৰি প্ৰকাৰৰ সংস্থান পোৱা যায়—

(a) প্ৰথম সংস্থান
(b) দ্বিতীয় সংস্থান
(c) তৃতীয় সংস্থান
(d) চতুৰ্থ সংস্থান।

**(a) প্ৰথম সংস্থান ঃ** যি ন্যায়ত হেতুপদটো সাধ্য আশ্ৰয়বাক্যত উদ্দেশ্যপদ আৰু পক্ষ আশ্ৰয়বাক্যত বিধেয়পদ হিচাপে ব্যৱহাৰ হয় তাক ন্যায়ৰ প্ৰথম সংস্থান বোলে। যেনে—

উদাহৰণ—

A– সকলো মানুহ হয় মৰণশীল
A– সকলো অসমীয়া হয় মানুহ
∴ A– সকলো অসমীয়া হয় মৰণশীল।





∴ S – P

**(b) দ্বিতীয় সংস্থান ঃ** যি ন্যায়ত হেতুপদ দুয়োটা আশ্ৰয় বাক্যতে বিধেয়ৰূপে ব্যৱহাৰ হয় তাক ন্যায়ৰ দ্বিতীয় সংস্থান বোলে।

উদাহৰণ—

A– সকলো সুখী ব্যক্তি হয় ধাৰ্মিক
E– তেওঁ নহয় ধাৰ্মিক
∴ E– তেওঁ নহয় সুখী ব্যক্তি





∴ S – P

**(c) তৃতীয় সংস্থান ঃ** যি ন্যায়ত হেতুপদ দুয়োটা আশ্ৰয়বাক্যত উদ্দেশ্যৰূপে ব্যৱহাৰ হয় তাক ন্যায়ৰ তৃতীয় সংস্থান বোলে।

উদাহৰণ—

A– সকলো কুকুৰ হয় চতুস্পদী
I– কিছুমান কুকুৰ হয় পোহনীয়া
∴ I– কিছুমান পোহনীয়া প্ৰাণী হয় চতুস্পদী




∴ S – P


**(d) চতুৰ্থ সংস্থান ঃ** যি ন্যায়ত হেতুপদ সাধ্যবচনত বিধেয় ৰূপে আৰু পক্ষবচনত উদ্দেশ্য ৰূপে ব্যৱহাৰ হয় তাক চতুৰ্থ সংস্থান বোলে।

উদাহৰণ—

E– কোনো কবি নহয় মূৰ্খ

I– কিছুমান মূৰ্খ হয় ভাৰতীয়

∴ O– কিছুমান ভাৰতীয় নহয় মূৰ্খ




∴ S – P

## 3.2.5 ন্যায়ৰ মূৰ্তি (Mood of Syllogism) ঃ

ন্যায়ৰ সন্নিৱিষ্ট আশ্ৰয়বাক্য দুটাৰ গুণ আৰু পৰিমাণ অনুযায়ী ন্যায়ৰ যি বিভিন্ন প্ৰকাৰৰ আকাৰ বা ৰূপ পোৱা যায় তাকেই ন্যায়ৰ বিন্যাস বা মূৰ্তি বোলে।

ন্যায়ৰ 'মূৰ্তি' শব্দটো তিনিটা বিভিন্ন অৰ্থত ব্যৱহাৰ হয়।

(a) সাধাৰণ অৰ্থত ন্যায়ৰ অন্তৰ্ভুক্ত আশ্ৰয়বাক্য দুটাৰ গুণ আৰু পৰিমাণৰ দ্বাৰা নিৰ্ধাৰণ হোৱা বিভিন্ন আকাৰক মূৰ্তি বোলে।

(b) ব্যাপক অৰ্থত ন্যায়ৰ অন্তৰ্ভুক্ত দুটা আশ্ৰয়বাক্য আৰু এটা সিদ্ধান্ত— এই তিনিটা বচনৰ গুণ আৰু পৰিমাণৰ দ্বাৰা নিৰ্ধাৰিত ন্যায়ৰ সম্পূৰ্ণ আকাৰক মূৰ্তি বোলা হয়।

(c) সংকীৰ্ণ অৰ্থত মূৰ্তি বুলিলে মাত্ৰ ন্যায়ৰ বৈধ মূৰ্তিবোৰকহে বুজোৱা হয়।

**মূৰ্তিৰ সংখ্যা নিৰূপণ (Determination of Moods) ঃ**

(a) ন্যায়ৰ মূৰ্তি বুলিলে যদি কেৱল যুক্তিবাক্য বা আধাৰবাক্য বা আশ্ৰয়বাক্য দুটাৰ গুণ আৰু পৰিমাণকে বুজোৱা হয়, তেন্তে প্ৰত্যেক সংস্থানতে 16 টা মূৰ্তি পোৱা যায়। তৰ্কবিজ্ঞানসন্মত বচন চাৰি প্ৰকাৰৰ— AEIO। প্ৰত্যেক সংস্থানতে নিম্নলিখিত 16 টা মূৰ্তি (সাধ্যবচন + পক্ষবচন) পোৱা যায়—


| | | | |
|---|---|---|---|
| (1) AA | (5) EA | (9) IA | (13) OA |
| (2) AE | (6) EE | (10) IE | (14) OE |
| (3) AI | (7) EI | (11) II | (15) OI |
| (4) AO | (8) EO | (12) IO | (16) OO |

ওপৰৰ প্ৰথমটো আখৰ সাধ্যবচন আৰু দ্বিতীয় আখৰটো পক্ষবচন। চাৰিটা সংস্থানত এইদৰে মূৰ্তিৰ সংখ্যা (16 × 4 = 64)।

গতিকে সাধাৰণ অৰ্থত মূৰ্তিৰ সংখ্যা = 64

(b) ন্যায়ৰ মূৰ্তি বুলিলে যদি আশ্ৰয়বাক্য দুটা আৰু সিদ্ধান্ত— এই তিনিটা বচনৰ গুণ আৰু পৰিমাণৰ কথা ধৰা হয়, তেন্তে এটা সংস্থানত 16 টা মূৰ্তিৰ প্ৰত্যেকটোতে আৰু চাৰিটাকৈ মূৰ্তিৰ সংখ্যা বাঢ়িব।

উদাহৰণ—




অৰ্থাৎ সাধ্যবচন A, পক্ষবচন A আৰু সিদ্ধান্ত AEIOৰ যিকোনো এটা। এনে ক্ষেত্ৰত একোটা সংস্থানত মূৰ্তিৰ সংখ্যা হ'ব

(16 × 4 × 4 = 256) টা।

গতিকে ব্যাপক অৰ্থত মূৰ্তিৰ সংখ্যা = 256

(c) ন্যায়ৰ মূৰ্তি বুলিলে যদি মাত্ৰ বৈধ মূৰ্তিকেই বুজায় তেন্তে মূৰ্তিৰ সংখ্যা হ'ব সৰ্বমুঠ 19 টা। কাৰণ সম্ভাব্য মূৰ্তিবোৰৰ মাজত ন্যায়ৰ নিয়মসন্মত মূৰ্তিৰ সংখ্যা মাত্ৰ 19 টা।

## বৈধমূৰ্তি নিৰূপণ ঃ (Determination of Valid Moods)

ন্যায়ৰ প্ৰতিটো সংস্থানতে তলত দিয়া ধৰণে 16 টা সম্ভাব্য মূৰ্তি পোৱা যায়।

| | | | |
|---|---|---|---|
| A | A | A | A |
| A | E | I | O |
| E | E | E | E |
| A | E | I | O |
| I | I | I | I |
| A | E | I | O |
| O | O | O | O |
| A | E | I | O |

এইবোৰৰ ভিতৰত—

(a) দুটা বিশেষ বচনৰ পৰা কোনো সিদ্ধান্ত পোৱা নাযায়; গতিকে II, IO, OI আৰু OO— এইকেইটা মূৰ্তি অবৈধ।

(b) দুটা নঞৰ্থক বচনৰ পৰা কোনো সিদ্ধান্ত পোৱা নাযায়; গতিকে EE, EO আৰু OE— এইকেইটা মূৰ্তি অবৈধ।

(c) বিশেষ সাধ্যবচন আৰু নঞৰ্থক পক্ষবচনৰ পৰা কোনো সিদ্ধান্ত পোৱা নাযায়; গতিকে IE মূৰ্তিটো অবৈধ।

গতিকে দেখা গ'ল কেৱল AA, AE, AI, AO, EA, EI, IA আৰু OA— এই মূৰ্তিকেইটা সাধাৰণত সম্ভাব্য মূৰ্তি। এই মূৰ্তিবোৰৰ ভিতৰত প্ৰত্যেক সংস্থানতে প্ৰয়োগ কৰিলে কোনবোৰ বৈধ তাক বিচাৰ কৰি চোৱা যাওঁক।

### 1. প্ৰথম সংস্থানৰ বৈধমূৰ্তি নিৰ্ণয় (Determination of Valid Moods of the First Figure) ঃ

প্ৰথম সংস্থানৰ ৰূপ—

M — P

S — M

∴ S – P

বৈধতা বিচাৰ কৰিবলগীয়া মূৰ্তি— AA, AE, AI, AO, EA, EI, IA আৰু OA

**(1) AA**

A– সকলো জড়বাদী হয় নিৰিশ্বৰবাদী

A– সকলো চাৰ্বাক হয় জড়বাদী

∴ A– সকলো চাৰ্বাক হয় নিৰিশ্বৰবাদী

A– সকলো M হয় P

A– সকলো S হয় M

∴ A– সকলো S হয় P

এই ন্যায়টো সম্পূৰ্ণ বৈধ মূৰ্তি। কাৰণ ইয়াত আকাৰগত কোনো নিয়মেই ভংগ হোৱা নাই। ইয়াৰ সাংকেতিক নাম হৈছে BARBARA। এই শব্দটোত তিনিটা স্বৰবৰ্ণ আছে। প্ৰথমটো A— সাধ্যবচন, দ্বিতীয়টো A— পক্ষবচন আৰু তৃতীয়টো A— সিদ্ধান্ত।

**(2) AE**

A– সকলো মানুহ হয় মৰণশীল

E– কোনো দেৱতা নহয় মানুহ

∴ E– কোনো দেৱতা নহয় মৰণশীল।

A– সকলো M হয় P

E– কোনো S নহয় M

∴ E– কোনো S নহয় P

এই ন্যায়টোত সাধ্যপদ সিদ্ধান্তত E বচনৰ বিধেয় হিচাপে ব্যাপ্ত। কিন্তু সাধ্যবচনত A বচনৰ বিধেয় হিচাপে ব্যাপ্ত নহয়। গতিকে ইয়াত অবৈধ সাধ্যপদ দোষ ঘটিছে আৰু ই অবৈধ।

**(3) AI**

A– সকলো ধনী ব্যক্তি হয় অহংকাৰী

I– কিছুমান ব্যৱসায়ী হয় ধনী

∴ I– কিছুমান ব্যৱসায়ী হয় অহংকাৰী

A– সকলো M হয় P

I– কিছুমান S হয় M

∴ I– কিছুমান S হয় P

এই ন্যায়টোত ন্যায়ৰ আকাৰগত কোনো নিয়ম ভংগ হোৱা নাই। গতিকে ই এক বৈধ মূৰ্তি আৰু ইয়াৰ সাংকেতিক নাম হৈছে DARII। ইয়াত থকা তিনিটা স্বৰবৰ্ণ ক্ৰমে A— সাধ্যবচন, I– পক্ষবচন, আৰু I– সিদ্ধান্তক বুজাইছে।

**(4) AO**

A– সকলো মানুহ হয় মৰণশীল

O– কিছুমান প্ৰাণী নহয় মানুহ

∴ O– কিছুমান প্ৰাণী নহয় মৰণশীল

A– সকলো M হয় P

O– কিছুমান S নহয় M

∴ O– কিছুমান S নহয় P

এই ন্যায়টোত সাধ্যপদ সিদ্ধান্তত O বচনৰ বিধেয় হিচাপে ব্যাপ্ত, কিন্তু সাধ্যপদটো সাধ্যবচনত A বচনৰ বিধেয় হিচাপে অব্যাপ্ত। গতিকে মূৰ্তিটোত অবৈধ সাধ্যপদ দোষ ঘটিছে আৰু ই অবৈধ।

**(5) EA**

E– কোনো মানুহ নহয় অমৰ

A– সকলো বিজ্ঞানী হয় মানুহ

∴ E– কোনো বিজ্ঞানী নহয় অমৰ

E– কোনো M নহয় P

A– সকলো S হয় M

∴ E– কোনো S নহয় P

এই ন্যায়টো শুদ্ধ, কাৰণ ইয়াত ন্যায়ৰ সকলো আকাৰগত নিয়মেই মানা হৈছে। হেতুপদ প্ৰথম আশ্ৰয়বাক্যতে ব্যাপ্ত হৈছে। সাধ্যপদ, পক্ষপদ সিদ্ধান্তত ব্যাপ্ত হোৱাৰ লগতে আশ্ৰয়বাক্যতো ব্যাপ্ত হৈছে। গতিকে ই এক বৈধমূৰ্তি আৰু ইয়াৰ সাংকেতিক নাম হৈছে CELARENT।

**(6) EI**

E– কোনো মানুহ নহয় দোষমুক্ত

I– কিছুমান প্ৰাণী হয় মানুহ

∴ O– কিছুমান প্ৰাণী নহয় দোষমুক্ত।

E– কোনো M নহয় P

I– কিছুমান S হয় M

∴ O– কিছুমান S নহয় P

এই ন্যায়টো শুদ্ধ। হেতুপদ সাধ্যবচনত ব্যাপ্ত হৈছে। সিদ্ধান্তত সাধ্যপদ ব্যাপ্ত হৈছে আৰু ই সাধ্যবচনতো E বচনৰ বিধেয় হিচাপে ব্যাপ্ত

হৈছে। গতিকে ই এক বৈধমূৰ্তি আৰু ইয়াৰ সাংকেতিক নাম FERIO।

**(7) IA**

I– কিছুমান দাৰ্শনিক হয় সৎ
A– সকলো কবি হয় দাৰ্শনিক
∴ I– কিছুমান কবি হয় সৎ

I– কিছুমান M হয় P
A– সকলো S হয় M
∴ I– কিছুমান S হয় P

এই ন্যায়টো অশুদ্ধ। ইয়াত হেতুপদটো দুয়োটা আশ্ৰয়বাক্যতে এবাৰো ব্যাপ্ত হোৱা নাই। গতিকে ইয়াত 'অব্যাপ্ত হেতুপদ দোষ' ঘটিছে। গতিকে ই অবৈধ।

**(8) OA**

O– কিছুমান মানুহ নহয় পৰিশ্ৰমী
A– সকলো অধ্যাপক হয় মানুহ
∴ O– কিছুমান অধ্যাপক নহয় পৰিশ্ৰমী।

O– কিছুমান M নহয় P
A– সকলো S হয় M
∴ O– কিছুমান S নহয় P

এই ন্যায়টো অবৈধ। ইয়াত হেতুপদটো কোনো এটা আশ্ৰয়বাক্যতে ব্যাপ্ত হোৱা নাই। গতিকে ইয়াত 'অব্যাপ্ত হেতুপদ দোষ' ঘটিছে আৰু ই অবৈধ।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে প্ৰথম সংস্থানত বৈধমূৰ্তি চাৰিটা—

BARBARA, DARII, CELARENT আৰু FERIO।

বৈধমূৰ্তি—

(i) BARBARA (A – A – A)
(ii) DARII (A – I – I)
(iii) CELARENT (E – A – E)
(iv) FERIO (E – I – O)

**প্ৰথম সংস্থানৰ বিশেষ নিয়ম (Special rules of the first figure) ঃ** প্ৰথম সংস্থানৰ বৈধ মূৰ্তিবোৰৰ প্ৰকৃতি বিশ্লেষণ কৰিলে দেখা যায় যে এই চাৰিটাৰেই সাধ্য আশ্ৰয়বাক্যটো A বা E অৰ্থাৎ সামান্য বচন আৰু পক্ষ আশ্ৰয়বাক্যটো A বা I অৰ্থাৎ সদৰ্থক বচন।

গতিকে ইয়াৰ পৰা প্ৰথম সংস্থানৰ দুটা বিশেষ নিয়ম উলিয়াব পৰা যায়। যেনে—

(1) সাধ্য আশ্ৰয়বাক্যটো সামান্য বচন হ'ব লাগিব।

(2) পক্ষ আশ্ৰয়বাক্যটো সদৰ্থক বচন হ'ব লাগিব।

এই নিয়ম দুটাক প্ৰথম সংস্থানৰ বিশেষ নিয়ম বুলি অভিহিত কৰা হয়। কাৰণ এই নিয়ম দুটা কেৱল প্ৰথম সংস্থানৰ ক্ষেত্ৰতেই প্ৰযোজ্য। আন সংস্থানৰ ক্ষেত্ৰত এই নিয়মবোৰৰ কোনো প্ৰয়োগ নাই।

প্ৰমাণ—

**(1) সাধ্য আশ্ৰয়বাক্য সামান্য বচন হ'ব ঃ**

প্ৰথম সংস্থানৰ সাংকেতিক ৰূপ

M P
S M
∴ S P

যদি সাধ্য আশ্ৰয়বাক্য সামান্য বচন নহয়

তেনেহ'লে ই বিশেষ বচন হ'ব। প্ৰথম সংস্থানত হেতুপদ সাধ্য আশ্ৰয়বাক্যত উদ্দেশ্যৰূপে ব্যৱহৃত হয়। গতিকে সাধ্য আশ্ৰয়বাক্য বিশেষ বচন হ'লে (I বা O) হেতুপদ তাত অব্যাপ্ত থাকিব। কাৰণ বিশেষ বচনত উদ্দেশ্যপদ অব্যাপ্ত থাকে।

ন্যায়ৰ নিয়মানুযায়ী হেতুপদ অন্ততঃ এবাৰ ব্যাপ্ত হ'ব লাগিব। গতিকে হেতুপদ পক্ষ আশ্ৰয়বাক্যত ব্যাপ্ত হ'ব লাগিব। প্ৰথম সংস্থানত হেতুপদ যিহেতু পক্ষ আশ্ৰয়বাক্যত বিধেয় ৰূপে ব্যৱহৃত হয় গতিকে পক্ষ আশ্ৰয়বাক্য নঞৰ্থক হ'ব লাগিব। কাৰণ নঞৰ্থক বচনতহে বিধেয়পদ ব্যাপ্ত হয়।

পক্ষ আশ্ৰয়বাক্য যিহেতু নঞৰ্থক গতিকে সাধ্য আশ্ৰয়বাক্যটো O বচন হ'ব নোৱাৰে। ই I বচন হ'ব লাগিব। কাৰণ দুটা নঞৰ্থক বচনৰ পৰা কোনো সিদ্ধান্ত পাব নোৱাৰি।

পক্ষ আশ্ৰয়বাক্য নঞৰ্থক হোৱা বাবে সিদ্ধান্তও নঞৰ্থক হ'ব আৰু ফলত ইয়াৰ বিধেয়পদ অৰ্থাৎ সাধ্যপদ ব্যাপ্ত হ'ব। কিন্তু সাধ্য আশ্ৰয়বাক্যটো I বচন হোৱা বাবে ই তাত ব্যাপ্ত হোৱা নাই। গতিকে অবৈধ সাধ্যপদ দোষৰ উৎপত্তি হ'ব। অৰ্থাৎ সাধ্য আশ্ৰয়বাক্য বিশেষ বচন হ'লে অবৈধ সাধ্যপদ দোষ ঘটে। সেই কাৰণে প্ৰথম সংস্থানৰ সাধ্য আশ্ৰয়বাক্য সামান্য বচন হ'বই লাগিব।

**(2) পক্ষ আশ্ৰয়বাক্য সদৰ্থক বচন হ'ব ঃ**

পক্ষ আশ্ৰয়বাক্য যদি সদৰ্থক বচন নহয় তেনেহ'লে ই নঞৰ্থক বচন হ'ব। পক্ষ আশ্ৰয়বাক্য নঞৰ্থক হ'লে সাধ্য আশ্ৰয়বাক্য সদৰ্থক হ'বই লাগিব। কাৰণ দুটা নঞৰ্থক বচনৰ পৰা কোনো সিদ্ধান্ত পোৱা নাযায়। পক্ষ আশ্ৰয়বাক্য নঞৰ্থক হ'লে সিদ্ধান্তও নঞৰ্থক হ'ব। সিদ্ধান্ত নঞৰ্থক হ'লে ইয়াৰ বিধেয় পদ অৰ্থাৎ সাধ্যপদ ব্যাপ্ত হ'ব। কিন্তু সাধ্যপদ সাধ্য আশ্ৰয়বাক্যত সদৰ্থক বচনৰ বিধেয়পদ হোৱা বাবে অব্যাপ্ত। গতিকে পক্ষ আশ্ৰয়বাক্য নঞৰ্থক হ'লে অবৈধ সাধ্যপদ দোষ ঘটিব। সেই কাৰণে পক্ষ আশ্ৰয়বাক্য প্ৰথম সংস্থানত সদৰ্থক বচন হ'বই লাগিব।

**2. দ্বিতীয় সংস্থানৰ বৈধমূৰ্তি নিৰ্ণয় (Determination of Valid Mood of the Second Figure) ঃ**

দ্বিতীয় সংস্থানৰ ৰূপ—

P — M
S — M
∴ S — P

বৈধতা বিচাৰ কৰিবলগীয়া মূৰ্তি AA, AE, AI, AO, EA, EI, IA আৰু OA।

**(1) AA**

A– সকলো গৰু হয় চতুষ্পদী
A– সকলো ঘোঁৰা হয় চতুষ্পদী
∴ A– সকলো ঘোঁৰা হয় গৰু।

A– সকলো P হয় M
A– সকলো S হয় M
∴ A– সকলো S হয় P

এই ন্যাযটো অবৈধ। হেতুপদ যুক্তিটোৰ দুয়োটা আশ্ৰয়বাক্যতে এবাৰো ব্যাপ্ত হোৱা নাই। গতিকে

ইয়াত 'অব্যাপ্ত হেতুপদ দোষ' ঘটিছে আৰু ই অবৈধ।

**(2) AE**

A– সকলো সৎ ব্যক্তি হয় বিশ্বাসী
E– কোনো মিথ্যাবাদী নহয় বিশ্বাসী
∴ E– কোনো মিথ্যাবাদী নহয় সৎ ব্যক্তি।

A– সকলো P হয় M
E– কোনো S নহয় M
∴ E– কোনো S নহয় P

এই ন্যাযটোত ন্যায়ৰ আকাৰগত কোনো নিয়মেই ভংগ হোৱা নাই। হেতুপদটো পক্ষবচনত Eৰ বিধেয় হিচাপে ব্যাপ্ত হৈছে। গতিকে ই বৈধমূৰ্তি আৰু ইয়াৰ সাংকেতিক নাম CAMESTRES।

**(3) AI**

A– সকলো শিক্ষক হয় বিদ্যান
I– কিছুমান ব্যৱসায়ী হয় বিদ্যান
∴ I– কিছুমান ব্যৱসায়ী হয় শিক্ষক।

A– সকলো P হয় M
I– কিছুমান S হয় M
∴ I– কিছুমান S হয় P

এই ন্যাযটো অশুদ্ধ। ইয়াত হেতুপদটো কোনো এটা আশ্ৰয়বাক্যতে ব্যাপ্ত হোৱা নাই। গতিকে ইয়াত 'অব্যাপ্ত হেতুপদ দোষ' ঘটিছে আৰু এই মূৰ্তিটো অবৈধ।

**(4) AO**

A– সকলো দাৰ্শনিক হয় ভাবুক
O– কিছুমান কবি নহয় ভাবুক
∴ O– কিছুমান কবি নহয় দাৰ্শনিক।

A– সকলো P হয় M
O– কিছুমান S নহয় M
∴ O– কিছুমান S নহয় P

এই ন্যায়টো শুদ্ধ। ইয়াত ন্যায়ৰ আকাৰগত কোনো নিয়ম ভংগ হোৱা নাই। হেতুপদ পক্ষবচনত O বচনৰ বিধেয় হিচাপে ব্যাপ্ত হৈছে। সিদ্ধান্তত সাধ্যপদ O বচনৰ বিধেয় হিচাপে ব্যাপ্ত হৈছে আৰু ই আশ্ৰয়বাক্যতো A বচনৰ উদ্দেশ্য হিচাপে ব্যাপ্ত হৈছে। গতিকে ই বৈধ আৰু ইয়াৰ সাংকেতিক নাম BAROCO।

**(5) EA**

E– কোনো মানুহ নহয় পূৰ্ণ
A– সকলো দেৱতা হয় পূৰ্ণ
∴ E– কোনো দেৱতা নহয় মানুহ।

E– কোনো P নহয় M
A– সকলো S হয় M
∴ E– কোনো S নহয় P

এই ন্যায়টো শুদ্ধ। ন্যায়ৰ আকাৰগত কোনো নিয়ম ভংগ হোৱা নাই। হেতুপদ সাধ্যবচনত E বচনৰ বিধেয় হিচাপে ব্যাপ্ত হৈছে। পক্ষপদ সিদ্ধান্তত E বচনৰ উদ্দেশ্য হিচাপে ব্যাপ্ত হৈছে আৰু ই পক্ষবচনতো A বচনৰ উদ্দেশ্য হিচাপে ব্যাপ্ত হৈছে। সাধ্যপদটো সিদ্ধান্তত E বচনৰ বিধেয় হিচাপে ব্যাপ্ত হৈছে আৰু ই সাধ্যবচনতো E বচনৰ উদ্দেশ্য হিচাপে ব্যাপ্ত হৈছে। গতিকে এই ন্যায়টো বৈধ আৰু এই মূৰ্তিটোৰ সাংকেতিক নাম CESARE।

**(6) EI**

E– কোনো ব্যৱসায়ী নহয় সৎ

I– কিছুমান ৰাজনীতিবিদ হয় সৎ

∴ O– কিছুমান ৰাজনীতিবিদ নহয় ব্যৱসায়ী

E– কোনো P নহয় M

I– কিছুমান S হয় M

∴ O– কিছুমান S নহয় P

এই ন্যায়টো শুদ্ধ। ইয়াত ন্যায়ৰ আকাৰগত সকলো নিয়মেই ৰক্ষা পৰিছে। হেতুপদ E বচনৰ বিধেয় হিচাপে ব্যৱহাৰ হৈ ব্যাপ্ত হৈছে। সিদ্ধান্তত সাধ্যপদ ব্যাপ্ত হৈছে যদিও ই সাধ্যবচনত E বচনৰ উদ্দেশ্য হিচাপে ব্যাপ্ত হৈছে। গতিকে মূৰ্তিটো সম্পূৰ্ণ শুদ্ধ আৰু ইয়াৰ সাংকেতিক নাম FESTINO।

**(7) IA**

I– কিছুমান গৰু হয় মৰণশীল

A– সকলো মানুহ হয় মৰণশীল

∴ I– কিছুমান মানুহ হয় গৰু।

I– কিছুমান P হয় M

A– সকলো S হয় M

∴ I– কিছুমান S হয় P

এই ন্যায়টো অশুদ্ধ। কাৰণ ইয়াত হেতুপদটো ন্যায়ৰ দুয়োটা আশ্ৰয়বাক্যতে এবাৰো ব্যাপ্ত হোৱা নাই। গতিকে ইয়াত 'অব্যাপ্ত হেতুপদ দোষ' ঘটিছে। গতিকে ই এটা অবৈধ মূৰ্তি।

**(8) OA**

O– কিছুমান মানুহ নহয় অসুখী

A– সকলো ব্যৱসায়ী হয় অসুখী

∴ O– কিছুমান ব্যৱসায়ী নহয় মানুহ।

O– কিছুমান P নহয় M

A– সকলো S হয় M

∴ O– কিছুমান S নহয় P

এই ন্যায়টো অশুদ্ধ। ইয়াত সাধ্যপদটো সিদ্ধান্তত ব্যাপ্ত হৈছে, কিন্তু আশ্ৰয়বাক্যত O বচনৰ উদ্দেশ্য হিচাপে ব্যাপ্ত হোৱা নাই। গতিকে ইয়াত 'অবৈধ সাধ্যপদ দোষ' ঘটিছে আৰু ই অবৈধ।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে দ্বিতীয় সংস্থানৰ চাৰিটা বৈধমূৰ্তি পোৱা যায়।

বৈধ মূৰ্তি

(i) CAMESTRES (A – E – E)

(ii) BAROCO (A – O – O)

(iii) CESARE (E – A – E)

(iv) FESTINO (E – I – O)

**দ্বিতীয় সংস্থানৰ বিশেষ নিয়ম (Special rules of the Second figure)** ঃ দ্বিতীয় সংস্থানৰ বৈধ মূৰ্তি বিলাকৰ প্ৰকৃতি বিশ্লেষণ কৰিলে দেখা যায় যে এই চাৰিটাৰেই সাধ্য আশ্ৰয়বাক্যটো A বা E অৰ্থাৎ সামান্য বচন আৰু দুটা আশ্ৰয়বাক্যৰ ভিতৰত এটা নঞৰ্থক।

গতিকে ইয়াৰ পৰা দ্বিতীয় সংস্থানৰ দুটা বিশেষ নিয়ম উলিয়াব পৰা যায়। যেনে—

(1) সাধ্য আশ্ৰয়বাক্য সামান্য বচন হ'ব লাগিব।

(2) যিকোনো এটা আশ্ৰয়বাক্য নঞৰ্থক হ'ব লাগিব।

এই নিয়ম দুটা কেৱল দ্বিতীয় সংস্থানৰ ক্ষেত্ৰতেই প্ৰযোজ্য বুলি এই নিয়ম দুটাক দ্বিতীয় সংস্থানৰ বিশেষ নিয়ম বুলি অভিহিত কৰা হয়।

প্ৰমাণ—

**(1) সাধ্য আশ্ৰয়বাক্য সামান্য বচন হ'ব লাগিব ঃ**

P M

S M দ্বিতীয় সংস্থানৰ সাংকেতিক ৰূপ

∴ S P

যদি সাধ্য আশ্ৰয়বাক্য সামান্য বচন নহয় তেনেহ'লে ই বিশেষ বচন হ'ব। দ্বিতীয় সংস্থানত সাধ্যপদ সাধ্য আশ্ৰয়বাক্যত উদ্দেশ্যৰূপে ব্যৱহৃত হয়। গতিকে সাধ্য আশ্ৰয়বাক্য বিশেষ বচন হ'লে সাধ্যপদ অব্যাপ্ত থাকিব। কাৰণ বিশেষ বচনত উদ্দেশ্য পদ ব্যাপ্ত নহয়।

অবৈধ সাধ্যপদ দোষৰ পৰা ৰক্ষা পাবলৈ সিদ্ধান্তত সাধ্যপদ ব্যাপ্ত হ'ব নোৱাৰে। সিদ্ধান্তত সাধ্যপদ বিধেয়ৰূপে ব্যৱহৃত হয়। গতিকে সিদ্ধান্ত সদৰ্থক বচন হ'ব লাগিব। কাৰণ সদৰ্থক বচনতহে বিধেয় অব্যাপ্ত থাকে।

সিদ্ধান্ত যিহেতু সদৰ্থক, গতিকে দুয়োটা আশ্ৰয়বাক্যও সদৰ্থক হ'ব লাগিব। কিন্তু সদৰ্থক বচনত যিহেতু বিধেয় পদ ব্যাপ্ত নহয় আৰু দ্বিতীয় সংস্থানত হেতুপদ যিহেতু দুয়োটা আশ্ৰয়বাক্যতেই বিধেয়ৰূপে ব্যৱহৃত হয়, গতিকে হেতুপদটো দুয়োটা আশ্ৰয়বাক্যতেই অব্যাপ্ত হৈ থাকি যাব। ফলত অব্যাপ্ত হেতুপদ দোষ হ'ব।

সেই কাৰণে সাধ্য আশ্ৰয়বাক্য বিশেষ বচন হ'ব নোৱাৰে, সামান্য বচন হ'বই লাগিব।

**(2) যিকোনো এটা আশ্ৰয়বাক্য নঞৰ্থক হ'ব লাগিব ঃ**

যদি দুটা আশ্ৰয়বাক্যৰ যিকোনো এটা নঞৰ্থক নহয় তেনেহ'লে দুয়োটা আশ্ৰয়বাক্যই সদৰ্থক হ'ব। দ্বিতীয় সংস্থানত হেতুপদ দুয়োটা আশ্ৰয়বাক্যতেই বিধেয়ৰূপে ব্যৱহৃত হয়। যিহেতু সদৰ্থক বচনত বিধেয়পদ ব্যাপ্ত নহয় সেই কাৰণে হেতুপদটো দুয়োটা আশ্ৰয়বাক্যতেই অব্যাপ্ত হৈ থাকি যাব। কিন্তু ন্যায়ৰ নিয়মানুযায়ী হেতুপদ অন্ততঃ এবাৰ ব্যাপ্ত হ'বই লাগিব। নহ'লে অব্যাপ্ত হেতুপদ দোষৰ উদ্ভৱ হ'ব।

সেই কাৰণে অব্যাপ্ত হেতুপদ দোষমুক্ত হ'বলৈ যিকোনো এটা আশ্ৰয়বাক্য নঞৰ্থক হ'বই লাগিব।

### 3. তৃতীয় সংস্থানৰ বৈধ মূৰ্তি (Valid moods of the Third Figure)

তৃতীয় সংস্থানৰ ৰূপ—

M — P

M — S

∴ S – P

বৈধতা বিচাৰ কৰিবলগীয়া আঠটা মূৰ্তি— AA, AE, AI, AO, EA, EI, IA আৰু OA.

**(1) AA**

A– সকলো দাৰ্শনিক হয় উদাৰ

A– সকলো দাৰ্শনিক হয় ভাবুক

∴ A– সকলো ভাবুক হয় উদাৰ।

A– সকলো M হয় P

A– সকলো M হয় S

∴ A– সকলো S হয় P

এই ন্যায়টো অবৈধ। কাৰণ ইয়াত পক্ষপদ সিদ্ধান্তত ব্যাপ্ত হৈছে, কিন্তু ই পক্ষবচনত ব্যাপ্ত

হোৱা নাই। সেই কাৰণে ইয়াত 'অবৈধ পক্ষপদ দোষ' ঘটিছে আৰু ই অবৈধ।

কিন্তু সিদ্ধান্ত যদি I বচন হয় তেনেহ'লে সিদ্ধান্তত কোনো পদেই ব্যাপ্ত নহ'ব আৰু 'অবৈধ পক্ষপদ দোষ'ৰ পৰা ন্যায়টো মুক্ত হ'ব। নিগমন অনুমানৰ এটা বৈশিষ্ট্য হৈছে যে ন্যায় অনুমানৰ সিদ্ধান্ত আশ্ৰয়বাক্যতকৈ বেছি ব্যাপক হ'ব নোৱাৰে কিন্তু কম ব্যাপক হ'লে কোনো দোষ নহ'ব। গতিকে যি ক্ষেত্ৰত আমি সিদ্ধান্তত সামান্য বচনলৈ আহিলে ন্যায়টো দোষযুক্ত হয়, বিশেষ বচনৰ সিদ্ধান্তলৈ নি ন্যায়টোক দোষমুক্ত কৰিব পাৰি।

উদাহৰণ—

A– সকলো দাৰ্শনিক হয় উদাৰ

A– সকলো দাৰ্শনিক হয় ভাবুক

∴ I– কিছুমান ভাবুক হয় উদাৰ।

A– সকলো M হয় P

A– সকলো M হয় S

∴ I– কিছুমান S হয় P

এই ন্যায়টো শুদ্ধ। কাৰণ ইয়াত ন্যায়ৰ আকাৰগত কোনো নিয়ম ভংগ হোৱা নাই। গতিকে ই বৈধ আৰু ইয়াৰ সাংকেতিক নাম DARAPTI।

**(2) AE**

A– সকলো মানুহ হয় মৰণশীল

E– কোনো মানুহ নহয় পূৰ্ণ

∴ E– কোনো পূৰ্ণ জীৱ নহয় মৰণশীল।

A– সকলো M হয় P

E– কোনো M নহয় S

∴ E– কোনো S নহয় P

এই ন্যায়টো অশুদ্ধ। ইয়াত সাধ্যপদটো E বচনৰ বিধেয় হিচাপে সিদ্ধান্তত ব্যাপ্ত হৈছে, কিন্তু আশ্ৰয়বাক্যত A বচনৰ বিধেয় হিচাপে ব্যাপ্ত হোৱা নাই। গতিকে ইয়াত অবৈধ সাধ্যপদ দোষ ঘটিছে আৰু ই অবৈধ।

**(3) AI**

A– সকলো ফুল হয় সুন্দৰ বস্তু

I– কিছুমান ফুল হয় সুগন্ধি

∴ I– কিছুমান সুগন্ধি বস্তু হয় সুন্দৰ বস্তু।

A– সকলো M হয় P

I– কিছুমান M হয় S

∴ I– কিছুমান S হয় P

এই ন্যায়টো শুদ্ধ। ইয়াত ন্যায়ৰ আকাৰগত সকলো নিয়মেই পালন হৈছে। গতিকে ই বৈধ আৰু ইয়াৰ সাংকেতিক নাম DATISI।

**(4) AO**

A– সকলো কেৰাণী হয় মানুহ

O– কিছুমান কেৰাণী নহয় বিশ্বস্ত

∴ O– কিছুমান বিশ্বস্ত ব্যক্তি নহয় মানুহ

A– সকলো M হয় P

O– কিছুমান M নহয় S

∴ O– কিছুমান S নহয় P

এই ন্যায়টো অবৈধ। কাৰণ ইয়াত সাধ্যপদ সিদ্ধান্তত O বচনৰ বিধেয় হিচাপে ব্যাপ্ত হৈছে, কিন্তু সাধ্যবচনত A বচনৰ বিধেয় হিচাপে সাধ্যপদটো ব্যাপ্ত হোৱা নাই। গতিকে ইয়াত 'অবৈধ সাধ্যপদ দোষ' ঘটিছে আৰু ই অবৈধ।

**(5) EA**

E– কোনো মানুহ নহয় অমৰ

A– সকলো মানুহ হয় বুদ্ধিবৃত্তিসম্পন্ন

∴ E– কোনো বুদ্ধিবৃত্তিসম্পন্ন জীৱ নহয় অমৰ।

E– কোনো M নহয় P

A– সকলো M হয় S

∴ E– কোনো S নহয় P

এই ন্যায়টো অশুদ্ধ। কাৰণ ইয়াত পক্ষপদটো পক্ষ আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ সিদ্ধান্তত ব্যাপ্ত হৈছে; গতিকে ইয়াত 'অবৈধ পক্ষপদ দোষ' ঘটিছে আৰু ই অবৈধ। কিন্তু আমি 'অবৈধ পক্ষপদ দোষ'ৰ পৰা মুক্ত হ'বলৈ সিদ্ধান্তটো বিশেষ বচন অৰ্থাৎ O বচনলৈ নিব পাৰো—

E– কোনো মানুহ নহয় অমৰ

A– সকলো মানুহ হয় বুদ্ধিবৃত্তিসম্পন্ন

∴ O– কিছুমান বুদ্ধিবৃত্তিসম্পন্ন জীৱ নহয় অমৰ।

E– কোনো M নহয় P

A– সকলো M হয় S

∴ O– কিছুমান S নহয় P

এই ন্যায়টো শুদ্ধ। ইয়াত ন্যায়ৰ আকাৰগত কোনো নিয়মেই ভংগ হোৱা নাই। গতিকে ই বৈধ আৰু ইয়াৰ সাংকেতিক নাম FELAPTON।

**(6) EI**

E– কোনো মানুহ নহয় অমৰ

I– কিছুমান মানুহ হয় দাৰ্শনিক

∴ O– কিছুমান দাৰ্শনিক নহয় অমৰ।

E– কোনো M নহয় P

I– কিছুমান M হয় S

∴ O– কিছুমান S নহয় P

এই ন্যায়টো শুদ্ধ। ইয়াত ন্যায়ৰ আকাৰগত কোনো নিয়মেই ভংগ হোৱা নাই। গতিকে ই বৈধ আৰু ইয়াৰ সাংকেতিক নাম FERISON।

**(7) IA**

I– কিছুমান মানুহ হয় সাধু

A– সকলো মানুহ হয় মৰণশীল।

∴ I– কিছুমান মৰণশীল জীৱ হয় সাধু।

I– কিছুমান M হয় P

A– সকলো M হয় S

∴ I– কিছুমান S হয় P

এই ন্যায়টো শুদ্ধ। ইয়াত ন্যায়ৰ আকাৰগত কোনো নিয়মেই ভংগ হোৱা নাই। গতিকে ই বৈধ ন্যায় আৰু ইয়াৰ সাংকেতিক নাম DISAMIS।

**(8) OA**

O– কিছুমান মানুহ নহয় জ্ঞানী

A– সকলো মানুহ হয় মৰণশীল

∴ O– কিছুমান মৰণশীল জীৱ নহয় জ্ঞানী।

O– কিছুমান M নহয় P

A– সকলো M হয় S

∴ O– কিছুমান S নহয় P

এই ন্যায়টো শুদ্ধ। ইয়াত ন্যায়ৰ আকাৰগত সকলো নিয়মেই মানা হৈছে। গতিকে ই বৈধ আৰু ইয়াৰ সাংকেতিক নাম BOCARDO।

এইদৰে ন্যায়ৰ সাধাৰণ নিয়মাৱলীৰ দ্বাৰা বিচাৰ কৰিলে আমি দেখা পাওঁ তৃতীয় সংস্থানত 6 টা বৈধ মূৰ্তি আছে।

বৈধ মূৰ্তি

(i) DARAPTI (A – A – I)

(ii) DATISI (A – I – I)
(iii) DISAMIS (I – A – I)
(iv) FELAPTON (E – A – O)
(v) FERISON (E – I – O)
(vi) BOCARDO (O – A – O)

**তৃতীয় সংস্থানৰ বিশেষ নিয়ম (Special rules of the third figure) ঃ** তৃতীয় সংস্থানৰ এই বৈধ মূৰ্তিবোৰৰ প্ৰকৃতি বিশ্লেষণ কৰিলে দেখা যায় যে এই ছয়টাৰেই পক্ষ আশ্ৰয়বাক্যটো সদৰ্থক বচন আৰু সিদ্ধান্তটো বিশেষ বচন।

গতিকে ইয়াৰ পৰা তৃতীয় সংস্থানৰ দুটা বিশেষ নিয়ম নিৰ্ণয় কৰিব পৰা যায়।

(1) পক্ষ আশ্ৰয়বাক্য সদৰ্থক বচন হ'ব।

(2) সিদ্ধান্ত বিশেষ বচন হ'ব।

এই নিয়ম দুটা কেৱল তৃতীয় সংস্থানৰ ক্ষেত্ৰতেই প্ৰযোজ্য বুলি এই দুটাক তৃতীয় সংস্থানৰ বিশেষ নিয়ম বুলি অভিহিত কৰা হয়।

প্ৰমাণ—

**(1) পক্ষ আশ্ৰয়বাক্য সদৰ্থক বচন হ'ব ঃ**

M P
M S তৃতীয় সংস্থানৰ সাংকেতিক ৰূপ
∴ S P

যদি পক্ষ আশ্ৰয়বাক্য সদৰ্থক নহয় তেনেহ'লে ই নঞৰ্থক হ'ব। পক্ষ আশ্ৰয়বাক্য নঞৰ্থক হ'লে সাধ্য আশ্ৰয়বাক্য সদৰ্থক হ'বই লাগিব। কাৰণ দুটা নঞৰ্থক আশ্ৰয়বাক্যৰ পৰা কোনো সিদ্ধান্তত উপনীত হ'ব নোৱাৰি। এটা আশ্ৰয়বাক্য অৰ্থাৎ পক্ষ আশ্ৰয়বাক্য নঞৰ্থক হোৱাৰ কাৰণে সিদ্ধান্তও নঞৰ্থক হ'ব। সিদ্ধান্ত নঞৰ্থক হ'লে ইয়াৰ বিধেয় অৰ্থাৎ সাধ্যপদ ব্যাপ্ত হ'ব। কাৰণ নঞৰ্থক বচনত বিধেয় পদ ব্যাপ্ত। কিন্তু সাধ্যপদ সাধ্য আশ্ৰয় বাক্যত ব্যাপ্ত নহয় কাৰণ তৃতীয় সংস্থানত সাধ্যপদ সাধ্য আশ্ৰয়বাক্যত বিধেয়ৰূপে ব্যৱহৃত হয় আৰু সাধ্য আশ্ৰয়বাক্যটো সদৰ্থক বচন। সদৰ্থক বচনত বিধেয় পদ ব্যাপ্ত নহয়। গতিকে পক্ষ আশ্ৰয়বাক্য নঞৰ্থক হ'লে সাধ্য আশ্ৰয়বাক্য সদৰ্থক হয় আৰু সিদ্ধান্ত নঞৰ্থক হয় বুলি অবৈধ সাধ্যপদ দোষ ঘটে।


সেই কাৰণে তৃতীয় সংস্থানত পক্ষ আশ্ৰয়বাক্য নঞৰ্থক হ'ব নোৱাৰে। ই সদৰ্থক বচন হ'বই লাগিব।

**(2) সিদ্ধান্ত বিশেষ বচন হ'ব ঃ**

সিদ্ধান্ত যদি বিশেষ বচন নহয় তেনেহ'লে ই সামান্য বচন হ'ব। তৃতীয় সংস্থানৰ প্ৰথম বিশেষ নিয়মানুযায়ী পক্ষ আশ্ৰয়বাক্য সদৰ্থক বচন হ'ব লাগিব। পক্ষ আশ্ৰয়বাক্য সদৰ্থক হ'লে ইয়াৰ বিধেয়পদ অৰ্থাৎ পক্ষপদ অব্যাপ্ত থাকিব। কাৰণ সদৰ্থক বচনত বিধেয় পদ ব্যাপ্ত নহয়। পক্ষপদ যিহেতু আশ্ৰয়বাক্যত অব্যাপ্ত গতিকে ন্যায়ৰ নিয়মানুযায়ী ই সিদ্ধান্ততো ব্যাপ্ত হ'ব নোৱাৰে। কিন্তু সিদ্ধান্ত যদি সামান্য বচন হয় তেনেহ'লে ইয়াৰ উদ্দেশ্য অৰ্থাৎ পক্ষপদ ব্যাপ্ত হৈ পৰিব। কাৰণ সামান্য বচনত উদ্দেশ্য পদ ব্যাপ্ত হয়। গতিকে অবৈধ পক্ষপদ দোষমুক্ত হ'বলৈ সিদ্ধান্ত সামান্য বচন হ'ব নোৱাৰে। ই বিশেষ বচন হ'বই লাগিব।

**4. চতুৰ্থ সংস্থানৰ বৈধ মূৰ্তি (Determination of Valid Moods of the Fourth Figure) ঃ**

চতুৰ্থ সংস্থানৰ ৰূপ




∴ S – P

**(1) AA**

A– সকলো বুৰঞ্জীবিদ হয় মানুহ

A– সকলো মানুহ হয় মৰণশীল

∴ A– সকলো মৰণশীল প্ৰাণী হয় বুৰঞ্জীবিদ।

A– সকলো P হয় M

A– সকলো M হয় S

∴ A– সকলো S হয় P

এই ন্যায়টোত পক্ষপদ সিদ্ধান্তত A বচনৰ উদ্দেশ্য হিচাপে ব্যাপ্ত হৈছে। কিন্তু পক্ষপদটো পক্ষবচনত A বচনৰ বিধেয় হিচাপে ব্যাপ্ত হোৱা নাই। গতিকে ন্যায়টোত অবৈধ পক্ষপদ দোষ ঘটিছে আৰু ই অবৈধ। কিন্তু যদি সিদ্ধান্তটো I বচন কৰা হয় তেন্তে অবৈধ সাধ্যপদ বা অবৈধ পক্ষপদ দোষৰ কোনো সম্ভাৱনা নাথাকে। কাৰণ I বচনত কোনো পদেই ব্যাপ্ত নহয়। এই মূৰ্তিটো আমি নিম্নলিখিত হিচাপে বৈধ কৰিব পাৰো—

A– সকলো বুৰঞ্জীবিদ হয় মানুহ

A– সকলো মানুহ হয় মৰণশীল

∴ I– কিছুমান মৰণশীল হয় বুৰঞ্জীবিদ।

A– সকলো P হয় M

A– সকলো M হয় S

∴ I– কিছুমান S হয় P

এই ন্যায়টো বৈধ। ন্যায়ৰ আকাৰগত সকলো নিয়মেই ইয়াত পালন কৰা হৈছে। গতিকে ই বৈধ আৰু ইয়াৰ সাংকেতিক নাম BRAMANTIP।

**(2) AE**

A– সকলো দাৰ্শনিক হয় মানুহ

E– কোনো মানুহ নহয় অমৰ

∴ E– কোনো অমৰ ব্যক্তি নহয় দাৰ্শনিক

A– সকলো P হয় M

E– কোনো M নহয় S

∴ E– কোনো S নহয় P

এই ন্যায়টো শুদ্ধ। কাৰণ ইয়াত ন্যায়ৰ আকাৰগত নিয়ম ক'তো ভংগ হোৱা নাই। গতিকে ই সম্পূৰ্ণ বৈধ মূৰ্তি আৰু ইয়াৰ সাংকেতিক নাম হৈছে— CAMENES।

**(3) AI**

A– সকলো মানুহ হয় মৰণশীল

I– কিছুমান মৰণশীল প্ৰাণী হয় চতুষ্পদী

∴ I– কিছুমান চতুষ্পদী প্ৰাণী হয় মানুহ।

A– সকলো P হয় M

I– কিছুমান M হয় S

∴ I– কিছুমান S হয় P

এই ন্যায়টো অবৈধ। কাৰণ ইয়াত হেতুপদ দুয়োটা আশ্ৰয়বাক্যতে এবাৰো ব্যাপ্ত হোৱা নাই। গতিকে ইয়াত 'অব্যাপ্ত হেতুপদ দোষ' ঘটিছে আৰু ই অবৈধ।

**(4) AO**

A– সকলো মানুহ হয় মৰণশীল।

O– কিছুমান মৰণশীল প্ৰাণী নহয় কবি

∴ O– কিছুমান কবি নহয় মানুহ।

A– সকলো P হয় M।

O– কিছুমান M নহয় S

∴ O– কিছুমান S নহয় P

এই ন্যায়টোত অশুদ্ধ। ইয়াত পক্ষবচন O বচন হোৱা বাবে হেতুপদ উদ্দেশ্যপদ হৈছে আৰু ই অব্যাপ্ত। সাধ্যবচনত হেতুপদ A বচনৰ বিধেয় হৈছে বাবে অব্যাপ্ত। গতিকে ইয়াত 'অব্যাপ্ত হেতুপদ দোষ' হৈছে আৰু ই অবৈধ।

**(5) EA**

E– কোনো ব্যৱসায়ী নহয় দাৰ্শনিক

A– সকলো দাৰ্শনিক হয় ভাবুক

∴ E– কোনো ভাবুক ব্যক্তি নহয় ব্যৱসায়ী।

E– কোনো P নহয় M

A– সকলো M হয় S

∴ E– কোনো S নহয় P।

এই ন্যায়টোত সিদ্ধান্তত পক্ষপদ ব্যাপ্ত হৈছে, যিটো আশ্ৰয়বাক্যত হোৱা নাই। কাৰণ পক্ষবচনত পক্ষপদ A বচনৰ বিধেয় হৈছে। গতিকে ইয়াত অবৈধ পক্ষপদ দোষৰ সৃষ্টি হৈছে। কিন্তু যদিহে সিদ্ধান্তটো বিশেষ বচনলৈ অৰ্থাৎ O বচনলৈ পৰিৱৰ্তন কৰা হয় তেন্তে পক্ষপদটো সিদ্ধান্তত ব্যাপ্ত নহয় আৰু অবৈধ পক্ষপদ দোষৰ সম্ভাৱনা নাথাকিব।

উদাহৰণ—

E– কোনো ব্যৱসায়ী নহয় দাৰ্শনিক

A– সকলো দাৰ্শনিক হয় ভাবুক

∴ O– কিছুমান ভাবুক ব্যক্তি নহয় ব্যৱসায়ী।

E– কোনো P নহয় M

A– সকলো M হয় S

∴ O– কিছুমান S নহয় P

এই ন্যায়টো বৈধ। কাৰণ ইয়াত ন্যায়ৰ আকাৰগত কোনো নিয়ম ভংগ হোৱা নাই। হেতুপদ দুয়োটা আশ্ৰয়বাক্যতেই ব্যাপ্ত হৈছে। সিদ্ধান্তত সাধ্যপদ ব্যাপ্ত হৈছে আৰু ই সাধ্যবচনতো E বচনৰ উদ্দেশ্য হিচাপে ব্যাপ্ত হৈছে। গতিকে ই বৈধ আৰু ইয়াৰ সাংকেতিক নাম FESAPO।

(6) EI

E– কোনো কাউৰী নহয় চতুষ্পদী

I– কিছুমান চতুষ্পদী জীৱ হয় মৰণশীল

∴ O– কিছুমান মৰণশীল জীৱ নহয় কাউৰী।

E– কোনো P নহয় M

I– কিছুমান M হয় S

∴ O– কিছুমান S নহয় P।

এই ন্যায়টো শুদ্ধ। কাৰণ ইয়াত ন্যায়ৰ আকাৰগত কোনো নিয়মেই ভংগ হোৱা নাই। হেতুপদ সাধ্যবচনত E বচনৰ বিধেয় হিচাপে ব্যাপ্ত হৈছে। সিদ্ধান্তত সাধ্যপদ O বচনৰ বিধেয় হিচাপে ব্যাপ্ত হৈছে আৰু ই সাধ্যবচনত E বচনৰ উদ্দেশ্য হিচাপে ব্যাপ্ত হৈছে। গতিকে ই বৈধ আৰু ইয়াৰ সাংকেতিক নাম FRESISON।

**(7) IA**

I– কিছুমান মানুহ হয় সৎ

A– সকলো সৎ ব্যক্তি হয় আস্তিক

∴ I– কিছুমান আস্তিক হয় মানুহ

I– কিছুমান P হয় M

A– সকলো M হয় S

∴ I– কিছুমান S হয় P

এই ন্যায়টো শুদ্ধ। কাৰণ ইয়াত ন্যায় আকাৰগত কোনো নিয়মেই ভংগ হোৱা নাই। হেতুপদটো পক্ষবচনত A বচনৰ উদ্দেশ্য হিচাপে ব্যাপ্ত হৈছে। সিদ্ধান্তত কোনো পদ ব্যাপ্ত হোৱা নাই। গতিকে ই বৈধ আৰু ইয়াৰ সাংকেতিক নাম DIMARIS।

**(8) OA**

O– কিছুমান মানুহ নহয় সাধু

A– সকলো সাধু হয় সুখী

∴ O– কিছুমান সুখী ব্যক্তি নহয় মানুহ।

O– কিছুমান P নহয় M

A– সকলো M হয় S

∴ O– কিছুমান S নহয় P।

এই ন্যায়টো অবৈধ। কাৰণ ইয়াত সাধ্যপদ সিদ্ধান্তত ব্যাপ্ত হৈছে, কিন্তু সাধ্য আশ্ৰয়বাক্যত O বচনৰ উদ্দেশ্য হিচাপে অব্যাপ্ত। গতিকে ইয়াত 'অবৈধ সাধ্যপদ দোষ' ঘটিছে আৰু ই অবৈধ।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে চতুৰ্থ সংস্থানত বৈধ মূৰ্তিৰ সংখ্যা পাঁচটা।

বৈধ মূৰ্তি ঃ

| | |
|---|---|
| (i) BRAMANTIP | (A – A – I) |
| (ii) CAMENES | (A – E – E) |
| (iii) DIMARIS | (I – A – I) |
| (iv) FESAPO | (E – A – O) |
| (v) FRESISON | (E – I – O) |

**চতুৰ্থ সংস্থানৰ বিশেষ নিয়ম (Special rules of the fourth figure) ঃ** চতুৰ্থ সংস্থানৰ বৈধ মূৰ্তিবোৰৰ প্ৰকৃতি বিশ্লেষণ কৰিলে তিনিটা বিশেষ নিয়ম নিৰ্ণয় কৰিব পৰা যায়।

(1) সাধ্য আশ্ৰয়বাক্য সদৰ্থক হ'লে পক্ষ আশ্ৰয়বাক্য সামান্য বচন হ'ব।

(2) পক্ষ আশ্ৰয়বাক্য সদৰ্থক হ'লে সিদ্ধান্ত বিশেষ বচন হ'ব।

(3) কোনো এটা আশ্ৰয়বাক্য নঞৰ্থক হ'লে সাধ্য আশ্ৰয়বাক্য সামান্য বচন হ'ব।

প্ৰমাণ ঃ

চতুৰ্থ সংস্থানৰ সাংকেতিক ৰূপ

P M

M S

∴ S P

**(1) সাধ্য আশ্ৰয়বাক্য সদৰ্থক বচন হ'লে পক্ষ আশ্ৰয়বাক্য সামান্য বচন হ'ব ঃ**

যিহেতু চতুৰ্থ সংস্থানত হেতুপদ সাধ্য আশ্ৰয়বাক্যত বিধেয়, সেই কাৰণে সাধ্য আশ্ৰয়বাক্য সদৰ্থক হ'লে হেতুপদ তাত অব্যাপ্ত হৈ থাকিব। কাৰণ সদৰ্থক বচনত বিধেয় পদ ব্যাপ্ত নহয়। গতিকে অব্যাপ্ত হেতুপদ দোষ নহ'বলৈ হেতুপদটো পক্ষ আশ্ৰয়বাক্যত ব্যাপ্ত হ'ব লাগিব। পক্ষ আশ্ৰয়বাক্যত হেতুপদ উদ্দেশ্যৰূপে ব্যৱহৃত হয়। গতিকে উদ্দেশ্যপদ ব্যাপ্ত হ'বলৈ হ'লে পক্ষ আশ্ৰয়বাক্য সামান্য বচন হ'ব লাগিব। গতিকে দেখা যায় যে সাধ্য আশ্ৰয়বাক্য যদি সদৰ্থক হয় তেন্তে পক্ষ আশ্ৰয়বাক্য সামান্য বচন হ'ব লাগিব।

**(2) পক্ষ আশ্ৰয়বাক্য সদৰ্থক হ'লে সিদ্ধান্ত বিশেষ বচন হ'ব ঃ**

পক্ষ আশ্ৰয়বাক্য সদৰ্থক হ'লে ইয়াৰ বিধেয় পদ অৰ্থাৎ পক্ষপদ ব্যাপ্ত নহ'ব। কাৰণ সদৰ্থক বচনত বিধেয়পদ ব্যাপ্ত নহয়। গতিকে পক্ষপদ

সিদ্ধান্ততো ব্যাপ্ত হ'ব নোৱাৰিব। কাৰণ পক্ষ আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ পক্ষপদ সিদ্ধান্তত ব্যাপ্ত হ'লে অবৈধ পক্ষপদ দোষ হ'ব। সিদ্ধান্তত পক্ষপদ উদ্দেশ্য ৰূপে ব্যৱহৃত হয়। গতিকে সিদ্ধান্ত বিশেষ বচন হ'বই লাগিব। কাৰণ একমাত্ৰ বিশেষ বচনতেই উদ্দেশ্যপদ অব্যাপ্ত থাকে। গতিকে পক্ষ আশ্ৰয়বাক্য সদৰ্থক হ'লে সিদ্ধান্ত সামান্য বচন হ'ব নোৱাৰে। ই বিশেষ বচন হ'ব।

**(3) এটা আশ্ৰয়বাক্য নঞৰ্থক হ'লে সাধ্য আশ্ৰয়বাক্য সামান্য বচন হ'ব ঃ**

এটা আশ্ৰয়বাক্য নঞৰ্থক হ'লে ন্যায়ৰ নিয়মানুযায়ী সিদ্ধান্তও নঞৰ্থক হ'ব। সিদ্ধান্ত নঞৰ্থক হ'লে ইয়াৰ বিধেয় পদ অৰ্থাৎ সাধ্যপদ ব্যাপ্ত হ'ব। গতিকে অবৈধ সাধ্যপদ দোষ নহ'বলৈ সাধ্যপদ সাধ্য আশ্ৰয়বাক্যত ব্যাপ্ত হ'ব লাগিব। চতুৰ্থ সংস্থানত সাধ্যপদ আশ্ৰয়বাক্যত উদ্দেশ্যৰূপে ব্যৱহৃত হয়। গতিকে সাধ্য আশ্ৰয় সামান্য বচন হ'বই লাগিব। কাৰণ কেৱল সামান্য বচনতেই উদ্দেশ্যপদ ব্যাপ্ত হয়।

গতিকে এটা আশ্ৰয়বাক্য নঞৰ্থক হ'লে সাধ্য আশ্ৰয়বাক্য বিশেষ বচন হ'ব নোৱাৰে; সামান্য বচন হ'ব।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে প্ৰথম সংস্থানত চাৰিটা, দ্বিতীয় সংস্থানত চাৰিটা, তৃতীয় সংস্থানত ছটা আৰু চতুৰ্থ সংস্থানত পাঁচটা অৰ্থাৎ 19 টাহে এই চাৰিটা সংস্থানৰ বৈধ মূৰ্তি।

প্ৰথম সংস্থান ঃ BARBARA, CELARENT, DARII, FERIO

দ্বিতীয় সংস্থান ঃ CESARE, CAMESTRES, FESTINO, BAROCO

তৃতীয় সংস্থান ঃ DARAPTI, DISAMIS, DATISI, FELAPTON, BOCARDO, FERISON

চতুৰ্থ সংস্থান ঃ BRAMANTIP, CAMENES, DIMARIS, FESAPO, FRESISON

## 3.2.6 ন্যায় অনুমানৰ শুদ্ধাশুদ্ধি নিৰ্ণয় বা সত্যাসত্য নিৰ্ণয় (Testing of Categorical Syllogistic Arguments) ঃ

ন্যায় অনুমানৰ বৈধতা বুলিলে ইয়াৰ আকাৰগত সত্যতাৰ কথাই বুজোৱা হয়। ন্যায় অনুমানৰ আকাৰগত সত্যতা নিৰ্ণয়ৰ বাবে ন্যায়ৰ কিছুমান (দহটা) সাধাৰণ নিয়ম আছে আৰু ইয়াৰ বৈধতা এই নিয়মসমূহৰ ওপৰত প্ৰতিষ্ঠিত। যেতিয়া ন্যায়ৰ সিদ্ধান্তটো ন্যায়ৰ নিয়ম অনুযায়ী প্ৰতিষ্ঠা কৰা হয়, তেতিয়া ন্যায় অনুমানটোক বৈধ বুলি কোৱা হয়। আনহাতে, ন্যায় অনুমানৰ সিদ্ধান্ত প্ৰতিষ্ঠা কৰোতে এই নিয়মসমূহৰ কোনো এটা নিয়ম ভংগ হ'লেই ন্যায় অনুমানটো অবৈধ বুলি কোৱা হয়। এতিয়া কোনো এটা যুক্তি শুদ্ধ নে অশুদ্ধ, বৈধ নে অবৈধ সেইটো নিৰ্ধাৰণ কৰা

অনেক সময়ত অতি কঠিন। শিক্ষাৰ্থীৰ সুবিধাৰ বাবে তলত কিছুমান সাধাৰণ নিৰ্দেশ দিয়া হ'ল।

অনুমানবোৰ সকলো সময়তে তৰ্কবিজ্ঞানসন্মত আকাৰত নাথাকে। সেয়েহে ন্যায়ৰ বৈধতা বিচাৰৰ সময়ত আমাৰ প্ৰথম কৰ্তব্য হ'ল— বাক্যবোৰৰ পৰা প্ৰথমে এটা তৰ্কবিজ্ঞানসন্মত যুক্তি গঠন কৰা। ইতিমধ্যে এটা বাক্যক কিদৰে তৰ্কবিজ্ঞানসন্মত বচনলৈ ৰূপান্তৰিত কৰিব পাৰি তাৰ বিস্তৃত বিৱৰণ আগৰ অধ্যায়ত দিয়া হৈছে। ন্যায় অনুমানৰ গঠনত দেখা যায় যে প্ৰথমে সাধ্যবচন, তাৰ পিছত পক্ষবচন আৰু শেষত সিদ্ধান্ত দিয়া থাকে।

(সাধ্যবচন — পক্ষবচন — সিদ্ধান্ত)।

কিন্তু বিভিন্ন উদাহৰণত দেখা যায় যে বচনবোৰ এনে ধৰণৰ তৰ্কবিজ্ঞানসন্মত আকাৰত সকলো সময়তে দিয়া নাথাকে। গতিকে সৰ্বপ্ৰথমে বচনবোৰক ন্যায়ৰ তৰ্কবিজ্ঞানসন্মত যুক্তিৰ আকাৰত সজাব লাগিব। তাৰ বাবে নিম্নলিখিত নিয়মবোৰ মানি চলা দৰকাৰ।

(1) প্ৰথমতে ন্যায়ৰ সিদ্ধান্তটো বাছি ল'ব লাগিব আৰু তাক যুক্তিটোৰ শেষত অৰ্থাৎ তৃতীয় স্থানত লিখিব লাগিব। সাধাৰণতে সিদ্ধান্তটোৰ আগত 'গতিকে', 'এতেকে', 'সেইকাৰণে', 'সেয়েহে' (therefore, so, hence) ইত্যাদি শব্দবোৰ যুক্ত থাকে। যদি কেতিয়াবা নাথাকে, তেনেহ'লে অনুমানটো ভালদৰে পৰ্যবেক্ষণ কৰি অৰ্থৰ বিচাৰ কৰি সিদ্ধান্তটো নিৰ্ণয় কৰা হয়। কেতিয়াবা আকৌ সিদ্ধান্তটো প্ৰথমতে দিয়া থাকে তাৰ পিছত 'কাৰণ', 'কিয়নো' (because, for) ইত্যাদি শব্দৰে আশ্ৰয়বাক্যটো দিয়া থাকে। সিদ্ধান্ত নিৰ্ণয়ৰ পিছত সিদ্ধান্তৰ উদ্দেশ্য পক্ষপদ আৰু সিদ্ধান্তৰ বিধেয় সাধ্যপদ সহজে নিৰ্ণয় কৰিব পাৰি।

(2) ন্যায় অনুমানত সাধ্যপদটো যিটো বচনত থাকে, সেইটো হ'ব সাধ্যবচন আৰু পক্ষপদটো যিটো বচনত থাকে সেইটো হ'ব পক্ষবচন।

(3) এতিয়া যুক্তিটোক তৰ্কবিজ্ঞানৰ আকাৰত লিখিব লাগিব। প্ৰথমে সাধ্যবচন, তাৰ পিছত পক্ষবচন আৰু শেষত সিদ্ধান্ত (সাধ্যবচন — পক্ষবচন — সিদ্ধান্ত)।

(4) এতিয়া চাব লাগিব যুক্তিটোত ন্যায়ৰ কোনো নিয়ম ভংগ হৈছে নেকি। এই প্ৰসংগত কোন বচনত কোনটো পদ ব্যাপ্ত হৈছে সেইটো লক্ষ্য কৰিব লাগিব আৰু ন্যায়ৰ নিয়মবোৰ ভালদৰে মনত ৰাখিব লাগিব।

(5) এটা কথা মনত ৰাখিব লাগিব যে কোনো অনুমানৰ বৈধতা নিৰ্ণয় কৰোতে সেইটো সদায় যে অশুদ্ধ হ'ব— এনে ধাৰণা মনত ৰাখিব নালাগে। অনেক ক্ষেত্ৰত অনুমানটো শুদ্ধ হ'ব'ও পাৰে। তেনে ক্ষেত্ৰত অনুমানটোক তৰ্কবিজ্ঞানসন্মত আকাৰত ৰূপান্তৰিত কৰি তাৰ সংস্থান (Figure) আৰু মূৰ্তি (Mood)ৰ উল্লেখ কৰিব লাগে।

(6) আন এটা বিষয় হৈছে অনুমানটোক কেৱল

মাত্ৰ তৰ্কবিজ্ঞানসন্মত আকাৰত প্ৰকাশ কৰি তাক 'বৈধ' বা 'অবৈধ' বুলি লিখিলেই নহ'ব। অনুমানটোৰ সঠিক ব্যাখ্যা অৰ্থাৎ কিয় ই বৈধ বা কিয় ই অবৈধ সেইটোও স্পষ্ট কৰিব লাগিব।

ন্যায় অনুমানত সাধাৰণতে নিম্নলিখিত দোষসমূহ দেখা যায়—

(a) চতুষ্পদী দোষ (Fallacy of four terms)

(b) অনেকাৰ্থক সাধ্যপদ দোষ (Fallacy of ambiguous major)

(c) অনেকাৰ্থক পক্ষপদ দোষ (Fallacy of ambiguous minor)

(d) অনেকাৰ্থক হেতুপদ দোষ (Fallacy of ambiguous middle)

(e) অব্যাপ্ত হেতুপদ দোষ (Fallacy of undistributed middle)

(f) অবৈধ সাধ্যপদ দোষ (Fallacy of illicit major)

(g) অবৈধ পক্ষপদ দোষ (Fallacy of illicit minor)

(h) দুটি নঞৰ্থক আশ্ৰয়বাক্যজনিত দোষ (Fallacy of negative premises)।

তলত কিছুমান ন্যায় অনুমানৰ বৈধতাৰ বিচাৰ কৰি দেখুওৱা হ'ল—

**(a) চতুষ্পদী দোষ (Fallacy of four terms) ঃ**

(i) সেনাপতিৰ স্ত্ৰীয়ে সৈন্যবাহিনীক পৰিচালনা কৰে; কাৰণ সেনাপতিয়ে সৈন্যবাহিনীক পৰিচালনা কৰে আৰু সেনাপতিৰ স্ত্ৰীয়ে সেনাপতিক পৰিচালনা কৰে।

তৰ্কবিজ্ঞানসন্মত ৰূপ—

A– সেনাপতি হয় এনে ব্যক্তি যিয়ে সৈন্যবাহিনীক পৰিচালনা কৰে।

A– সেনাপতিৰ স্ত্ৰী হয় এনে ব্যক্তি যিয়ে সেনাপতিক পৰিচালনা কৰে।

∴ A– সেনাপতিৰ স্ত্ৰী হয় এনে ব্যক্তি যিয়ে সৈনাবাহিনীক পৰিচালনা কৰে।

দোষ ঃ চতুষ্পদী দোষ (Fallacy of four terms)।

এই ন্যায়টো অশুদ্ধ। ইয়াত চতুষ্পদী দোষ ঘটিছে। ন্যায়ৰ নিয়ম মতে এটা ন্যায়ত তিনিটাতকৈ বেছি পদ থাকিব নোৱাৰে। কিন্তু ইয়াত চাৰিটা পদ আছে। যেনে— (1) সেনাপতি (2) যিয়ে সৈনাবাহিনীক পৰিচালনা কৰে, (3) সেনাপতিৰ স্ত্ৰী আৰু (4) যিয়ে সেনাপতিক পৰিচালনা কৰে।

(ii) পৃথিৱী সূৰ্যৰ চাৰিওফালে ঘূৰে, চন্দ্ৰ পৃথিৱীৰ চাৰিওফালে ঘূৰে। গতিকে চন্দ্ৰ সূৰ্যৰ চাৰিওফালে ঘূৰে।

তৰ্কবিজ্ঞানসন্মত ৰূপ—

A– পৃথিৱী হয় এনে যি সূৰ্যৰ চাৰিওফালে ঘূৰে।

A– চন্দ্ৰ হয় এনে যি পৃথিৱীৰ চাৰিওফালে ঘূৰে।

∴ A– চন্দ্ৰ হয় এনে যি সূৰ্যৰ চাৰিওফালে ঘূৰে।

দোষ ঃ চতুষ্পদী দোষ (The fallacy of four terms)।

এই ন্যায়টো অবৈধ। ইয়াত চতুষ্পদী দোষ

ঘটিছে। ন্যায়ৰ নিয়ম মতে এটা ন্যায়ত তিনিটাতকৈ বেছি পদ থাকিব নোৱাৰিব। কিন্তু ইয়াত চাৰিটা পদ আছে। যেনে— (1) পৃথিৱী (2) যি সূৰ্যৰ চাৰিওফালে ঘূৰে (3) চন্দ্ৰ (4) যি পৃথিৱীৰ চাৰিওফালে ঘূৰে।

**(b) অনেকাৰ্থক সাধ্যপদ দোষ (Fallacy of ambiguous major) ঃ**

(i) নামবাচক শব্দ ধাতু নহয়, লো নামবাচক শব্দ, সেয়ে লো ধাতু নহয়।

তৰ্কবিজ্ঞানসন্মত ৰূপ—

E– কোনো নামবাচক শব্দ নহয় ধাতু

A– লো হয় নামবাচক শব্দ।

∴ E– লো নহয় ধাতু।

দোষ ঃ অনেকাৰ্থক সাধ্যপদ দোষ।

এই ন্যায়টো অবৈধ। ইয়াত 'অনেকাৰ্থক সাধ্যপদ দোষ' ঘটিছে। ন্যায়ৰ নিয়ম মতে ন্যায়ৰ পদটো দুয়োটা বচনতে একে অৰ্থত ব্যৱহাৰ হ'ব লাগে। ইয়াত সাধ্যপদ 'ধাতু' অনেকাৰ্থক হৈছে। সাধ্য বচনত ই ব্যৱহাৰ হৈছে ক্ৰিয়াৰ মূলৰ অৰ্থত আৰু সিদ্ধান্তত এক ধাতৱ পদাৰ্থৰ অৰ্থত ব্যৱহাৰ হৈছে।

(ii) পদ বচনৰ অংশ। মোৰ ভৰি দুখন বচনৰ অংশ নহয়। সেয়েহে মোৰ ভৰি দুখন পদ নহয়।

তৰ্কবিজ্ঞানসন্মত ৰূপ—

A– পদ হয় বচনাংশ

E– মোৰ ভৰি দুখন নহয় বচনাংশ

∴ E– মোৰ ভৰি দুখন নহয় পদ।

দোষ ঃ অনেকাৰ্থক সাধ্যপদ দোষ।

এইটো এটা অবৈধ ন্যায়। ইয়াত 'অনেকাৰ্থক সাধ্যপদ দোষ' ঘটিছে। ন্যায়ৰ নিয়ম মতে সাধ্যপদটো দুয়োটা আশ্ৰয়বাক্যতে একে অৰ্থত ব্যৱহাৰ হ'ব লাগিব কিন্তু ইয়াত সাধ্যপদ 'পদ' সাধ্যবচনত 'বচনৰ অংশ' অৰ্থত আৰু সিদ্ধান্তত 'শৰীৰৰ অংশ' অৰ্থাৎ 'ভৰি' অৰ্থত ব্যৱহাৰ হৈছে।

**(c) অনেকাৰ্থক পক্ষপদ দোষ (Fallacy of ambiguous minor) ঃ**

(i) মানুহ উৰিব পৰা জীৱ নহয়, দ্বিজ হয় মানুহ, সেয়েহে দ্বিজ উৰিব পৰা জীৱ নহয়।

তৰ্কবিজ্ঞানসন্মত ৰূপত—

E– মানুহ নহয় উৰিব পৰা জীৱ

A– দ্বিজ হয় মানুহ

∴ E– দ্বিজ নহয় উৰিব পৰা জীৱ।

দোষ ঃ অনেকাৰ্থক পক্ষপদ দোষ।

এইটো এটা অবৈধ ন্যায়। ইয়াত 'অনেকাৰ্থক পক্ষপদ দোষ' ঘটিছে। ন্যায়ৰ নিয়ম মতে পক্ষপদটো দুয়োটা আশ্ৰয়বাক্যতে একে অৰ্থত ব্যৱহাৰ হ'ব লাগিব। কিন্তু ইয়াত 'দ্বিজ' পক্ষপদ পক্ষবচনত 'ব্ৰাহ্মণ' অৰ্থত আৰু সিদ্ধান্তত 'চৰাই' অৰ্থত ব্যৱহাৰ হৈছে।

(ii) ক্ষণস্থায়ী বস্তুৰ মূল্য নাই। দণ্ডৰ মূল্য নাই, কাৰণ দণ্ড ক্ষণস্থায়ী।

তৰ্কবিজ্ঞানসন্মত ৰূপ—

A– সকলো ক্ষণস্থায়ী বস্তু হয় মূল্যহীন

A– দণ্ড হয় ক্ষণস্থায়ী

∴ A– দণ্ড হয় মূল্যহীন।

দোষ ঃ অনেকাৰ্থক পক্ষপদ দোষ।

এইটো এটা অবৈধ ন্যায়। ইয়াত অনেকাৰ্থক পক্ষপদ দোষ ঘটিছে। ন্যায়ৰ নিয়ম মতে পক্ষপদটো

দুয়োটা আশ্ৰয়বাক্যতে একে অৰ্থত ব্যৱহাৰ হ'ব লাগিব। কিন্তু ইয়াত পক্ষপদ 'দণ্ড' পক্ষবচনত 'কোমল' বুজাইছে আৰু সিদ্ধান্তত 'শাস্তি' অৰ্থত ব্যৱহাৰ হৈছে।

**(d) অনেকাৰ্থক হেতুপদ দোষ (Fallacy of ambiguous middle) ঃ**

(i) ৰাজকোষ অৰ্থপূৰ্ণ। তেওঁৰ কথাবোৰ অৰ্থপূৰ্ণ, গতিকে তেওঁৰ কথাবোৰ হয় ৰাজকোষ।

তৰ্কবিজ্ঞানসন্মত ৰূপ—

A– ৰাজকোষ হয় অৰ্থপূৰ্ণ

A– তেওঁৰ কথাবোৰ হয় অৰ্থপূৰ্ণ

∴ A– তেওঁৰ কথাবোৰ হয় ৰাজকোষ।

দোষ ঃ অনেকাৰ্থক হেতুপদ দোষ।

এই ন্যায় অনুমানটো অবৈধ। ইয়াত অনেকাৰ্থক হেতুপদ দোষ ঘটিছে। ন্যায়ৰ নিয়ম মতে হেতুপদ দুয়োটা আশ্ৰয়বাক্যতে একে অৰ্থত ব্যৱহাৰ হ'ব লাগিব। কিন্তু ইয়াত 'অৰ্থপূৰ্ণ' হেতুপদটো সাধ্যবচনত 'টকা-পইচাৰ পূৰ্ণ' অৰ্থত আৰু পক্ষবচনত 'তাৎপৰ্যপূৰ্ণ' অৰ্থত ব্যৱহাৰ হৈছে।

(ii) ৰূপ হয় এবিধ মৌল। অক্সিজেনৰ ৰূপ নাই, গতিকে অক্সিজেন মৌল নহয়।

তৰ্কবিজ্ঞানসন্মত ৰূপ—

A– ৰূপ হয় এবিধ মৌল

E– অক্সিজেন নহয় এনে যাৰ ৰূপ আছে

∴ E– অক্সিজেন নহয় মৌল।

দোষ ঃ অনেকাৰ্থক হেতুপদ দোষ।

এই ন্যায় অনুমানটো অবৈধ। ইয়াত 'অনেকাৰ্থক হেতুপদ দোষ' হৈছে। ন্যায়ৰ নিয়ম মতে হেতুপদ দুয়োটা আশ্ৰয়বাক্যতে একে অৰ্থত ব্যৱহাৰ হ'ব লাগিব। কিন্তু ইয়াত হেতুপদ 'ৰূপ' সাধ্যবচনত এবিধ 'ধাতু'ৰ অৰ্থত আৰু পক্ষবচনত 'ৰূপ'ৰ অৰ্থ হৈছে 'আকাৰ'।

**(e) অব্যাপ্ত হেতুপদ দোষ (Fallacy of undistributed middle) ঃ**

(i) কবিসকল কল্পনাপ্ৰৱণ। কালিদাস হয় কল্পনাপ্ৰৱণ, গতিকে কালিদাস হয় কবি।

তৰ্কবিজ্ঞানসন্মত ৰূপ—

A– সকলো কবি হয় কল্পনাপ্ৰৱণ

A– কালিদাস হয় কল্পনাপ্ৰৱণ।

∴ A– কালিদাস হয় কবি।

দোষ ঃ অব্যাপ্ত হেতুপদ দোষ।

এই ন্যায় অনুমানটো অবৈধ। ইয়াত 'অব্যাপ্ত হেতুপদ দোষ' ঘটিছে। ন্যায়ৰ নিয়ম মতে হেতুপদটো দুয়োটা আশ্ৰয়বাক্যত অন্ততঃ এবাৰ ব্যাপ্ত হ'বই লাগিব। কিন্তু ইয়াত 'কল্পনাপ্ৰৱণ' হেতুপদটো দুয়োটা আশ্ৰয়বাক্যতে এবাৰো ব্যাপ্ত হোৱা নাই। গতিকে ইয়াত 'অব্যাপ্ত হেতুপদ দোষ' ঘটিছে।

(ii) তেওঁ নিশ্চয় কাপুৰুষ কাৰণ তেওঁ অসাধু আৰু সকলো কাপুৰুষ অসাধু।

তৰ্কবিজ্ঞানসন্মত ৰূপ—

A– সকলো কাপুৰুষ হয় অসাধু

A– তেওঁ হয় অসাধু

∴ A– তেওঁ হয় কাপুৰুষ

দোষ ঃ অব্যাপ্ত হেতুপদ দোষ।

এইটো এটা অবৈধ ন্যায়। ইয়াত 'অব্যাপ্ত হেতুপদ দোষ'ৰ সৃষ্টি হৈছে। ন্যায়ৰ নিয়ম মতে হেতুপদটো দুয়োটা আশ্ৰয়বাক্যতে অন্ততঃ এবাৰ

ব্যাপ্ত হ'বই লাগিব। কিন্তু ইয়াত 'অসাধু' হেতুপদটো দুয়োটা আশ্ৰয়বাক্যত A বচনৰ বিধেয় হোৱা বাবে অব্যাপ্ত হৈছে।

**(f) অবৈধ সাধ্যপদ দোষ (Fallacy of illicit major) ঃ**

(i) কেৱল সাহসী লোকেহে বিপদৰ সন্মুখীন হ'ব পাৰে, তেওঁ সাহসী নহয়। কাৰণ তেওঁ বিপদৰ সন্মুখীন হ'ব নোৱাৰে।

তৰ্কবিজ্ঞানসন্মত ৰূপ—

A– সকলো লোক যিয়ে বিপদৰ সন্মুখীন হ'ব পাৰে হয় সাহসী

E– তেওঁ নহয় এনে যিয়ে বিপদৰ সন্মুখীন হ'ব পাৰে।

∴ E– তেওঁ নহয় সাহসী।

দোষ ঃ অবৈধ সাধ্যপদ দোষ।

এইটো এটা অবৈধ ন্যায়। ইয়াত অবৈধ সাধ্যপদ দোষ ঘটিছে। ন্যায়ৰ নিয়ম মতে আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ কোনো পদেই সিদ্ধান্তত ব্যাপ্ত হ'ব নোৱাৰে। কিন্তু ইয়াত 'সাহসী' সাধ্যপদ সাধ্য আশ্ৰয়বাক্যত A বচনৰ বিধেয় হোৱা বাবে অব্যাপ্ত হৈছে, কিন্তু সিদ্ধান্তত E বচনৰ বিধেয় হিচাপে ব্যাপ্ত হৈছে।

(ii) তেওঁ অন্ধবিশ্বাসী নহয়, কিয়নো অশিক্ষিতসকল অন্ধবিশ্বাসী আৰু তেওঁ অশিক্ষিত নহয়।

A– সকলো অশিক্ষিত লোক হয় অন্ধবিশ্বাসী

E– তেওঁ নহয় অশিক্ষিত

∴ E– তেওঁ নহয় অন্ধবিশ্বাসী।

দোষ ঃ অবৈধ সাধ্যপদ দোষ।

এই ন্যায় অনুমানটো অবৈধ। ইয়াত অবৈধ সাধ্যপদ দোষ ঘটিছে। ন্যায়ৰ নিয়ম মতে আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ কোনো পদেই সিদ্ধান্তত ব্যাপ্ত হ'ব নোৱাৰে। ইয়াত 'অন্ধবিশ্বাসী' সাধ্যপদ E বচনৰ বিধেয় হিচাপে সিদ্ধান্তত ব্যাপ্ত হৈছে। কিন্তু সাধ্য আশ্ৰয়বাক্যত A বচনৰ বিধেয় হিচাপে ব্যাপ্ত হোৱা নাই।

**(g) অবৈধ পক্ষপদ দোষ (Fallacy of illicit minor) ঃ**

(i) সকলো কুকুৰ হয় চতুষ্পদী। সকলো চতুষ্পদী জীৱই জন্তু, গতিকে সকলো জন্তুৱেই কুকুৰ।

তৰ্কবিজ্ঞানসন্মত ৰূপ—

A– সকলো কুকুৰ হয় চতুষ্পদী

A– সকলো চতুষ্পদী জীৱ হয় জন্তু

∴ A– সকলো জন্তু হয় কুকুৰ।

দোষ ঃ অবৈধ পক্ষপদ দোষ।

এই অনুমানটো অবৈধ। ইয়াত 'অবৈধ পক্ষপদ দোষ' ঘটিছে। ন্যায়ৰ নিয়ম মতে আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ কোনো পদেই সিদ্ধান্তত ব্যাপ্ত হ'ব নোৱাৰিব। ইয়াত 'জন্তু' পক্ষপদ সিদ্ধান্ত A বচনৰ উদ্দেশ্য হিচাপে ব্যাপ্ত হৈছে, কিন্তু পক্ষ আশ্ৰয়বাক্যত A বচনৰ বিধেয় হিচাপে ব্যাপ্ত হোৱা নাই।

(ii) ড° ৰাধাকৃষ্ণণ ভাৰতৰ ৰাষ্ট্ৰপতি। তেওঁ দৰ্শনৰ অধ্যাপক গতিকে দৰ্শনৰ অধ্যাপকেই ভাৰতৰ ৰাষ্ট্ৰপতি হ'ব পাৰে।

তৰ্কবিজ্ঞানসন্মত ৰূপ—

A– ড° ৰাধাকৃষ্ণণ হয় ভাৰতৰ ৰাষ্ট্ৰপতি

A– ড° ৰাধাকৃষ্ণণ হয় দৰ্শনৰ অধ্যাপক

∴ A– সকলো দৰ্শনৰ অধ্যাপক হয় এনে যি

ভাৰতৰ ৰাষ্ট্ৰপতি হ’ব পাৰে।

দোষ ঃ অবৈধ পক্ষপদ দোষ।

এইটো এটা অবৈধ ন্যায়। ইয়াত অবৈধ পক্ষপদ দোষ ঘটিছে। ন্যায়ৰ নিয়ম মতে আশ্ৰয়বাক্যত ব্যাপ্ত নোহোৱাকৈ কোনো পদেই সিদ্ধান্তত ব্যাপ্ত হ’ব নোৱাৰিব। ইয়াত পক্ষপদ ‘দৰ্শনৰ অধ্যাপক’ A বচনৰ উদ্দেশ্য হিচাপে সিদ্ধান্তত ব্যাপ্ত হৈছে। কিন্তু পক্ষ বচনত A বচনৰ বিধেয় হিচাপে ব্যাপ্ত হোৱা নাই।

**(h) দুটা নঞৰ্থক আশ্ৰয়বাক্যজনিত দোষ ঃ (Fallacy of two negative premise)**

(i) কিছুমান মানুহ মেধাৰী নহয়। সকলো মানুহ ডাক্তৰ নহয়। গতিকে কিছুমান মেধাৰী লোক ডাক্তৰ নহয়।

O– কিছুমান মানুহ নহয় ডাক্তৰ

O– কিছুমান মানুহ নহয় মেধাৰী

∴ O– কিছুমান মেধাৰী লোক নহয় ডাক্তৰ।

দোষ ঃ ‘নঞৰ্থক আশ্ৰয়বাক্যজনিত দোষ’।

এই ন্যায় অনুমানটো অবৈধ। ইয়াত ‘দুটা নঞৰ্থক আশ্ৰয়বাক্যজনিত দোষ’ ঘটিছে। ন্যায়ৰ নিয়ম মতে দুটা নঞৰ্থক আশ্ৰয়বাক্যৰ পৰা কোনো সিদ্ধান্ত পোৱা নাযাব। ইয়াত দুয়োটা আশ্ৰয়বাক্যই নঞৰ্থক বচন।

(ii) কোনো সৰু দেশেই উন্নতিশীল নহয়। চীন সৰু দেশ নহয়, গতিকে চীন উন্নতিশীল।

তৰ্কবিজ্ঞানসন্মত ৰূপ—

E– কোনো সৰু দেশ নহয় উন্নতিশীল

E– চীন নহয় সৰু দেশ

∴ A– চীন হয় উন্নতিশীল।

দোষ ঃ নঞৰ্থক আশ্ৰয়বাক্যজনিত দোষ।

এই অনুমানটো অবৈধ। ইয়াত ‘দুটা নঞৰ্থক আশ্ৰয়বাক্যজনিত দোষ’ ঘটিছে। ন্যায়ৰ নিয়ম মতে দুটা নঞৰ্থক আশ্ৰয়বাক্যৰ পৰা কোনো সিদ্ধান্ত পাব নোৱাৰি। ইয়াত দুয়োটা আশ্ৰয়বাক্যই নঞৰ্থক বচন।

## অনুশীলনী

**1.** শুদ্ধ উত্তৰ বাছি উলিওৱা ঃ

(a) এইটো সঁচানে যে অমাধ্যম অনুমানত দুটা আশ্ৰয়বাক্য থাকে।

(b) প্ৰতিবৰ্তন এক অমাধ্যম অনুমান। কথাষাৰ সঁচানে?

(c) অমাধ্যম অনুমানত সিদ্ধান্তটো কেইটা আশ্ৰয়বাক্যৰ পৰা নিঃসৃত?

(d) এইটো সঁচানে যে এটা অমিশ্ৰ নিৰপেক্ষ ন্যায়ত এটা হেতুপদ থাকিব লাগে।

(e) নিৰপেক্ষ ন্যায়ত হেতুপদ অন্ততঃ এবাৰ ব্যাপ্ত হ’ব লাগে। কথাষাৰ সঁচানে?

(f) ন্যায়ৰ কোনটো পদে সংস্থান নিৰ্ণয় কৰে?

(g) প্ৰথম সংস্থানৰ বৈধ মূৰ্তিসমূহত কোনটো সাধ্যবচন হিচাপে ব্যৱহৃত হয়?

**2.** সংজ্ঞা দিয়া ঃ

(a) প্ৰতিবৰ্তন (b) পক্ষপদ

(c) হেতুপদ (d) ব্যাপ্ত পদ

(e) সমবৰ্তন।

**3.** তলত দিয়াবোৰৰ উত্তৰ কৰা ঃ

(a) অমাধ্যম অনুমান কি?

(b) A বচনৰ সৰল সমবৰ্তন সম্ভৱনে?

(c) বস্তুগত প্ৰতিবৰ্তন প্ৰকৃত প্ৰতিবৰ্তন হয়নে?
(d) এটা ন্যায়ত কেইটা বচন থাকে?
(e) ন্যায়ৰ সিদ্ধান্তৰ বিধেয় পদটোৰ নাম কি?
(f) প্ৰথম সংস্থানৰ দুটা বৈধ আকৃতিৰ নাম লিখা।
(g) এটা ন্যায়ত কেইটা পদ থাকে?
(h) ন্যায়ৰ সিদ্ধান্তৰ উদ্দেশ্য পদটোৰ কি নাম?

**4.** পাৰ্থক্য দেখুওৱা ঃ
(a) অমাধ্যম অনুমান আৰু মাধ্যম অনুমান।
(b) সৰল সমবৰ্তন আৰু অসৰল সমবৰ্তন।

**5.** উদাহৰণ দিয়া ঃ
(a) সৰল সমবৰ্তন
(b) অসৰল সমবৰ্তন
(c) বস্তুগত প্ৰতিবৰ্তন
(d) BARBARA
(e) চতুষ্পদী দোষ
(f) ন্যায়

**6.** উত্তৰ দিয়া ঃ
(a) হেতুপদ কাক বোলে।
(b) সাধ্যপদ কাক বোলে।

**7.** চমুটোকা লিখা ঃ
(a) সংস্থান
(b) ন্যায়ৰ মূৰ্তি
(c) হেতুপদ
(d) সংযোজক
(e) বস্তুগত প্ৰতিবৰ্তন
(f) নিষেধমূলক সমবৰ্তন।

**8.** ৰচনাত্মক প্ৰশ্ন ঃ
(a) অনুমান কাক বোলে? অনুমানৰ বিভিন্ন প্ৰকাৰবোৰ কি কি?
(b) নিগমন অনুমান কাক বোলে? ইয়াৰ বৈশিষ্ট্যবোৰ কি কি?
(c) আগমন অনুমান কাক বোলে? ইয়াৰ বৈশিষ্ট্যবোৰ কি কি?
(d) নিগমন অনুমান আৰু আগমন অনুমানৰ পাৰ্থক্য কি কি?
(e) নিগমন অনুমান কাক বোলে? ইয়াৰ বিভিন্ন প্ৰকাৰবোৰ কি কি?
(f) অমাধ্যম অনুমান কাক বোলে? মাধ্যম আৰু অমাধ্যম অনুমানৰ পাৰ্থক্য লিখা।
(g) সমবৰ্তন কাক বোলে? সমবৰ্তনৰ নিয়মাৱলী উল্লেখ কৰা।
(h) প্ৰতিবৰ্তন কাক বোলে? প্ৰতিবৰ্তনৰ নিয়মাৱলী উল্লেখ কৰা।
(i) সমবৰ্তন কাক বোলে? উদাহৰণৰ সহায়ত সমবৰ্তনৰ বিভিন্ন প্ৰকাৰবোৰ বুজাই লিখা।
(j) সৰল সমবৰ্তন কাক বোলে? কি কি ক্ষেত্ৰত A বচনৰ সৰল সমবৰ্তন হয়?
(k) অমিশ্ৰ নিৰপেক্ষ ন্যায় কাক বোলে? ইয়াৰ বৈশিষ্ট্যবোৰ কি কি?
(l) ন্যায় কাক বোলে? ন্যায়ৰ গঠন বৰ্ণনা কৰা।
(m) হেতুপদ কাক বোলে? নিৰপেক্ষ ন্যায়ত হেতুপদৰ ভূমিকা কি?
(n) ন্যায়ৰ সংস্থান বুলিলে কি বুজা?

উদাহৰণেৰে সৈতে বিভিন্ন সংস্থানৰ ব্যাখ্যা কৰা।

**9.** নিম্নলিখিত যুক্তিবোৰৰ সত্যাসত্য নিৰ্ণয় কৰা।

(i) কিছুসংখ্যক মানুহ হয় পাপী। ঋষিসকল মানুহ, গতিকে ঋষিসকল পাপী।

(ii) সকলো দুগ্ধজাত খাদ্য পুষ্টিকৰ আৰু সকলো দুগ্ধজাত খাদ্যই সুস্বাদু। গতিকে কিছুমান সুস্বাদু খাদ্য নিশ্চয় পুষ্টিকৰ।

(iii) এৰিষ্টটল এজন খ্যাতনামা তৰ্কবিদ। কাৰণ তেওঁ এজন দাৰ্শনিক আৰু সকলো খ্যাতনামা তৰ্কবিদেই দাৰ্শনিক।

(iv) যিহেতু তেওঁ ভাৰতীয়, গতিকে তেওঁ হিন্দু হ'বই। কাৰণ কেৱল ভাৰতীয় সকলেই হিন্দু।

(v) সকলো মানুহ পৰিশ্ৰমী নহয়। কিন্তু ৰমানন্দ পৰিশ্ৰমী, গতিকে তেওঁ মানুহ হ'ব নোৱাৰে।

(vi) ভগৱানে মানুহ সৃষ্টি কৰিলে, মানুহে পাপ সৃষ্টি কৰিলে, গতিকে ভগৱানে পাপ সৃষ্টি কৰিলে।

(vii) পৃথিৱী সূৰ্যৰ চাৰিওফালে ঘূৰে, চন্দ্ৰ পৃথিৱীৰ চাৰিওফালে ঘূৰে, গতিকে চন্দ্ৰ সূৰ্যৰ চাৰিওফালে ঘূৰে।

* * *